কামতেই আছে অনাবিল আনন্দ

তৰুণ ভাৰতী পুথিভঁৰাল

কামতেই আছে অনাৱিল আনন্দ

এচ. এ. চাপ্রে

অনুবাদ

অমৃতজ্যোতি মহন্ত

নেশ্যনেল বুক ট্রাষ্ট, ইণ্ডিয়া

ISBN 81-237-2836-0

প্ৰথম প্ৰকাশ 1999 (শক 1921)

© এচ. এ. চাপ্ৰে, 1996

অসমীয়া অনুবাদ © নেশ্যনেল বুক ট্ৰাষ্ট, ইণ্ডিয়া, 1999

মূল্য : 25.00 টকা

The Joy of Work *(Asamiya)*

সঞ্চালক, নেশ্যনেল বুক ট্ৰাষ্ট, ইণ্ডিয়া, এ-5 গ্ৰীণ পাৰ্ক

নতুন দিল্লী-110016 ৰ দ্বাৰা প্ৰকাশিত

সূচীপত্ৰ

	পাতনি	vii
1.	কামৰ জগতখন	1
2.	কাম তিনিটা প্ৰধান চয়তানৰ শত্ৰু	4
3.	খেলা-ধূলা বা বিশ্ৰামৰ দৰে কামো এটা স্বাভাৱিক কথা	9
4.	বিশ্ৰাম কামৰ যোগেদি আৰ্জিব পাৰি	11
5.	কৰ্ম বিন্যাস	14
6.	অংশগ্ৰহণে কামলৈ ধাউতি বঢ়ায়	18
7.	জিৰণিয়ে কাম সমৃদ্ধ কৰে	20
8.	কাম একপ্ৰকাৰ খেলা	24
9.	কামৰো সৌন্দৰ্য আছে	27
10.	কাম সৃষ্টিশীল চৰ্চা	30
11.	সুশৃংখল শ্ৰমেৰে জাতীয় উন্নয়ন	33
12.	সাফল্যৰ প্ৰতি ধাউতি	37
13.	কাম এক নৈতিক দায়িত্ব	41
14.	কাম আমাৰ শ্ৰেষ্ঠতম গুৰু	44
15.	ক্ষুদ্ৰ কামেও আনে বিপ্লৱ	47
16.	কামে দুখ পাতলায়	50
17.	কামে আত্মোপলব্ধি দিয়ে	52
18.	অনুপ্ৰেৰণা-স্বাস্থ্যবিধি তত্ত্ব	71
19.	জাপানী কৰ্ম-সংস্কৃতি	77
20.	উপসংহাৰ ঃ মই কি কৰঙণি যোগাব পাৰোঁ	81

পাতনি

এসময়ত নেপল্‌চত এজন ধনী পৰ্যটকে তেওঁ লগ পোৱা আটাইতকৈ এলেহুৱা মানুটোক কিবা এটা দিয়াৰ সিদ্ধান্ত কৰিলে। এঠাইত দেখিলে বাৰজন ভিক্ষাৰীয়ে অলসভাবে গা ৰ'দাই আছে। তেওঁ ক'লে যে সিহঁতৰ মাজৰ আটাইতকৈ এলেহুৱাটোক তেওঁ এটা লিৰা দিব। এঘাৰজন ভিক্ষাৰীয়ে ততালিকে উঠি হাত মেলিলে। তেওঁ দ্বাদশজনক মুদ্ৰাটো দিলে। এই হাঁহি উঠা কাহিনীটো বাৰ্ট্ৰাণ্ড ৰাছেলে তেওঁৰ *ইন প্ৰেইজ অৱ আইড্‌লনেচ* নামৰ কিতাপখনত উল্লেখ কৰিছে।

কিন্তু দেখাত এলাহ প্ৰশংসা কৰিলেও ৰাছেল নিজে আছিল এক অনলস কৰ্মী। আনকি এপাক ফুৰিবলৈ ওলাই যাওঁতেও ফুল, তৰা, গানৰ কথা নাভাবি তেওঁ দৰ্শন আলোচনা কৰিব পাৰিছিল। দহবছৰ জুৰি তেওঁ লেখি উলিয়াইছিল *প্ৰিন্সিপিয়া মেথেমেটিকা*—তৰ্কশাস্ত্ৰত এৰিষ্টটলৰ পিচতে এইখন গ্ৰন্থক স্থান দিয়া হয়। এই কঠোৰ পৰিশ্ৰমে তেওঁৰ ব্যক্তিত্বকে সলনি কৰি দিলে বুলি তেওঁ পাচত কৈছিল। তথাপিও তেওঁ আজীৱন একে উৎসাহেৰে কাম কৰি গৈছিল। নব্বৈ বছৰ বয়সতো তেওঁ দিনে বাৰঘণ্টা কাম কৰিছিল। তেওঁৰ মতে—"জ্ঞানী মানুহে কৰ্মৰত অৱস্থাতে শেষ নিশ্বাস এৰাৰ ইচ্ছা কৰিব লাগে।"

আজি কিন্তু কামৰ সন্মান যেন কিছু কমি গৈছে। মানুহ কৰ্মবিমুখ হবলৈ আৰম্ভ কৰিছে। চাৰিওপিনে হতাশা আৰু হতাশাৰ যুক্তিযুক্ততা প্ৰমাণ কৰাৰ এক প্ৰৱণতা। প্ৰত্যেকৰে অভিযোগ তেওঁ যেন নিজৰ প্ৰাপ্যতকৈ কম পাৰিশ্ৰমিক পাই আছে। কিছুমানে কয় তেওঁলোকৰ কাম খুব আমনিলগা। আন কিছুমানৰ অভিযোগ এইয়ে যে তেওঁলোকে কৰা ভাল কামৰ হেনো কোনো স্বীকৃতি নাই। আন বহুতো শিক্ষিতই আকৌ কম কাম আৰু অধিক বিশ্ৰামৰ পোষকতা কৰে। আধুনিক যুগৰ পৃথিৱীত গেবাৰি খটা বিষয়টো লৈ অসংখ্য কিতাপ লেখা হৈছে। এই কথাত অৱশ্যে কোনো সন্দেহ নাই যে কামক নতুন ঠাচত সজাই যিমানদূৰ সম্ভৱ ইয়াৰ পৰিধি বিস্তৃত আৰু সমৃদ্ধ কৰিব পাৰি। এই কথাও অনস্বীকাৰ্য যে যুক্তিসংগত অভিযোগবোৰ যিমান পাৰি সোনকালে সমাধান কৰা উচিত। কিন্তু মানুহ এনে এবিধ প্ৰাণী যাৰ প্ৰয়োজন কেতিয়াও শেষ নহয় আৰু অভিযোগ সদায় থাকিব

আৰু ৰূঢ় সত্যটো হ'ল যে আটাইতকৈ একঘেঁয়ী কামটোও কাম নোহোৱাতকৈ বা ভাত নোহোৱাতকৈ ভাল। কঠিন পৰিশ্ৰম নোহোৱাকৈ ভাল বিশ্ৰামো হ'ব নোৱাৰে। তেওঁৰ অমৰ কীৰ্তি *কেণ্ডিডা* গ্ৰন্থত ভল্টেয়াৰে কোৱা সেই কথাষাৰ পাহৰিব নালাগিব—যে কৰ্মহীনতা মানুহৰ চৰমতম অভিশাপ আৰু কামেই তিনিটা অভিশাপৰ পৰা মানুহক মুক্ত কৰিব পাৰে—আমনিলগা ভাব, দুষ্কাৰ্য আৰু দৰিদ্ৰতা।

এই কিতাপখনত যিমানদূৰ পাৰি সৰলভাবে দেখুওৱা হৈছে যে কাম মানুহৰ প্ৰকৃত সংগী, শিক্ষক, তথা আধ্যাত্মিক হতাশা আৰু আত্ম-ধ্বংসৰ পৰা ৰক্ষা কৰিব পৰা সৰ্বশ্ৰেষ্ঠ ত্ৰাণকৰ্তা। জীৱনৰ সকলো ক্ষেত্ৰতে সুশৃংখল পৰিশ্ৰমেই হ'ল আধুনিক সভ্যতাৰ ভেঁটি। ই অৰ্থনৈতিক উন্নতিৰো সচাঁৰকাঠি। উৎসৰ্গাৰ মনোভাৱেৰে পৰিশ্ৰমৰ অবিহনে দৰিদ্ৰতা দূৰীকৰণৰ কথা ভাবিবই নোৱাৰি। কেৱল কামেইহে এজন ব্যক্তিৰ ব্যক্তিত্ব, তেওঁৰ সম্প্ৰদায় আৰু সংস্কৃতি ৰক্ষা কৰিব পাৰে।

মানুহে কামেৰেই সমাজ সৃষ্টি কৰে আৰু তাৰ বিনিময়ত সমাজে মানুহক গঢ় দিয়ে। সুখ মানে কেৱল তৃপ্তিকে নুবুজায়। ই হ'ল এক নিৰন্তৰ, বাধাহীন কৰ্মসূচী। কামেই হ'ল এক স্থায়ী সুখৰ একমাত্ৰ উৎস।

কিতাপখনত দাৰ্শনিক, মনস্তাত্ত্বিক বা সামাজিক প্ৰসঙ্গৰ ডাঙৰ কথা সামৰাৰ মিথ্যা প্ৰয়াস কৰা হোৱা নাই। যথাৰ্থতে এইখন সাধাৰণ পাঠকৰ মনত কামৰ প্ৰতি আগ্ৰহ আৰু শ্ৰদ্ধা ওপজোৱাৰ এখন সহায়ক পুথি। ইয়াৰ সাৰকথা এটা বাক্যত এনেকৈ সামৰিব পাৰি ঃ 'কাম কেৱল জীৱনৰ এটা অংগই নহয়, বৰং কামেই জীৱন।'

বৌদ্ধ দৃষ্টিভংগীৰ পৰা কামৰ অন্ততঃ তিনিটা দিশ নিৰ্ণয় কৰা হৈছে ঃ ই মানুহক নিজৰ গুণ ব্যৱহাৰ কৰা আৰু সেইবোৰৰ বিকাশ ঘটোৱাৰ এক সুযোগ দিয়ে। আনৰ সৈতে একেলগে কাম কৰাৰ ফলত নিজৰ অহমিকা ত্যাগ কৰিব পৰা হয়। আৰু এক সুন্দৰ জীৱনৰ বাবে লাগতিয়াল সেৱা আৰু সম্পদ যোগাৰ কৰিব পাৰি। *এতিয়া, এই দৃষ্টিভংগীৰ পৰা ভালেমান সিদ্ধান্তলৈ আহিব পাৰি। কাম যদি কৰোতাজনৰ বাবে আমনিলগা বা অৰ্থহীন হয় বা ই যদি তেওঁক উন্মাদ কৰি তোলে বা তেওঁৰ ওপৰত এক প্ৰচণ্ড চাপ সৃষ্টি কৰে তেন্তে ইয়াক প্ৰায় অপৰাধেই বুলিব পাৰি; ই বুজাব যে মানুহতকৈ আহিলাক বেছি গুৰুত্ব দিয়া হৈছে, ই হ'ব এক অসাধু সহানুভূতিহীনতা, ঐহিক পৰিতৃপ্তিৰ প্ৰতি এক আত্মধ্বংসী হাবিয়াস। একেধৰণে, কামৰ পৰিৱৰ্তে বিশ্ৰামৰ প্ৰতি ধাউতি দেখুওৱাটো হ'ব জীৱনৰ এক বুনিয়াদী সত্যৰ ভুল ব্যাখ্যা, যিটো সত্য হ'ল কাম আৰু বিশ্ৰাম একে জীৱন পদ্ধতিৰে পৰিপূৰক, আৰু কামৰ আনন্দ আৰু বিশ্ৰামৰ বিনন্দীয়া সুখ ধ্বংস নকৰাকৈ এই দুয়োটা দিশ বিচ্ছিন্ন কৰিব নোৱাৰি।*

—ই. এফ. স্কুমেকাৰৰ *স্মল ইজ বিউটিফুল* গ্ৰন্থৰ পৰা

নিজকে বিলাসত উটাই নিদিবা
প্ৰয়াস কেতিয়াও পৰিহাৰ নকৰিবা।
আনন্দেৰে নিৰৱচ্ছিন্ন ভাবে কাম কৰি যোৱাঁ
সামগ্ৰিকতাৰ সন্ধান কৰাঁ।
আনৰ ওপৰত নিৰ্ভৰ নকৰিবা
নিজৰ বোজাও আনৰ ওপৰত জাপি নিদিবা।

—ৰামদাস

সোতৰ শতিকাৰ মহাৰাষ্ট্ৰৰ কবি, দাৰ্শনিক, ঋষি

1

কামৰ জগতখন

কামৰ জগতখনত কোনো স্থিৰতা নাই, কিন্তু ইয়াৰ মজাই সুকীয়া। ই দৰাচলতে এখন নিৰন্তৰ অসন্তুষ্টি, অশান্তি আৰু উত্থানৰ জগত। আকৌ মানুহৰ সাফল্য আৰু স্থায়ী সুখৰো এইখনেই জগত। এই জগতৰ বিশেষকৈ ঔদ্যোগিক ক্ষেত্ৰৰ পৰিবেশ বেচ উত্তপ্ত আৰু অস্থিৰ। উদাহৰণ স্বৰূপে, দুৰ্গাপুৰ তীখা কাৰখানাত এবাৰ এটা ধৰ্মঘট আৰম্ভ হ'ল। ইয়াৰ গুৰিটো আছিল এজন সাধাৰণ শ্ৰমিকে তেওঁৰ ঠিক ওপৰৰ বিষয়াজনে কিবা এটা আনিবলৈ কওঁতে তেওঁ তাকে কৰিবলৈ অমান্তি হ'ল। কিন্তু ই শ্ৰমিকজনৰ নিয়মীয়া কৰ্তব্যৰ ভিতৰুৱা আছিল। বা ১৯২৬ চনত ইংলেণ্ডত হোৱা সাধাৰণ ধৰ্মঘটৰ কথাই ধৰা হওক। এই ধৰ্মঘটো আৰম্ভ হৈছিল এটা তেনেই অপ্ৰত্যাশিত ঘটনাৰ পৰা। *ডেইলি মেইল* কাকতৰ মেচিন ৰুমৰ কৰ্মচাৰীয়ে 'ফৰ কিং এণ্ড কাণ্ট্ৰি' শীৰ্ষক এটি সম্পাদকীয় বেছি জ্বালাময়ী বুলি ছপা কৰিবলৈ অমান্তি হ'ল। তাৰ পৰাই গৈ ধৰ্মঘট। ১৯৭২ চনত তেনেকৈ, আমেৰিকাৰ জেনেৰেল মটৰচ্‌ৰ শ্ৰমিকসকলে আন্দোলন আৰম্ভ কৰিলে, মজুৰি বেছিকৈ বিচাৰি নহয়, বৰঞ্চ কামৰ পৰিৱেশৰ উন্নতি বিচাৰিহে। এফালে এইবিলাক, আনফালে আছে বিৰাট সাফল্যৰ চানেকিও। যেনেকৈ জাপানত ১৯৫৩ চনৰ পৰা ১৯৬১ চনৰ ভিতৰত ঔদ্যোগিক উৎপাদন ২১৭ শতাংশ বৃদ্ধি পাইছিল; ই কম কথা নহয়। আকৌ মাৰ্কিন যুক্তৰাষ্ট্ৰত ১৯৬৫ চনৰ পৰা ১৯৭০ চনৰ ভিতৰত প্ৰতি ইউনিটৰ উৎপাদন ব্যয় ২২ শতাংশ বৃদ্ধি পালে, কিন্তু সেই একেই সময়ত জাপানত সেই ব্যয় বৃদ্ধি পালে ৩ শতাংশহে, যিটো আছিল তেনেই অবিশ্বাস্য। আজিৰ পৃথিৱীত আমি দেখোঁ মানুহে এঠাইৰ পৰা আন এঠাইলৈ প্ৰব্ৰজন কৰে প্ৰাচুৰ্যৰ সন্ধানত, এক উন্নততৰ কৰ্মজীৱনৰ সন্ধানত। উদাহৰণ স্বৰূপে জাৰ্মানীত যিমান কোৰিয়ান নাৰ্চ আছে কোৰিয়াতে সিমান নাই। তুৰস্কৰ গ্ৰামাঞ্চলত কৰ্মক্ষম পুৰুষ মানুহ প্ৰায় দেখিবলৈকে নাই। বিস্তৃত ইউৰোপীয়ান ইকনমিক কমিউনিটিত ছয় নিযুত বিদেশী কৰ্মচাৰী আছে। চুইজাৰলেণ্ডত আছে এক নিযুত।

আমেৰিকা পৃথিৱীৰ ভিতৰত আটাইতকৈ ধনী দেশ, আৰু তাতেই আছে বিশ্বৰ ভিতৰত আটাইতকৈ বৃহৎ সংখ্যক যুৱ নিবনুৱা। ভাৰততো নিবনুৱা সমস্যাই ভয়ংকৰ ৰূপ লৈছে। অৰ্ধ-নিযুক্ত বা ছদ্মবেশী বনুৱাসকলৰ কথা বাদেই, দেশৰ নিয়োগ বিনিময় কেন্দ্ৰসমূহত পঞ্জীভুক্ত হৈ থকা নিবনুৱাৰ সংখ্যাই হৈছে চল্লিশ নিযুত। আধুনিক পৃথিৱীত কামৰ যোগেদিয়েই ঘাইকৈ মানুহৰ পৰিচয় আৰু সম্পৰ্ক নিৰ্দ্ধাৰিত হয়। মানুহৰ জীৱনত কামে গুৰুত্বপূৰ্ণ স্থান গ্ৰহণ কৰে। নিবনুৱাজনৰ বাবে সেয়ে কোনো সমাজ নাই। তেওঁ এজন সম্পূৰ্ণভাবে বিচ্ছিন্ন, হতাশাগ্ৰস্ত ব্যক্তি। তেওঁ যেন ক্ষোভিত কণ্ঠেৰে কয়—

> "মই ভিতৰি ভিতৰি উতলি আছো। কোনোবাই যেন মোক লেহি আছে। মই কেতিয়াও কল্পনা কৰা নাছিলো যে ঘৰৰ শান্তি, ল'ৰা-ছোৱালীৰ ওপৰত শাসন এই সকলোখিনি নিৰ্ভৰ কৰে মোৰ উপাৰ্জন কৰাৰ ওপৰত। সঁচাই, কামেইহে জীৱনক গতি দিয়ে।"

কাম বুলি ক'লে সৰহভাগ মানুহেই জীৱিকা নিৰ্বাহৰ উপায় বুলিয়েই বুজে। কিন্তু কাম প্ৰকৃততে ছায়া-প্ৰচ্ছায়াৰে পৰিপূৰ্ণ অসংখ্য ৰঙৰ এক বৰ্ণালী। মানুহৰ আবেগ অনুভূতি আৰু প্ৰয়োজনৰ পৰিধি খুবেই বিস্তৃত আৰু ক'ব পাৰি এই বিৰাট প্ৰয়োজনৰ প্ৰাপ্তি আৰু আবেগৰ উৎকৃষ্টতম পৰিতৃপ্তি আনি দিব পৰা একমাত্ৰ ব্যস্ততা হৈছে কৰ্মব্যস্ততা। সেয়ে পইচাৰ বাবেই কাম কৰা যায় বুলি ভবাটো বিপদজনকভাবে ভুল সিদ্ধান্ত। এই কথা আঙুলিয়াই দিয়া হৈছে যে আনকি খুব সৰল সমাজ জীৱনতো মানুহে বৈষয়িক প্ৰাপ্তিক গুৰুত্ব দিয়ে ই আনি দিয়া মান-সন্মান আৰু ক্ষমতাৰ বাবে।

বিখ্যাত নৃতত্ববিদ মালিনউস্কিয়ে কৈছে যে ট্ৰব্ৰিয়াণ্ড দ্বীপৰ অধিবাসীসকলে তেওঁলোকৰ প্ৰয়োজনতকৈ বহু বেছি উৎপাদন কৰে। বাৰীখন তেওঁলোকৰ বাবে কেৱল জীয়াই থকাৰ অৱলম্বনেই নহয় অনাৱিল আনন্দৰো উৎস।

> খেতিৰ মাটিত প্ৰতি বছৰে গড়হিচাপত তেওঁলোকে খাই শেষ কৰিব পৰা শস্যৰ দুগুণ উৎপাদন কৰে। আৰু শস্য আহৰণ কৰিবলৈ লগা কামতকৈ অনেক গুণে বেছি কাম কৰি তেওঁলোকে খেতি-বাতি কৰে। ঘাঁহবন নিৰাই বাৰীখন চাফ চিকুণকৈ ৰখাৰ দৰে কলাসুলভ কামতেই তেওঁলোকে অধিক সময় আৰু শক্তি ব্যয় কৰে। জনজাতীয় পৰম্পৰা অনুসৰি পালন কৰা নানান আচাৰ-অনুষ্ঠান, তথা শোভা বৰ্দ্ধনৰ বাবে কৰা আপডাল এই সকলোতে তেওঁলোকৰ এই যত্ন পৰিস্ফুট হয়। মাটি এডৰা খেতিৰ বাবে অজৰাই লওঁতে তেওঁলোকে দীঘে-পথালিয়ে কেইহাতমানকৈ সৰু সৰু বৰ্গক্ষেত্ৰত ভগাই লয়। এয়াও তেওঁলোকৰ এক ৰীতি যাতে বাৰীখন দেখিবলৈ শুৱনি হয়।

আনকি জন্তুৱেও খাদ্য আৰু আশ্ৰয়ৰ বাবে কিছু পৰিশ্ৰম কৰে। উদাহৰণ স্বৰূপে সুশৃংখলিত কামৰ বাবে পৰুৱা বিখ্যাত। সিহঁতৰ এখন সমাজত কেইবাটাও দল থাকে। কোনোটোৰ বাহ সজা কাম, কোনোটোৰ খাদ্য গোটোৱা কাম। মৌ-মাখিয়েও বেচ প্ৰণালীবদ্ধভাবে কাম কৰে। অৱশ্যে জীৱজন্তুৰ কামৰ তুলনাত মানুহৰ পৰিশ্ৰম সীমাহীনভাবে শ্ৰেষ্ঠতৰ। মাৰ্ক্সে কৈছিল—

> আটাইতকৈ উদ্যমী মৌ-মাখিটো আৰু আটাইতকৈ অদক্ষ স্থপতি এজনৰ মাজত পাৰ্থক্য এইখিনিতেই যে স্থপতিগৰাকীয়ে কিবা এটা সাজি উলিওৱাৰ আগতেই তেওঁৰ কল্পনাত তাৰ ৰূপ দিয়ে।

মানৱ মনস্তত্বৰ অন্যতম পুৰোধা ব্যক্তি মাচলোৰ মতে উন্নততৰ ব্যক্তিৰ ব্যক্তিত্বত কামে এক প্ৰধান ভূমিকা গ্ৰহণ কৰে। এনে ব্যক্তিৰ পৰিচয় তেওঁলোকৰ কামৰ মাজেদিয়েই পোৱা যায়। মানৱ মনৰ বিচ্যুতিৰ ওপৰত জীৱন জোৰা অধ্যয়নৰ পিচত মাচলোৱে মনস্তাত্বিক চিকিৎসাৰ দ্বাৰা মানৱ জাতিৰ উন্নতিৰ আশা বাদ দিলে। মানুহে সুখ বিচাৰি হাহাকাৰ কৰে, কিন্তু সুখ কেতিয়াও প্ৰত্যক্ষভাবে পাব পৰা বস্তু নহয়, ই এক পৰোক্ষ ফলহে। এই ফল আহে প্ৰণালীবদ্ধ,অনলস আৰু অৰ্থপূৰ্ণ শ্ৰমৰ দ্বাৰা। এইক্ষেত্ৰত মাচলোৰ চূড়ান্ত সিদ্ধান্ত বেচ জ্ঞানগৰ্ভ, অথচ খুবেই সৰল—

> মুক্তি আহে মাথোন কঠোৰ পৰিশ্ৰম তথা কামটো ভালকৈ কৰিবলৈ বুলি থকা নিষ্ঠাৰ পৰা, যি কাম দৈৱ বা ব্যক্তিৰ জীৱন প্ৰবাহে আনি দিয়া হ'ব পাৰে বা এনে কোনো গুৰুত্বপূৰ্ণ কাম হ'ব পাৰে যিটো 'কৰিবই লাগে।'

কৰ্মই আমাৰ ব্যক্তিত্বক কেনেদৰে সুৰক্ষা দিয়ে তথা চহকী কৰে সেইকথাৰ প্ৰতি আমি হয়তো সম্পূৰ্ণভাবে সচেতন নহওঁ। কামেইহে অৱশেষত আমাৰ জীৱন অৰ্থপূৰ্ণ আৰু উপভোগ্য কৰি তুলিব পাৰে। আৰু এই সাধাৰণ অথচ সুগভীৰ সত্যক আগ্ৰহোদ্দীপকভাবে বুজাই দিবলৈ প্ৰয়াস নকৰিলে কোনো ডাঙৰ সভ্যতা গঢ় লৈ নুঠে।

2

কাম তিনিটা প্ৰধান চয়তানৰ শত্ৰু

ভলটেয়াৰৰ কথাই লোৱা যাওক। তেওঁক সৰ্বকালৰে এজন অতিশয় বুদ্ধিদীপ্ত লেখক বুলি গণ্য কৰা হয়। 'কেণ্ডিডা' তেওঁৰ আটাইতকৈ ধেমেলীয়া উপন্যাস। একেসময়তে এইখন সুগভীৰ দাৰ্শনিক মূল্যসম্পন্ন উপন্যাস। মানৱ জীৱনটো কিয় ইমানবোৰ অশুভ বস্তুৰে ভৰা সেই প্ৰশ্নই উপন্যাসখনত অৱতাৰণা কৰা হৈছে। এইখন এবাৰতে পঢ়ি সামৰিব পৰা উপন্যাস নহয়। প্ৰতিবাৰ পঢ়োতে তাৰ নতুন অৰ্থবহতা পোৱা যায়। উপন্যাসখন লৈ আলোচনা সমালোচনাৰো অন্ত নাই। এইখন লেখকৰ সৃষ্টিশীল নৈপুণ্যৰ এক অনুপম চানেকি, য'ত কথনভংগী আৰু বিষয়বস্তু দুয়োটাই ৰসোত্তীৰ্ণ আৰু সৃষ্টি হিচাপে ত্ৰুটিহীন আৰু সম্পূৰ্ণ। উপন্যাসৰ কাহিনী চমুকৈ এনেকুৱা—

ৱেষ্টফেলিয়াৰ বেৰণ এজনৰ ঘৰত থকা কেণ্ডিডা এটা বেচ মৰমলগা ল'ৰা। সি প্ৰেমত পৰিল বেৰণৰ জীয়ৰী কুনেগণ্ডেৰ লগত, যি গুলপীয়া গাল মুখেৰে এজনী আঁহ পাঁহ মুকলি সোতৰবছৰীয়া গাভৰু; দেখিলেই মন বলিয়া কৰা। এদিন খোৱা মেজৰ পৰা উঠোতেই কুনেগণ্ডেৰ পৰি যোৱা ৰুমালখন কেণ্ডিডাই তুলি দিয়ে। তেতিয়াই "বেচ সৰলভাবে তাই তাৰ হাতখন নিজৰ হাতত লয়। একেই সৰল অন্তঃকৰণেৰে সি তাইক চুমা যাচে। এযুৰি ওঁঠে বিচাৰি পায় আন এযুৰি ওঁঠ, চকুত বিজুলী চমকে, দু-আঁঠু কঁপি উঠে"...এই গোটেইখিনি ধৰা পৰে বেৰণৰ চকুত। খঙত একো নাই হৈ তেওঁ কেণ্ডিডাক "টিকাত গোৰ দি" ঘৰৰ বাহিৰ কৰি দিয়ে। কুনেগণ্ডেইও তাইৰ এই অতপালিৰ বাবে মাকৰ কাণমলা খালে।

নায়কৰ জীৱনলৈ আহি পৰা নানান আচহুৱা অভিজ্ঞতাৰ বৰ্ণনাৰে কেণ্ডিডা উপন্যাসখন পুষ্ট। উপন্যাসখন ইটোৰ পিচত সিটোকৈ অহা দুৰ্যোগৰ কাহিনী। বিভিন্ন চৰিত্ৰৰ জীৱনলৈ নানান বিপত্তি আহে। কোনোবাটোক ফাঁচী দিয়া হয়, আন কোনোবা চুৰিকাঘাতৰ বলি হয়, কাৰোবাক জ্বলাই দিয়া হয়, আন কাৰোবাক চাবুক মৰা হয়, কোনোবা অঙ্গক্ষত হয়, আন কোনোবা ধৰ্ষিতা হয়, একেই দ্ৰুততাৰে

আকৌ এইবিলাকৰ প্ৰশমনো হয়। কেণ্ডিডাই নিজ চকুৰে দেখা পায় লিচবনৰ ভুমিকম্প। সি পাৰাগুৱেৰ জেচুইট ৰাজ্যলৈও যায়। মালিকে ঘৃণীয়া কৰি পেলোৱা কৃষ্ণাংগ ভৃত্যৰ লগতো সি সহানুভূতিৰে কথা পাতে। অৱশ্যে তাৰ মাজতে এছোৱা বেচ সুখকৰ চিত্ৰ আছে। কেণ্ডিডা এলডোৰাডোলৈ যায়। এই কল্পৰাজ্যত "ঘৰবোৰ ইমানেই ওখ যে চালবোৰে আকাশ স্পৰ্শ কৰা যেন লাগে, নিৰ্মল পানী, গোলাপ জল আৰু মদিৰাৰ বিধে বিধে নিজৰা নিৰৱচ্ছিন্নভাৱে বৈ থাকে ৰাজহুৱা উদ্যানবোৰত।" এলডোৰাডোত কোনো কাৰাগাৰ নাই, কেণ্ডিডাই আটাইতকৈ ভাল পালে বিজ্ঞানৰ প্ৰাসাদটো। দুহাজাৰ ফুট দীঘল গেলেৰীটো ভৰি আছে নানান গাণিতিক আৰু বৈজ্ঞানিক যন্ত্ৰপাতিৰে। কিন্তু এই প্ৰাচুৰ্য আৰু সৌন্দৰ্যৰ মাজতো কেণ্ডিডা যেন সুখী হ'ব নোৱাৰিলে। তাৰ স্বগতোক্তি, 'মই কুনেগণ্ডে অবিহনে সুখী হ'ব নোৱাৰিম।'

ইফালে কুনেগণ্ডেৰো অৱস্থা কাহিল। কেণ্ডিডাক খেদি পঠোৱাৰ কিছুদিনৰ পাচতেই এদিন ৰাতি তাই শুই থকা অৱস্থাতেই বাল্‌গাৰবিলাকে সিহঁতৰ প্ৰাসাদ আক্ৰমণ কৰি তাইৰ পিতৃ-মাতৃক হত্যা কৰিলে। ছফুট ওখ মস্ত এটা বাল্‌গাৰে তাইক বলাৎকাৰ কৰিবলৈ উদ্যত হয়। তাই প্ৰাণপণে নিজকে বচাবলৈ চায়। অত্যাচাৰীটোৱে তাইৰ বাওঁ উৰুত আঘাত কৰে। শেহত এজন কিছু ভদ্ৰ বাল্‌গাৰ কেপ্তেইনে তাইক তাৰ হাতৰ পৰা উদ্ধাৰ কৰে। গৈ থৈ তাই হৈ পৰে কেপ্তেইনৰ ৰক্ষিতা। তাই তাৰ ৰন্ধা-বঢ়া কৰি দিয়ে। কাপোৰ ধুই দিয়ে। এনেকৈ তিনিমাহমান যোৱাৰ পাচত কেপ্তেইনৰ আমুৱালে। তাৰ পইচাও শেষ হৈ আহিল। সি তাইক তিৰোতা লুভীয়া ইহুদী এটাৰ ওচৰত বিক্ৰী কৰি দিলে। ইহুদীয়ে আকৌ তাইৰ সৌন্দৰ্য এজন বিচাৰপতিৰ লগত ভাগ কৰিবলগাত পৰিল। চুক্তি অনুসৰি ইহুদীটোৱে তাইক তাৰ কবলত ৰাখিব সোম, বুধ আৰু বন্ধৰ দিনকেইটাত আৰু বিচাৰপতিজনে পাব সপ্তাহটোৰ বাকী দিনকেইটাত। কিন্তু শনিবাৰৰ ৰাতিটো তাই কাৰ লগত কটাব সেই লৈ দুয়োৰে মাজত কাজিয়াও হয়। এনে বীভৎস কাহিনীও উপন্যাসখনত আছে।

উপন্যাসখনৰ আন দুটা আকৰ্ষণীয় চৰিত্ৰ হ'ল পানগ্লচ আৰু মাৰ্টিন। দুয়ো দাৰ্শনিক। গৃহ-শিক্ষক পানগ্লচ বিখ্যাত জাৰ্মান দাৰ্শনিক লেইব্‌নিজৰ অনুগামী। তেওঁৰ মতে আমি এখন শ্ৰেষ্ঠ জগতত বাস কৰিছোঁ য'ত প্ৰতিটো কথা বা ঘটনা ব্যৱস্থা কৰি থোৱা আছে ভাল ফলশ্ৰুতিৰ বাবেই। আনহাতে মাৰ্টিন এজন অতিশয় বাস্তৱবাদী চিন্তাৰ ব্যক্তি। তেওঁৰ মতে মানুহ অশুভ শক্তিৰহে সৃষ্টি, শুভৰ নহয়। "মই ভাবিবলৈ বাধ্য যে মানুহৰ মূলেই হ'ল অশুভ," তেওঁ কয়।

অন্তহীন বিলাই বিপত্তিৰ পিচত কেণ্ডিডা আৰু কুনেগণ্ডেৰ পুনৰমিলন ঘটে কনষ্টাণ্টিনোপলৰ সমীপৰ এখন সৰু পামত কেণ্ডিডাই থকাৰ সিদ্ধান্ত কৰে। কেণ্ডিডা ইতিমধ্যে বিমৰ্ষ আৰু হতোদ্যম হৈ পৰিছে। কুনেগণ্ডেৰ সৌন্দৰ্য কেনিবা হেৰাল। তাই কুৎসিত, খিঙখিঙীয়া, কিবা বুজিব নোৱাৰা স্বভাৱৰ হ'ল। কোনো ইচ্ছা নথকা সত্বেও কেৱল তাই কুটুৰি থকাৰ বাবেই কেণ্ডিডাই তাইক বিয়া কৰালে।

কেণ্ডিডাই বাৰে বাৰে এটাই কথা ভাবি বিবুধি হয় ঃ জীৱনত ইমান অসুখ অশান্তি কিয়? কিয় মানুহ ইমান নীচ, দমনকাৰী আৰু নিষ্ঠুৰ স্বভাৱৰ হয়? মানুহ কেতিয়াবা বাৰু সুখী আৰু সভ্য হ'ব পাৰিবনে? অসহ্য এক আমনিলগা পৰিৱেশত এদিন এটি চৰিত্ৰই চিৎকাৰ কৰি উঠিছে—"কোনটো বেছি বেয়া? কৃষ্ণাংগ জলদস্যুৰ দ্বাৰা এশবাৰ ধৰ্ষিতা হোৱা, কোনোবাই এটি নিতম্ব কাটি নিয়া, দুশাৰী বাল্‌গাৰ সৈনিকৰ মাজৰে পাৰ হৈ চাবুকৰ কোব খোৱা, ফাঁচীকাঠত উঠা, অঙ্গচ্ছেদ হোৱা, মুঠতে জীৱনৰ সমস্ত দুৰ্যোগ ভোগ কৰাটো নে একো নকৰাকৈ কেৱল বহি থকাটো?"

সিহঁতৰ পামখনৰ ওচৰতে আছিল তুৰস্কৰ শ্ৰেষ্ঠতম দাৰ্শনিকজন। পানগ্লচৰ নেতৃত্বত এদিন তেওঁলোকে দাৰ্শনিকজনৰ ওচৰত এই প্ৰসংগত দিহা পৰামৰ্শ লবলৈ সিদ্ধান্ত কৰিলে, "প্ৰভু আমি এটা বিশেষ অনুগ্ৰহ বিচাৰি আহিছো। মানুহ নামৰ এই আচৰিত জন্তুটো কিয়নো সৃষ্টি কৰা হ'ল আমাক অকণমান ক'বনে?"

"কিয়নো সুধিলে? আপোনালোকক এই উত্তৰৰ কি প্ৰয়োজন?"

"নহয় প্ৰভু, পৃথৱীৰ অসূয়া আশান্তি দেখিহে কৈছোঁ।" কেণ্ডিডাই মাত লগালে।

"থাকিলেই যেনিবা, এতিয়া ৰজাই ইজিপ্তলৈ জাহাজ এখন পঠিয়াওঁতে তাত থকা নিগনিবোৰৰ সুখ-দুঃখ লৈ তেওঁ চিন্তা কৰিবনেকি?" ধৰ্মপ্ৰাণ দাৰ্শনিকে ওলোটাই সুধিলে।

"তেন্তে এতিয়া কি কৰা উচিত হ'ব?" আকৌ পানগ্লচে সুধিলে।

ধৰ্মপ্ৰাণ দাৰ্শনিকৰ উত্তৰ, "আপোনাৰ মুখখন বন্ধ কৰি ৰাখক।"

"মই আপোনাৰ লগত কেইটামান বিষয় লৈ আলোচনা কৰিবলৈ আহিছিলো, মানে কাৰ্য-কাৰণ সম্বন্ধ, এখন শ্ৰেষ্ঠ সম্ভাব্য জগতনো কেনেকুৱা, অশুভৰ উৎপত্তি, আত্মাৰ প্ৰকৃতি বা পূৰ্ব প্ৰতিষ্ঠিত ঐক্য ইত্যাদি।" পানগ্লচে ক'লে।

পানগ্লচে ক'বলৈহে পালে, দাৰ্শনিকজনে উঠি দুৱাৰখন সশব্দে বন্ধ কৰি দিলে। তেওঁ পৰোক্ষভাবে বুজাই দিলে যে এনে বিমূৰ্ত আলোচনা প্ৰকৃততে অন্তঃসাৰশূন্য।

এইবিলাক কথাবতৰা চলি থাকোঁতেই খবৰ আহে যে কনষ্টাণ্টিনোপলত

দুজন কেবিনেট মন্ত্ৰী আৰু এজন বিচাৰপতিক নেলু চেপি হত্যা কৰা হৈছে। নিজৰ সৰু পামখনলৈ ঘূৰি যাওঁতে সিহঁতে দেখিলে এজন বৃদ্ধ কৃষকে নিজৰ চোতালত সুমথিৰা গছৰ ছাঁত বহি জুৰ বা লৈ আছে। তেওঁক এজন বেচ স্বাস্থ্যৱান, তেজস্বী আৰু ৰঙিয়াল মানুহ যেন লাগে। পানগ্লচে সুধিলে যে সেই হত্যা কৰা হোৱা বিচাৰপতিজনক তেওঁ চিনি পায় নেকি। তেওঁৰ সেইবোৰ খবৰ নাই। আৰু কনষ্টাণ্টিনোপলৰ ঘটনা লৈ তেওঁৰ মূৰ কামোৰণিও নাই। "মই বাৰীৰ ফলমূল তালৈ বেচিবলৈ পঠাওঁ আৰু মই তাতেই সন্তুষ্ট।"

কৃষকজনে কেণ্ডিডা, পানগ্লচ, আৰু মাৰ্টিনক তেওঁৰ ঘৰলৈ মাতি আনি সুন্দৰ আতিথ্য আগবঢ়ায়। কাহানিও নেদেখা এনে আয়োজন দেখি এওঁলোকে তবধ মানিলে। খাই উঠাৰ পাচত কৃষকৰ জীয়েক দুজনীয়ে এওঁলোকৰ দাঢ়িত সুগন্ধি ছটিয়াই দিলে। তাৰপাছত আৰম্ভ হ'ল সেই পাহৰিব নোৱাৰা কথোপকথন।

"আপোনাৰ খেতি বাতি বেচ বহল যেন পাইছোঁ।" কেণ্ডিডাই মাত লগালে। "নাই, বিশ একৰহে মাত্ৰ। ল'ৰা-ছোৱালী কেইটাইও লাগি ভাগি দিয়ে। আৰু যি গম পালো কামে তিনিটা চয়তান দূৰত ৰাখে—আমনি, দুষ্কাৰ্য আৰু দৰিদ্ৰতা।" খেতিয়কজনে উত্তৰ দিলে।

তেওঁৰ তাৰপৰা ওলাই আহোঁতে কেণ্ডিডাই বুঢ়াৰ কথাষাৰ মনতে পাগুলিলে আৰু মাৰ্টিন আৰু পানগ্লচলৈ চাই ক'লে—"এই বুঢ়া কৃষকজনে নিজৰ বাবে যিমানখিনি কৰিছে আমি একেলগে ভোজন গ্ৰহণ কৰা সেই ছজন ৰজাইও সিমানখিনি কৰিব পৰা নাই।"

"প্ৰতিজন দাৰ্শনিকেই কয়, বহুত মাটি-বাৰী থকাটো সদায়েই বিপদজনক।" পানগ্লচে ক'লে।

"এৰা, আমিও গৈ খেতি-পথাৰত ধৰাই ভাল নেকি?" কেণ্ডিডাই মাত লগালে।

"তুমি ঠিকেই কৈছা। মানুহক কিয় গাৰ্ডেন অৱ ইডেনত ৰখা হৈছিল, সেইখন চাফ-চিকুণ আৰু সুন্দৰকৈ ৰাখিবলৈ; অৰ্থাৎ কামত প্ৰবৃত্ত হবলৈ, আৰু ইয়েই প্ৰমাণ কৰে যে মানুহৰ জনম এটা সহজ জীৱন কটাবলৈ নহয়।" পানগ্লচে ক'লে।

"কোনো কথা নবঢ়াই আমি কামত ধৰাই ভাল নেকি। তেনেকৈহে জীৱনটো সহনীয় কৰি তুলিব পাৰিম।" মাৰ্টিনে মন্তব্য কৰিলে।

তেওঁৰ এইষাৰ কথা আমি ভালদৰে হৃদয়ংগম কৰা উচিত। বাস্তৱবুদ্ধিসম্পন্ন মাৰ্টিনৰ বাবে এনেবোৰ আলোচনা নিতান্তই অৰ্থহীন।

বিখ্যাত মনস্তত্ত্ববিদ এৰিক ফ্ৰমে মনস্তাত্ত্বিক আৰু দেহসম্বন্ধীয় দিশৰ অধ্যয়নৰ

পৰা ব্যাখ্যা কৰিছে যে মানুহৰ বিৰক্তি আৰু ধ্বংসকাৰী চৰিত্ৰৰ মাজত এটা পোনপটীয়া সম্বন্ধ আছে। বোধহয় মানুহক দিব পৰা চৰমতম শাস্তি হৈছে এই বিৰক্তি বা নিষ্কৰ্মা অৱস্থা।

মানৱচৰিত্ৰ এক অতল গহ্বৰ য'ত এক দানৱে বিচৰণ কৰে। এই দানৱ এনে বহু অশুভ শক্তিৰ সমাহাৰ যি ব্যক্তি আৰু সমাজক ধ্বংস কৰিব পাৰে। কামেইহে কেৱল এইবিলাক বিনাশকাৰী শক্তিৰপৰা মানুহক সুৰক্ষা দিয়ে। সেয়ে কামতেইহে মানুহৰ মুক্তি নিহিত আছে।

জৰ্জ অৰৱেলে এবাৰ এক মৰ্মভেদী মন্তব্য কৰিছিল যে এজন ত্ৰুটীপূৰ্ণ মানুহক দিব লাগে—'স্বাধীনতা, সুখাদ্য আৰু জোখৰ কাম।' ই এক নতুন দিশ উন্মোচনকাৰী চিন্তা।

3

খেলা-ধূলা বা বিশ্ৰামৰ দৰে কামো এটা স্বাভাৱিক কথা

বহুতেই ভাবে যে মানুহে কাম কৰিবলৈ বেয়া পায় আৰু যেনেতেনে কামৰ পৰা আঁতৰি থাকিবলৈ বিচাৰে। আনকি এইবুলিও জোৰকৈ দাবী কৰিব খোজা হয় যে মানুহ স্বভাৱতে এলেহুৱা। কিন্তু কাম কৰাটো এটা স্বাভাৱিক প্ৰক্ৰিয়া। প্ৰত্যেকেই কিবা এটা কাম কৰিবলৈ বিচাৰে। ইয়াৰ কাৰণটো খুবেই সাধাৰণ। মানৱদেহ এক জৈৱ প্ৰণালী। ইয়াত খাদ্য, পানী আৰু বায়ু পৰিৱৰ্তিত হয় বহিঃপ্ৰকাশলৈ যিটো আচৰণ বুলি কোৱা যায়। এই আচৰণৰ সবাতোকৈ গুৰুত্বপূৰ্ণ অংশ হৈছে কাম। মানৱদেহত কিছু পৰিমাণে শাৰীৰিক আৰু মানসিক শক্তি উৎপন্ন হয়। এই শক্তিৰে সৰ্বশ্ৰেষ্ঠ প্ৰকাশ ঘটে কামত। গতিকে কাম নাথাকিলে মানুহে উশাহ বন্ধ হোৱা যেন পায়। এজন বিশিষ্ট লেখকে সেয়ে কৈছিল—"মোক আপুনি সুধিছে মই কিয় কাম কৰোঁ। যি কাৰণে কুকুৰা এজনীয়ে কণী পাৰে মই সেই কাৰণেই কাম কৰোঁ।" কামত আছে এক উদ্বেল, সতেজ পৰিতৃপ্তি। ই মানুহৰ দেহ মনত উদ্যমৰ সঞ্চাৰ কৰে।

মানুহে বহুতো ক্ষমতাই পাইছে। মানুহে চিন্তা কৰিব পাৰে, শিকিব পাৰে, জ্ঞান সঞ্চয় কৰিব পাৰে। মানুহৰ কল্পনা শক্তি আছে, তেওঁৰ আছে সমাজলৈ সেৱা আগবঢ়োৱাৰ স্পৃহা; তেওঁ নিজক বুজি পাব খোজে, বহিঃবিশ্বৰ লগত তেওঁ সংযোগ স্থাপন কৰিবলৈ আগ্ৰহী; তেওঁ সৃষ্টিশীল হ'বলৈ প্ৰয়াস কৰে। মানুহে অসম্ভৱকো সম্ভৱ কৰিবলৈ বিচাৰে। পৰ্বতাৰোহী জৰ্জ মেল'ৰিয়ে কৈছিল যে তেওঁ এভাৰেষ্ট জয় কৰিবলৈ বিচাৰিছিল কাৰণ সেইটো তাত বগাবলৈকে আছে। আত্মোপলব্ধি, আত্ম-প্ৰকাশ আৰু আত্ম-উন্নয়নৰ বাবে কাম হ'ল এক অনুপম সুযোগ।

কানাডাত এবাৰ এটা অভূতপূৰ্ব সম্পৰীক্ষা চলোৱা হৈছিল। মন্ত্ৰিয়েলৰ এখন প্ৰাথমিক বিদ্যালয়ৰ প্ৰায় ছশ ছাত্ৰ-ছাত্ৰীক এদিন কৈ দিয়া হ'ল যে সিহঁত শ্ৰেণীলৈ নাহিলে নাহিবও পাৰে। সিহঁতক আৰু কোৱা হ'ল যে ভৱিষ্যতে ক্লাচত শৃংখলা ভংগ কৰিলে শাস্তি হিচাপে সিহঁতক খেলিবলৈ পঠোৱা হ'ব। ল'ৰা-ছোৱালীবোৰে

প্ৰথমে বেচ উছাহেৰে খেল পথাৰলৈ ঢাপলি মেলিলে। কিন্তু দুদিন পাচতেই সিহঁত আকৌ ক্লাচলৈ আহিবলৈ ল'লে, হয়তো আগৰ সমান নিয়মীয়াকৈ নহয়। কিন্তু সিহঁতৰ পঢ়া-শুনাৰ অৱনতি নহ'ল, বৰং পঢ়াশুনাৰ প্ৰতি সিহঁত বেছিহে আগ্ৰহী হ'ল।

কাম এখন দাপোণৰ দৰে য'ত এজন মানুহে নিজৰ প্ৰকৃত ৰূপ স্পষ্টভাবে দেখা পাব পাৰে। অনলসভাবে কাম কৰি থকা মানুহ এজন দেখিলেই তেওঁৰ দেহ মনৰ সুস্থতা আৰু শক্তিৰ উমান পাব পাৰি। এজন মানুহে কৰা কামত নিহিত থাকে তেওঁৰ অতীত, তেওঁৰ ৰুচি, তেওঁৰ মনোযোগৰ সামৰ্থ্য, তেওঁৰ শিক্ষা আৰু সংস্কৃতিৰ প্ৰেক্ষাপট, তেওঁৰ অন্তৰ্নিহিত উদ্যম আৰু তেওঁৰ মূল্যবোধ। এজন ব্যক্তিৰ অগ্ৰগতি আৰু আত্মোন্নয়নৰ উমান ল'বলৈ কাম হ'ল এক বস্তুনিষ্ঠ তুলাচনী।

চমুকৈ ক'বলৈ হ'লে এজন মানুহ সাধাৰণতে নিজৰ স্বাস্থ্য তথা শুভাশুভ লৈ যিমান ব্যস্ত হয়, নিজৰ কামৰ প্ৰতিও তেওঁ সমানেই আগ্ৰহী হ'ব লাগে।

কিয়নো তেন্তে মানুহে কামৰ প্ৰতি বিশেষ আগ্ৰহ প্ৰকাশ কৰা দেখা নাযায়। ফাৰ্ডিনেণ্ড জ্বেইগে কৈছে যে দুৰ্বল স্বাস্থ্য তথা আন বিভিন্ন কৰণত আমাৰ বল শক্তি নোহোৱাটোৱেই আমাৰ এলাহৰ অন্যতম কাৰণ। কামৰ প্ৰতি থকা স্বাভাৱিক স্পৃহা কাৰ্যৰূপায়িত কৰাৰ পথত অভ্যাসো অন্যতম চালিকা শক্তি। প্ৰায়ে মানুহ এজনৰ ভাগত পৰা কামটো তেওঁৰ ৰুচি বা সামৰ্থ্যৰ লগত নিমিলে। কেতিয়াবা কামটো বৰ আমনিলগা আৰু সাৰশূন্য হয়। কোনোক্ষেত্ৰত কাম কৰাৰ পৰিৱেশটোও বৰ সুচল নহয় যাৰ বাবে ব্যক্তিগত উদ্যমৰ সিমান সুযোগ পোৱা নাযায়। কেতিয়াবা আকৌ পৰিৱেশ খুব কঠোৰ দমনমূলক হয়। আন কেতিয়াবা আকৌ কম দৰমহা পাতিৰ দৰে যুক্তিসংগত ওজৰ-আপত্তিৰ কথাও আহি পৰে। লগতে ট্ৰেড ইউনিয়ন, ধৰ্মবিশ্বাস ইত্যাদি সামাজিক সাংস্কৃতিক কথা কিছুমানেও কামৰ প্ৰতি মানুহৰ দৃষ্টিভংগী গঢ় দিয়ে। তদুপৰি জলবায়ুৱে মানুহৰ কৰ্মক্ষমতাৰ ওপৰত বিশেষভাবে প্ৰভাৱ পেলায়। ই. হান্টিংটন নামৰ এজন বিশিষ্ট লেখকে কৈছিল যে ব্যক্তিৰ মানসিকতাৰ ওপৰত সৰ্বাধিক প্ৰভাৱ পেলাব পাৰে ভৌগোলিক কাৰকে।

কিন্তু মানুহ মুক্ত; আৰু কাম কৰাৰ স্বাভাৱিক স্পৃহাত আহি পৰা বাধা আঁতৰাবলৈ মানুহ সমৰ্থ। সামাজিক সংস্থা সমূহৰো অৱশ্য কৰ্তব্য হ'ল কাম কৰাৰ স্বাভাৱিক স্পৃহাক গঠনমূলক দিশত নিয়োজিত কৰাটো। আধুনিক পৃথিৱীত আজি পৰিলক্ষিত হৈছে কাম কৰাৰ প্ৰতি এক অনীহা, যিটো ব্যক্তি তথা সমাজৰ বাবে এক সৰ্বনশীয়া ইংগিত।

4

বিশ্ৰাম কামৰ যোগেদি আৰ্জিব পাৰি

মৃত্যুৱেই জীৱনৰ সমাপ্তি; তেন্তে কিয়নো জীৱনটো কামতেই পাৰ কৰিব লাগে?

—টেনিচন (ল'টাচ ইটাৰ্জ)

প্ৰাচীন কালৰ পৰাই বহুতো মানুহে এই দৃষ্টিভংগী গ্ৰহণ কৰি আহিছে আৰু আনকি কেইবাজনো বিশিষ্ট চিন্তাবিদে বিশ্ৰামৰ সপক্ষে মাত মাতিছে। তেওঁলোকৰ মতে মানুহ সঁচা অৰ্থত সুখী, মানৱীয়তাসম্পন্ন তথা সৃষ্টিশীল হ'ব পাৰে—যদি তেওঁ এক অফুৰন্ত আজৰি সময় লাভ কৰে। তেওঁলোকৰ মতে কৰ্ম এক অভিশাপ। মুকলি এক বিশ্ৰাম বিনোদনৰ পৰিৱেশতহে মানুহৰ সৃষ্টিশীলতাই প্ৰাণ পায়। গেৰাৰি খটাৰ পৰা আজৰি হ'ব পাৰিলেহে মানুহৰ উন্নতি সম্ভৱ। কাৰ্ল মাৰ্ক্সৰ জোঁৱায়েক পল লাফৰ্গে *The Right to be Lazy* শীৰ্ষক এখন ক্ৰোধযুক্ত ৰচনা লেখিছিল য'ত তেওঁ এলাহৰ বন্দনা কৰিছিল এনেদৰে,

> "অ' আলস্য, কলা আৰু মহত্তম গুণৰাশিৰ মাতৃ,
> মানুহৰ যন্ত্ৰণাৰ যেন তুমি উপশমকাৰী মলম।"

অৱশ্যে কাৰ্ল মাৰ্ক্সৰ দৃষ্টিভংগী বেলেগ আছিল। তেওঁৰ মতে কাম হ'ল মানুহৰ শক্তি-সামৰ্থ্যৰ গঠনমূলক প্ৰকাশ। ই মানুহৰ আনন্দৰো সৰ্বোৎকৃষ্ট উৎস ঃ

> উৎপাদনশীল কামত নিয়োজিত হ'লেহে মানুহে জীৱনৰ অৰ্থ বিচাৰি পায়।

Industrialization & Industrial Man নামৰ চিন্তা-উদ্ৰেককাৰী গ্ৰন্থখনৰ অধ্যয়নপুষ্ট লেখককেইজনে মত পোষণ কৰিছিল যে কামৰ লগে লগে মানুহ অধিক বিচ্ছিন্ন হৈ হতাশাগ্ৰস্ত হৈ পৰে, কিন্তু আজৰি পৰত কৰা খেলা-ধূলাৰ জৰিয়তে অধিক সুখ আনন্দ লাভ কৰে।

> "বিশ্ৰামপূৰ্ণ এটা জীৱনত মানুহৰ নতুন স্বাধীনতা নিহিত আছে। জিৰণিৰ পৰতেই মানুহৰ স্বাধীন সত্তাৰ স্ফুৰণ ঘটে।"

কিন্তু এই দৃষ্টিভংগী নিশ্চয় বিভ্ৰান্তিকৰ। বিশ্ৰামৰ এই বন্দনা কেইবাটাও

দিশৰপৰা ভুল। মানৱ জীৱনৰ শ্ৰমৰ অপৰিসীম ভূমিকাক ই উলাই কৰে। এজন মানুহ কাৰখানাত কাম কৰিলে গোলাম আৰু ঘৰত বহি থাকিলেই মুকলিমূৰীয়া হ'ব নোৱাৰে। আকৌ, কৰ্ম-জীৱনত হতাশ, অসুখী মানুহ এজন জিৰণিৰ সময়ত কেতিয়াও সুখী, ৰঙিয়াল হ'ব নোৱাৰে। ফাৰ্ডিনেণ্ড জ্বেইগে সেয়ে কৈছে ঃ

> "এজন মানুহে ঘৰত একৰকমৰ আৰু কৰ্মক্ষেত্ৰত অন্যৰকমৰ হ'ব নোৱাৰে। তেওঁ একেজন মানুহেই। তেওঁৰ চিন্তা, হতাশা আৰু আশংকাসমূহ কৰ্মক্ষেত্ৰ আৰু ঘৰ সেই আবৰ্ততে কঢ়িয়াই লৈ ফুৰে।"

ডেভিড ৰিজমেনে এসময়ত ভাবিছিল যে আজৰি সময়ৰ সৃষ্টিশীল ব্যৱহাৰৰ মাজতেই জীৱনৰ অৰ্থবহতা নিহিত আছে। এতিয়া কিন্তু তেওঁ সেইদৰে নাভাবে কাৰণ এটা সীমা পাৰ হ'লে "আৰাম গুচি হাৰাম" হয়। সীমাহীন বিশ্ৰাম মানুহে কেতিয়াও হজম কৰিব নোৱাৰে। অত্যধিক বিশ্ৰামৰ ফলত বদ অভ্যাস গঢ় লয় আৰু মানুহে আত্মসংযম হেৰুৱায়। অফুৰন্ত আজৰিৰ বাবেই মানুহে মদত ধৰে, জুৱা খেলিবলৈ লয়। এনেকৈ নৈতিক আৰু আবেগিক দিশৰ পৰা ধ্বংস কৰি আনি মানুহৰ মনুষ্যত্ব নাইকিয়া কৰে।

আৰু প্ৰত্যেকেই যদি নিজৰ দৈনন্দিন কামত গা-এৰা দিবলৈ চায় বা নিষ্ঠাৰে সেই কাম নকৰে তেন্তে আমাৰ অৰ্থনৈতিক আৰু সামাজিক জীৱনত বিৰাট বিশৃংখলতা আহিব। চৌপাশে অৰাজকতা হ'ব। প্ৰত্যেকেই আজৰি সময় উপভোগ কৰা মানে এই আধুনিক পৃথিৱীৰ সকলো বস্তু মুখৰ আগত আহি পৰিব লাগিব। এতিয়া যদি গাখীৰ দিয়াই ৰাতিপুৱা গাখীৰ নিদিয়েহি, ৰেল যদি সময়মতে নচলে আৰু ডাকোৱালে যদি ঘৰে ঘৰে চিঠি নিদিয়েহি, তেন্তে আজৰি সময় উপভোগ কৰিবনো কেনেকৈ?

আৰু তাতোকৈও ডাঙৰ কথা, ঠিককৈ কাম বন কৰি ভাগৰ নালাগিলে বিশ্ৰাম প্ৰকৃততে হ'বই নোৱাৰে। বাৰ্ণাৰ্ড কাৰ্শে কৈছিল—কাম জীৱনৰ অংশ মাথোন নহয়, কামেই জীৱন।

কামেই আমাৰ জীৱনক গঢ় দিয়ে। ইয়েই হ'ল আমাৰ কাৰ্যাৱলীৰ ভেঁটি আৰু গাঁথনি। এক সুশৃংখল মানৱ সমাজ গঢ়াত কামেইহে প্ৰয়োজনীয় শৃংখলা আৰু পথ নিৰ্দেশ দিব পাৰে। দুৰ্বল হৈ যোৱা জীৱনৰ বেটেৰী কামেই আকৌ চাৰ্জ কৰিব পাৰে।

কাম আৰু আজৰিৰ সম্পৰ্ক খুবেই জটিল অথচ আগ্ৰহোদ্দীপক। কিমান গধুৰ কাম কৰা গ'ল তাৰ ওপৰতেই বিশ্ৰাম নিৰ্ভৰ কৰে। কঠোৰ পৰিশ্ৰম কৰি উঠাৰ পাচত লোৱা জিৰণি খুবেই সুখকৰ। বাৰ্ট্ৰাণ্ড ৰাছেলে ডেকা কালত বন্ধৰ

দিনবোৰ খুব খোজ কাঢ়ি কটাইছিল। এদিনত প্ৰায় ষাঠি কিলোমিটাৰলৈকে তেওঁ খোজ কাঢ়িছিল। দিনটোৰ শেষত লাহেকৈ বহি ভাগৰ পলুওৱাটো তেওঁৰ বাবে আছিল এক পৰম তৃপ্তি। তেওঁক আন একো নালাগিছিল।

কোনোবাই যদি জিৰণি উপভোগ কৰিব বিচাৰে তেন্তে সেই জিৰণি অৰ্জন কৰিব লাগিব কঠোৰ শ্ৰমেৰে। এজন মানুহে নিজৰ দৈনন্দিন কাম যদি সুচাৰুৰূপে কৰে, সেই কাম যিমানেই গতানুগতিক বা যান্ত্ৰিক নহওক কিয়, তেন্তে তেওঁৰ বিশ্ৰাম সুখকৰ হয়। ৰাতি তেওঁ গভীৰ টোপনিত নিমগ্ন হ'ব অথচ এজন এলেহুৱা মানুহ নিদ্ৰাহীনতাত চটফটাই থাকিব।

ৱিটজেনষ্টেইন কুৰি শতিকাৰ এজন মহান দাৰ্শনিক। একোটা বক্তৃতা দিয়াৰ পাচত তেওঁ একেবাৰে ভাগৰি পৰিছিল। তেওঁৰ ব্যগ্ৰতা এনেয়েও বেছি আছিল। বক্তৃতা শেষ কৰিয়েই তেওঁ চিনেমা হললৈ ঢাপলি মেলিছিল। যি চিনেমাই নিদিয়ক লাগিলে। কামুৰি থাকিবলৈ কিবা এটা কিনি লৈ একেবাৰে আগৰ শাৰীত বহি একান্তমনেৰে সেইখন চাব। তেওঁৰ কাৰণে এইটো হেনো একধৰণৰ "শ্বাৱাৰ বাথ।"

✱

5

কৰ্ম বিন্যাস

ঘাইকৈ সমাজেই মানুহৰ ব্যক্তিত্ব নিৰূপণ কৰে। তেওঁৰ চিন্তা-চৰ্চা, ভাষা, আকাংক্ষা, অভ্যাস, উপলব্ধি আৰু মূল্যবোধ এই সকলোখিনিকেই তেওঁৰ চৌপাশৰ সমাজখনেই গঢ় দিয়ে। বিশিষ্ট মনস্তত্ত্ববিদ আৰ. ডি. লেইঙে কৈছিল—

> "সামাজিক প্ৰাসংগিকতা অবিহনে ব্যক্তিৰ অস্তিত্ব নাই। সমাজখন বাদ দি মানুহ এজনক কল্পনাও কৰিব নোৱাৰি, বা নিজকে তেওঁৰ সন্মুখত ব্যক্তি হিচাপে থিয় কৰাব নোৱাৰি। এজনে আনজনৰ সন্মুখত ব্যক্তি হিচাপে থিয় হ'ব নোৱাৰিলে নিজৰ ব্যক্তিসত্তাত জড়তা আহে।"

কামৰ ক্ষেত্ৰতেই ব্যক্তিৰ ওপৰত সমাজৰ প্ৰভাৱ খুব গভীৰ। মানুহৰ কামেই এনে এক বস্তু যাক উপলব্ধি কৰিব পাৰি আৰু ই খুবেই বাস্তৱিক। ফ্ৰয়ডৰ মতে—কাম কৰাৰ মাজেৰে মানুহ অন্ততঃ বাস্তৱৰ এটা অংশৰ সৈতে সংযোজিত হয়। আৰু সেই অংশই হ'ল মানৱ সম্প্ৰদায়। কাম নহ'লে মানুহ পৰিণত হয় মান-মৰ্যাদাহীন এক নিঃসংগ প্ৰাণীত। জীৱনৰ সমস্ত অৰ্থবহতা আৰু উদ্দেশ্য তেতিয়া লোপ পায়।

এজন ব্যক্তিৰ ব্যক্তিত্বই তেওঁ বাস কৰা সমাজখন প্ৰতিবিম্বিত কৰে। ভাষাৰ কথাই ধৰা যাওক, যিটো মানুহৰ সবাতোকৈ অনন্য আৰু মূল্যবান সম্পদ। মামফৰ্ডৰ মতে ই সংস্কৃতিৰ এক গুৰুত্বপূৰ্ণ আধাৰ। ভাষা সবাতোকৈ প্ৰয়োজনীয় সামাজিক আহিলা। আৰু সমাজ নোহোৱাকৈ ভাষাৰো অস্তিত্ব নাই আৰু ভাষা নহ'লে সংস্কৃতিৰো অস্তিত্ব নাই। মানুহ আৰু জন্তুৰ তেতিয়া পাৰ্থক্যই নাইকিয়া হ'ব।

প্ৰত্যেকেই বন্ধুত্ব বিচাৰে, সংগী বিচাৰে। সংগী বিচৰাৰ এই তৃষ্ণা চিৰন্তন আৰু সাৰ্বজনীন। ই গভীৰভাবে অনুভূত এক প্ৰয়োজন। কামৰ যোগেদিয়েই এই প্ৰয়োজন পূৰা হয়। অফিচ-কাছাৰী বা কল-কাৰখানাত মানুহে কৰা কাম এক সামাজিক কাৰ্য; একো একোটা সৰু সৰু জন-সমষ্টিৰ প্ৰত্যেকেই এজন সদস্য। প্ৰতিটো গোটতে গঢ়ি উঠে বন্ধুত্বপূৰ্ণ এক আড্ডা। সেই আড্ডাৰ পৰিৱেশেই একোজন কৰ্মীৰ কামৰ প্ৰতি বা ৰৰমূৰীয়াৰ প্ৰতি মনোভাব নিৰ্ণয় কৰে। "সংগপ্ৰিয়তা

মানৱীয়তাৰ বুনিয়াদী অৱলম্বন,আৰু এই পাৰস্পৰিকতা থকালৈকেহে আমি মানুহ।" ঔদ্যোগিক বিশ্বৰ এজন অন্যতম দ্ৰষ্টা ফাৰ্ডিনেণ্ড জ্বেইগৰ কথা এয়া। এজন কৰ্মীয়ে স্নেহ বিচাৰে, আনক স্নেহ দিবলৈ বিচাৰে; আনৰপৰা সহায় বিচাৰে, আনকো সহায় কৰিবলৈ বিচাৰে। আনক সহায় কৰিবলৈ পালে তেওঁ সুখী হয়। জ্বেইগে চাৰ্লচ কৰ্বেৰ এখন চিত্ৰৰ উদাহৰণ দিছে। "The Almsgiving Beggar" নামৰ ১৮০৮ চনৰ এই ছবিখনত দেখুওৱা হৈছে থিয় হ'বলৈকো জোৰ নথকা এজন দুৰ্বল বৃদ্ধ ভিক্ষাৰীয়ে এজন স্বাস্থ্যৱান মগনীয়া যুৱকক কিবা এপদ দিছে। দি উঠি বুঢ়াৰ মনত কি তৃপ্তি—"ময়ো আনক সহায় কৰিব পাৰোঁ।"

মানুহ এজনে অৱসৰ লোৱাৰ পাচত অফিচৰ নীতি নিয়ম, ফাইল পত্ৰৰ কাম সকলোবোৰ লাহে লাহে পাহৰে। কিন্তু তেওঁৰ মনত থাকে মানুহবোৰ, সামাজিক পৰিৱেশটো, আৰু সামাজিক সান্নিধ্যবোৰ। কোনোবা এটা প্ৰতিষ্ঠানৰ অৱসৰপ্ৰাপ্ত পৰিচালন সঞ্চালক এজনে কৈছিল—

> "মোলৈ এতিয়া বাৰ্ষিক প্ৰতিবেদন নপঠিয়াব। বিক্ৰী কিমান হ'ল জানিবলৈ মই আগ্ৰহী নহওঁ। মোক লাগে সেই আড্ডা। আনকি এসময়ত চকু পাৰি দেখিব নোৱৰা মানুহকেইটালৈও মোৰ আজিকালি মনত পৰে।"

নিম্নোক্ত ঘটনাকেইটাই মানুহ আৰু কামৰ সম্পৰ্কৰ ভিন ভিন প্ৰতিচ্ছবি দাঙি ধৰে।

লেডী চেক্ৰেটৰী

বাইশ বছৰীয়া এক তৰুণীয়ে চাৰ্জাৰি এখনত অলপীয়া দৰমহাৰ চেক্ৰেটৰী কাম এটা ল'লে। কাম কৰাৰ পৰিৱেশ সুচল নোহোৱা সত্বেও কামটো তাই ভাল পালে, কাৰণ

"মই মানুহ লগ পাব খোজোঁ।"

"মই অনুভৱ কৰো যে মই এটা প্ৰয়োজনীয় কাম কৰিছোঁ।"

"এদিন ৰাতিপুৱা ছটি সন্তানৰ মাতৃ, এগৰাকী ত্ৰিশ বছৰীয়া মহিলাই সোমাই আহি মোক বেচ উৎসাহেৰে তেওঁক কৰি দিয়া সহায়ৰ বাবে ধন্যবাদ যাচিলে। মোৰ কামটোৰ বাবে ই সঁচাই এক পুৰস্কাৰ স্বৰূপ।"...

"কিবা এটা দায়িত্বত থকাটো বা কাৰোবাৰ বাবে কিবা কথাত প্ৰয়োজনীয় অনুভৱ কৰাটোৱেই মোৰ বাবে চাকৰিটোৰ এক অন্যতম আকৰ্ষণ।"...

"চাৰ্জাৰিত কাম কৰাৰ চাৰিটা বছৰত মই এদিনো পলমকৈ উপস্থিত হোৱা নাছিলোঁ। কিন্তু আগৰ চাকৰিবোৰৰ এটাতো মই সময়ত উপস্থিত হোৱা নাছিলোঁ।"

"কোনটো বিল্ডিঙৰ কিমান খৰচ হ'ব পাৰে সেইবিলাক হিচাপ কৰি মই একো ভাল পোৱা নাছিলোঁ। মই এতিয়া বেছিকৈ কামটোৰ লগত একাত্ম হৈ পৰিছোঁ। খৰচৰ হিচাবতকৈ এই কেচবোৰ চায়েই বেছি ভাল লাগে।"

(আগতে তাই কোৱাণ্টিটি চাৰ্ভেয়ৰ ফাৰ্ম এখনত কাম কৰিছিল।)

এই উদাহৰণে এটা কথা স্পষ্ট কৰি দিছে যে কৰ্মসন্তুষ্টি বিভিন্ন কথাত নিৰ্ভৰ কৰে আৰু দৰমহা কম-বেছি হোৱাটোৱেই মানুহৰ কামৰ প্ৰতি ধাউতি জগোৱাৰ একমাত্ৰ নিৰ্ণায়ক নহয়।

কচাইখানাৰ ছোৱালীকেইজনী

এখন ডাঙৰ মহানগৰীৰ এটি কচাইখানাত ছজনী ছোৱালীয়ে কাম কৰিছিল। সিহঁতৰ কামটোও আছিল বৰ লেতেৰা—ইতিমধ্যে মাৰি লোৱা গাহৰিৰ নাড়ী-ভুৰুবোৰ উলিয়াই চাফা কৰিব লাগে। কাম কৰাৰ ঠাইখনো বৰ হতাশজনক। সিহঁতে কাম কৰিবলগা হৈছিল ঠাণ্ডা, সেমেকা আৰু অসুবিধাজনক বেচমেণ্টত। মজিয়াত গাহৰিৰ নাড়ী, ভুৰু, তেজ পৰি থাকে; গোটেইখন গেলা গেলা গোন্ধ। নতুনকৈ অহা মেডিকেল অফিচাৰজনে এই দৃশ্য দেখি প্ৰমাদ গণিলে আৰু এই গাভৰু ছোৱালীকেইজনীক বেলেগ কাম দিবলৈ নিৰ্দেশ দিলে। মেনেজমেণ্টেও সেই নিৰ্দেশ অনুসাৰে সিহঁতক বেলেগ পৰিষ্কাৰ কাম দিবলৈ বাধ্য হ'ল।

কিন্তু প্ৰচণ্ড আপত্তি আহিল ছোৱালীকেইজনীৰ পৰা। ঠিকে-ঠাকে কাম কৰি থকা সত্বেও সিহঁতক কিয় বদলি কৰা হ'ল বুলি সিহঁতে ওলোটাই কৈফিয়ৎ বিচাৰিলে। সিহঁতৰ আপত্তি ইমানেই প্ৰবল তথা নেৰানেপেৰা ধৰণৰ আছিল যে মেনেজমেণ্টে বদলিৰ নিৰ্দেশ উঠাই ল'বলৈ বাধ্য হ'ল।

'লেতেৰা' হ'লেও ছোৱালীকেইজনীয়ে কচাইখানাৰ কামটো ভাল পোৱাৰ কেইবাটাও কাৰণ আছে। প্ৰথমেই হ'ল—ছোৱালীকেইজনী মিলিজুলি এটা সুন্দৰ পৰিৱেশ গঢ়ি লৈছিল। সিহঁতৰ মাজত বন্ধুত্ব জমি উঠিছিল। কামৰ লগে লগে দিনটো সিহঁতে নানান কথা পাতে। গান গায়, শেহতীয়া চিনেমা বা ফেশানৰ কথা উলিয়ায়। এইখিনি স্ফূৰ্তিৰ আকৰ্ষণ ইমানেই বেছি আছিল যে সিহঁতে যে এখন লেতেৰা ঠাইত কাম কৰি আছিল সেইকথা পাহৰিয়েই আছিল। দ্বিতীয়তে, সিহঁতৰ কুশলী কাম লৈ কেউজনী বেচ গৰ্বিতা আছিল। তৃতীয়তে, সিহঁতৰ ওপৰৱালাজন কথাই কথাই ডাবি ধমকি দি থকাধৰণৰ মানুহ নাছিল। কিবা এটা ভালকৈ কৰিলে শলাগিছিল, কিবা দিগদাৰি পালে দেখুৱাই মেলি দিছিল। আনকথাত তেওঁ সিহঁতৰ শিক্ষকৰ দৰে আছিল, সিহঁতেও তেওঁক প্ৰশংসা আৰু শ্ৰদ্ধা কৰিছিল।

তিনিজন শিলাকুটি

তিনিজন শিলাকুটিয়ে এটা মন্দিৰ নিৰ্মাণ কৰি আছিল। তেওঁলোকৰ প্ৰত্যেককে সোধা হ'ল কি কৰিছে। প্ৰথমজনে ক'লে—

'মই দুখীয়া মানুহ, পৰিয়াল পোহপাল দিব লাগে, এনেকৈয়ে পেট প্ৰৱৰ্তাইছোঁ।'

'মই দেখুৱাব খুজিছোঁ যে মই দেশৰ শ্ৰেষ্ঠ শিলাকুটি।' দ্বিতীয়জনে কিছু গৰ্বেৰে উত্তৰ দিলে।

এইবাৰ তৃতীয়জনৰ উত্তৰ—'মই দেশৰ ভিতৰত সবাতোকৈ সুন্দৰ মন্দিৰ এটা গঢ়িব বিচাৰোঁ।' তেওঁৰ দুচকুত এক স্বপ্নময় উজ্জ্বলতা।

একেটা কামেই তিনিজনে কৰিছে, অথচ তেওঁলোকৰ দৃষ্টিভংগী সম্পূৰ্ণ বেলেগ। কামটো গুৰুত্বপূৰ্ণ বুলি ভবাটো খুবেই প্ৰয়োজনীয়। এটা সুখী জীৱন আৰু সুচাৰুৰূপে পৰিচালিত এখন সমাজৰ ই হ'ল বুনিয়াদ, যিখন সমাজত কামবোৰ আনন্দৰে তথা সৰ্বাংগসুন্দৰকৈ কৰি নিয়া হয়।

আজিকালি বহু মানুহেই এক নাই নাই ভাবত ভোগে। গোটেইখন যেন অথলে গ'ল। এই অথলে যোৱাৰ অনুভৱ খুব সৰ্বনশীয়া হ'ব পাৰে। নিজে কৰা কামত এক গৰ্বৰ অনুভৱ আনি লোৱাটো প্ৰয়োজন। তেনে অনুভৱেই এজন ব্যক্তিৰ আত্ম-সন্মান অক্ষুণ্ণ ৰাখি তেওঁৰ ব্যক্তিত্বৰ উন্নতি ঘটায়।

6

অংশগ্ৰহণে কামলৈ ধাউতি বঢ়ায়

মানুহে কিয় কাম কৰে আৰু কেতিয়া খুব ভালকৈ কাম কৰে এই দুটা বৰ আহুকলীয়া প্ৰশ্ন। ১৯২৭ চনৰপৰা ১৯৩২ চনৰ ভিতৰত চলোৱা হথৰ্ণ অনুসন্ধানত এই দুটা প্ৰশ্নৰে উত্তৰ বিচৰা হৈছিল। আমেৰিকাৰ চিকাগো চহৰৰ ওচৰৰ হথৰ্ণৰ কাৰখানাটোত প্ৰায় ৩০,০০০ মানুহে কাম কৰিছিল। সেই সময়ত কলকাৰখানাত বিক্ষোভ এটা দৈনন্দিন কথা আছিল।

অধ্যাপক এল্টন মেয়ো আৰু তেওঁৰ সহযোগীসকলে চলোৱা এই অধ্যয়ন ঔদ্যোগিক সমাজশাস্ত্ৰৰ এক গুৰুত্বপূৰ্ণ অধ্যায় হৈ ৰ'ল। ইয়াৰে সবাতোকৈ উল্লেখনীয় সম্পৰীক্ষাটো হ'ল "দা ফাৰ্ষ্ট ৰিলে এচেম্বলি টেষ্ট ৰুম এক্সপেৰিমেণ্ট"। টেলিফোনৰ সৰু অংশ এটা নিৰ্মাণ কৰা পাঁচজনী ছোৱালীৰ গোট এটাক লৈ এই সম্পৰীক্ষা চলোৱা হৈছিল। প্ৰথম দুবছৰ (১৯২৭-১৯২৯) বিভিন্ন সাল-সলনিৰে চোৱা হৈছিল কিবিলাক কথাই একোটা কৰ্মী গোটৰ উৎপাদনশীলতাত প্ৰভাৱ পেলায়। উদাহৰণ স্বৰূপে কাম কৰিবলগীয়া সময় কমাই জিৰণি বঢ়াই দিয়া হ'ল। কাম অনুসাৰে মজুৰি দিয়াৰ ব্যৱস্থা কৰা হ'ল। পাঁচদিনীয়া কৰ্ম-সপ্তাহ প্ৰৱৰ্তন কৰি বিনামূলীয়া আহাৰৰ ব্যৱস্থাও কৰা হ'ল। কিন্তু সম্পৰীক্ষাৰ শেষ পৰ্যায়ত আটাইতকৈ নাটকীয় সাল-সলনিটো ঘটোৱা হৈছিল। এই সকলোবোৰ ৰেহাই কৰ্তন কৰা হৈছিল আৰু উল্লেখযোগ্য ভাবে সকলোৱে আশা কৰাৰ বিপৰীতে কোনো আন্দোলনো নহ'ল অথচ উৎপাদনো বাঢ়ি থাকিল। উৎপাদনৰ মুঠৰ ওপৰত, এক নতুন অভিলেখ সৃষ্টি হ'ল।

এই অনুসন্ধানে কিছুমান সুদূৰপ্ৰসাৰী ইংগিত বহন কৰিছিল। টকা-পইচাই উৎপাদকতাৰ মুখ্য নিৰ্ণায়ক বোলা দৃষ্টিভংগীটো ই মিছা বুলি প্ৰমাণিত কৰিলে। ই এই কথা সন্দেহৰ উৰ্দ্ধত প্ৰমাণ কৰিলে যে মানুহৰ প্ৰয়োজন জটিল আৰু ভিন্নৰকমৰ কাম এক সামাজিক সক্ৰিয়তা আৰু কিবা এটাৰ অংশীদাৰ হোৱাটো এক বেলেগ ধৰণৰ অনুভৱ। স্বীকৃতি, প্ৰশংসা আৰু মান-মৰ্যাদাৰ প্ৰতিও মানুহৰ হেঁপাহ থাকে।

ছোৱালীকেইজনী সম্পৰীক্ষাটোৰ লগত সম্পূৰ্ণ একাত্ম হৈ পৰিছিল। তেওঁলোকে এই কথাত গৰ্ব অনুভৱ কৰিছিল যে তেওঁলোকৰ কামৰ বিষয়ে পণ্ডিত অধ্যাপকে অনুসন্ধান চলাইছে। কামৰ অনুসূচীৰ যি কোনো পৰিৱৰ্তনৰ আগে আগে তেওঁলোকক নিয়মীয়াকৈ লগ ধৰা হৈছিল। যি কোনো সম্পৰীক্ষাৰ পৰিকল্পনাত অংশগ্ৰহণ কৰাৰ সুন্দৰ সুযোগ তেওঁলোকে পাইছিল। এইবিলাকৰ কাৰণেই তেওঁলোকৰ ৰেহাইবিলাক কৰ্তন কৰাৰ পিচতো উৎপাদন হ্ৰাস পোৱা নাছিল। আনহাতে, ছোৱালীকেইজনীয়ে এই কথা প্ৰমাণ কৰি দিলে যে কেৱল ৰেহাই বা ছুটীৰ বাবেই তেওঁলোকে কাম কৰা নাই। কামৰ পৰিকল্পনা আৰু ৰূপায়ণত অংশগ্ৰহণ কৰিবলৈ পোৱাটো এইক্ষেত্ৰত ডাঙৰ উদগনি আছিল।

মেয়ো এজন অতিশয় উৎসাহী ব্যক্তি আছিল। ঔদ্যোগিক ক্ষেত্ৰত মানৱীয় সম্পৰ্কৰ দৰে মোহনীয় বিষয় এটাত তেওঁ গভীৰ অধ্যয়ন কৰিছিল আৰু এইক্ষেত্ৰত তেওঁৰ সমান বৰঙণি কোনেও বোধহয় আগবঢ়োৱা নই। হথৰ্ণৰ এক্সিকিউটিভসকলৰ লগতো তেওঁ সু-সম্পৰ্ক গঢ়ি তুলিছিল। মানুহৰ লগত সম্পৰ্ক গঢ়ি তোলাত তেওঁৰ বিশেষ ক্ষমতা আছিল। মেয়োৱে প্ৰায়ে তেওঁলোকক দুপৰীয়া ভোজনৰ সময়ত ভোজন কক্ষলৈ মাতি পিঁয়াজৰ চুপ যাচিছিল। সাধাৰণতে এক্সিকিউটিভবিলাকে কাণ্ট্ৰি ক্লাবলৈ গৈ মধ্যাহ্ন ভোজন কৰিছিল।

এইবিলাক কথাই ইয়াকে প্ৰমাণ কৰে যে প্ৰতিজন মানুহেই কিবা এটা কামত সক্ৰিয় অংশ ল'বলৈ ভাল পায় আৰু তাকে সুনিশ্চিত কৰিব পাৰি কৰ্ম পৰিচালনাত সকলোৰে অংশগ্ৰহণৰ যোগেদি।

7

জিৰণিয়ে কাম সমৃদ্ধ কৰে

ৰাছেলৰ নিয়ম

বাৰ্ট্ৰাণ্ড ৰাছেল বোধহয় কুৰিশতিকাৰ সবাতোকৈ বিদগ্ধ দাৰ্শনিক। মানুহে কয় তেওঁৰ মনৰ গতি পোহৰৰ সমান। তেওঁ ভীষণ পৰিশ্ৰম কৰিব পাৰিছিল। গাণিতিক তৰ্কশাস্ত্ৰ তথা দৰ্শনৰ দৰে দুৰ্বোধ্য বিষয়ৰ গভীৰ অধ্যয়নত তেওঁ অনলসভাবে দীঘলীয়া সময় দিব পাৰিছিল। *দ্য প্ৰিন্সিপল্‌চ অৱ মেথেমেটিক্স* নামৰ প্ৰায় পাঁচশ পৃষ্ঠাৰ বৃহৎ কলেবৰৰ গ্ৰন্থখন তেওঁ চাৰিমাহতে লেখি উলিয়াইছিল। কাৰ্ল পপাৰ নামৰ মৌলিক চিন্তাৰ দাৰ্শনিকজনে গ্ৰন্থখনৰ বিষয়ে স্পষ্টকৈ লেখিছিল—

> "এইখন (দ্য প্ৰিন্সিপল্‌চ অৱ মেথেমেটিক্স) এতিয়ালৈকে প্ৰকাশিত হোৱা মহৎ গ্ৰন্থসমূহৰ ভিতৰৰে অন্যতম। ১৯০০ চনৰ জুলাই মাহত পেৰিচৰ অধিবেশনলৈ যোৱাৰ আগলৈকে ৰাচেলৰ গাণিতিক দৰ্শনৰ সৈতে বিশেষ পৰিচয় নাছিল। সেই অধিবেশনত তেওঁ পীনোক লগ পালে যিজনৰ ব্যক্তিত্বৰ দ্বাৰা তেওঁ গভীৰভাৱে প্ৰভাৱান্বিত হৈছিল।
>
> পীনোৰ সমস্ত লেখা ৰাচেলে আগষ্ট মাহটো জুৰি পঢ়িলে, এয়া কম পৰিশ্ৰম নহয় (মই নিজে অন্ততঃ নোৱাৰোঁ)। চেপ্তেম্বৰ মাহত তেওঁ সম্পৰ্কৰ যৌক্তিকতা লৈ (logic of relations) এক মৌলিক ৰচনা লেখিলে যিখন পীনোৰ জাৰ্নেলত প্ৰকাশিত হৈছিল। অক্টোবৰত তেওঁ *দ্য প্ৰিন্সিপল্‌চ অৱ মেথেমেটিক্সৰ* কাম আৰম্ভ কৰিলে আৰু ৩১ ডিচেম্বৰত এই মহৎ গ্ৰন্থ সম্পূৰ্ণ কৰিলে। তিনি বছৰৰ পিচত ইয়াৰে চাৰিটা খণ্ড হুবহু ছপা হ'ল। বাকী প্ৰথম, দ্বিতীয় আৰু সপ্তম খণ্ড অৱশ্যে আকৌ লেখিবলগীয়া হৈছিল। মই নাভাবো যে দৰ্শন বা সাহিত্যৰ ইতিহাসত এনে কাৰ্য আগতে কেতিয়াবা ঘটিছে। এই গ্ৰন্থৰ কৃতিত্ব অতুলনীয়।"

নব্বৈ বছৰ বয়সতো ৰাছেলে অসাধাৰণ উদ্যমেৰে কাম কৰি গৈছিল। এবাৰ এজন সাংবাদিক সোধাত নিজৰ দৈনন্দিন কৰ্মসূচীৰ বিষয়ে তেওঁ কৈছিল—

> "পুৱা আঠ বজাৰ পৰা চাৰে এঘাৰ বজালৈ চিঠি-পত্ৰ, খবৰ কাগজ ইত্যাদি পঢ়োঁ। দৈনিক মই প্ৰায় এশখন চিঠি পাওঁ। চাৰে এঘাৰ বজাৰ পৰা এক বজালৈ মই মানুহক

লগ ভাগ কৰোঁ। দুই বজাৰ পৰা চাৰি বজালৈ মই পঢ়োঁ যাইকৈ সাম্প্ৰতিক নিউক্লিয়াৰ বিষয়ক লেখামেলাবিলাক। চাৰি বজাৰ পৰা সাত বজালৈ হয় লেখোঁ নহয় মানুহক লগ কৰোঁ। আকৌ আঠ বজাৰ পৰা ৰাতি এক বজালৈ হয় লেখোঁ নহয় পঢ়োঁ।"

একেজন ৰাছেলেই আকৌ *ইন প্ৰেইজ অৱ আইড্‌লনেচ* ("এলাহক শলাগি") নামৰ এখন পঢ়ি ভাল লগা অথচ চিন্তা উদ্ৰেককাৰী ৰচনা লেখি থৈ গৈছে। ইয়াতে তেওঁ উল্লেখ কৰিছে নেপল্‌চৰ সেই পৰিব্ৰাজকৰ কথা যি ৰ'দত পৰি থকা বাৰজন ভিক্ষাৰীৰ আটাইতকৈ এলেহুৱাজনক এটা মুদ্ৰা দিম বুলি ক'লে। এঘাৰজন ততালিকে উঠিল; তেওঁ তেতিয়াও বহি থকাজনক মুদ্ৰাটো দিলে।

এই ৰচনাখনত ফুটি উঠা ৰাছেলৰ দৃষ্টিভংগী চমুকৈ এনেধৰণৰ—চাৰিঘণ্টা কাম কৰিলেই এজন মানুহে নিজৰ প্ৰয়োজনীয় উপাৰ্জন কৰিব পাৰে। বাকীখিনি সময় তেওঁ নিয়োজিত কৰিব লাগে নান্দনিক চৰ্চাত যেন গীত, কবিতা ইত্যাদি। সেইখিনি সময় আড্ডা মাৰিবলৈ নহয়। তাচ খেলি সময় পাৰ কৰাতকৈ গান শুনাই ভাল। আন কথাত বৈষয়িক সুখ-স্বাচ্ছন্দ্যতকৈ কৃষ্টিমূলক চৰ্চাত সময় দিয়াটোৱেই ৰাছেলে পোষকতা কৰিছে। আধুনিক যুগত দেখা পোৱা বৈষয়িক তৃপ্তিৰ প্ৰতি মানুহৰ এই হাবিয়াস শুদ্ধ নহয়। আজৰি সময়ৰ সুব্যৱহাৰৰ যোগেদিয়েই শিক্ষা আৰু সংস্কৃতিয়ে গঢ় লয়। আজৰি সময়ৰ অপ-ব্যৱহাৰৰ কথা ৰাচেলে কল্পনাও কৰিব পৰা নাছিল।

ৰাচেলে নিজেও আজৰি সময়খিনি সুন্দৰভাবে সৃষ্টিশীল কামত নিয়োজিত কৰিছিল। তেওঁ উপলব্ধি কৰিছিল যে যিকোনো এটা ভাল চিন্তা প্ৰথমে অৱচেতন মনত জীপ পাব লাগিব। এনেকৈয়ে ধাৰণাবিলাকে পোখা মেলি এদিন স্পষ্ট ৰূপত সমাধান ওলাই আহিব। এই প্ৰক্ৰিয়াকে তেওঁ *Portraits from Memory* গ্ৰন্থত এনেদৰে বৰ্ণাইছে ঃ

"বহিঃজগতৰ বিষয়ে আমাৰ জ্ঞান' এই বিষয়টোকে মই বষ্টনৰ ল'ৱেল বক্তৃতালানিৰ বাবে ঠিক কৰিলোঁ। ১৯১৩ চনৰ গোটেই বছৰজুৰি মই এই বিষয়টো চিন্তা কৰিলোঁ। কেম্ব্ৰিজত থকা সময়তে হওক বা ছুটীৰ দিনত টেম্‌ছৰ পাৰৰ কোনোবা ধাবাতে হওক। মই বিষয়টোত ইমানেই মনপুতি লাগিলো যে কেতিয়াবা আনকি উশাহ ল'বলৈকো পাহৰি গৈছিলোঁ। সুৰংগৰ পৰা ওলোৱা মানুহৰ দৰে মাজে মাজে সেপ গিলিছিলোঁ। কিন্তু একো কাম দিয়া নাছিল। মই ভবা প্ৰতিটো তত্বতে ডাঙৰ ত্ৰুটি আছিল। অৱশেষত হতাশাগ্ৰস্ত হৈ মই বৰদিনৰ বন্ধত ৰোমলৈ গুচি গ'লো। কিজানি বিৰতি এটা ল'লে কাম কৰিবলৈ উৎসাহ বাঢ়েই। ১৯১৩ চনৰ শেষ দিনটোত মই কেম্ব্ৰিজলৈ ঘূৰি গ'লো। মনত তেতিয়াও আউল থকা সত্বেও, সময় চাপি অহা দেখিয়েই এগৰাকী আশুলিপিকাৰ লৈ শ্ৰুতলিপি আৰম্ভ কৰাৰ সিদ্ধান্ত কৰিলোঁ।

পাচদিনা তেওঁ আহি পোৱাৰ লগে লগেই মোৰ মনত সকলোখিনি চিজিল হৈ গ'ল আৰু কোনো দ্বিধা নোহোৱাকৈ মই গোটেই কিতাপখনৰ শ্ৰুতলিপি দিলোঁ।"

অত্যধিক পৰিশ্ৰম কৰিলে কাম বেয়া হয় আৰু ভুল সিদ্ধান্ত লোৱা যায়। বাগেহট নামৰ ঐতিহাসিকজনে এটা বেচ ইংগিতপূৰ্ণ মন্তব্য কৰিছিল যে তেওঁ লণ্ডনৰ এনেকুৱা মানুহৰ কথা জানে যি দিনে আঠঘণ্টাকৈ কাম কৰিও দেউলীয়া, অথচ সিহঁতে দিনে চাৰিঘণ্টাকৈ কাম কৰিলে স্বচ্ছল হৈয়েই থাকিলহেঁতেন। সৰল কিন্তু অৰ্থব্যঞ্জক মন্তব্য।

আইনষ্টাইনৰ সূত্ৰ

আইনষ্টাইনৰ $E=mc^2$ সমীকৰণ আজি বিশ্ববিখ্যাত। (ইয়াৰ অৰ্থ হ'ল, m ভৰৰ বিনাশ ঘটিলে উদ্ৰেক হোৱা শক্তি E ৰ পৰিমাণ, পোহৰৰ বেগ c ৰ বৰ্গৰ m গুণৰ সমান হয়।) ই খুব সাধাৰণ যেন লগা, চমকপ্ৰদ কিন্তু ভয়ংকৰ ধ্বংসকাৰ্য সংঘটিত কৰিবপৰা। তেওঁৰ আন এটা সূত্ৰৰও কিন্তু উল্লেখনীয় ফলশ্ৰুতি আছে। সেইটো হ'ল $A=X+Y+Z$। ইয়াত A হ'ল সফলতা, X কঠোৰ পৰিশ্ৰম, Y মানে খেলা বা বিনোদন আৰু Z মানে মুখখন বন্ধ কৰি ৰখা।

আমি ইতিমধ্যেই উল্লেখ কৰিছোঁ যে কাম খেলা বা বিনোদনৰ দৰেই স্বাভাৱিক আৰু অতীব প্ৰয়োজনীয়। যিকোনো দেশৰ প্ৰধানমন্ত্ৰী এজন হ'ল আটাইতকৈ বেছি পৰিশ্ৰম কৰা আৰু কেতিয়াও চিন্তামুক্ত হ'ব নোৱৰা এজন মানুহ। ইংলণ্ডৰ প্ৰাক্তন প্ৰধানমন্ত্ৰী হেৰল্ড উইলচনৰ মতে এজন সফল প্ৰধানমন্ত্ৰীৰ বাবে খুবেই প্ৰয়োজনীয় হ'ল নিদ্ৰা। তেওঁ কৈছিল—

"মই বিশ্বাস কৰোঁ এজন প্ৰধানমন্ত্ৰীৰ বাবে আটাইতকৈ ডাঙৰ সম্পদ হ'ল শুব পৰাটো—ৰাতিৰ গভীৰ নিদ্ৰা—পাৰিলে আঠঘণ্টা শুব লাগে—শুব পাৰিব লাগে। শুব নোৱাৰাটো ৰাজনীতিজ্ঞৰ গুণ নহয়। মই এজন বিখ্যাত প্ৰধানমন্ত্ৰীৰ কথা জানোঁ, নাম লৰ্ড ৰ'জবেৰি, যি দুবছৰৰ কাৰ্যকালত ভালকৈ এঘুমটি মাৰিবই নোৱাৰিলে। গৈ থৈ তেওঁৰ গাদীও গ'ল।"

কথাতে কয়, নীৰৱতা সোণসেৰীয়া। গান্ধীজীয়েও নীৰৱতা বেচ নিয়মেৰে পালন কৰিছিল। নীৰৱতাই মানুহক চিন্তাৰ গভীৰতা দিয়ে। ই মানুহৰ নীতিনিষ্ঠতাক ৰক্ষণাবেক্ষণ দিয়াৰ লগতে শক্তিশালী কৰে কাৰণ নীৰৱতাই আত্মানুসন্ধান আৰু আত্মোপলব্ধিত অৰিহণা যোগায়।

টয়নবিৰ উপদেশ

খুব বেচি পাণ্ডিত্যপূৰ্ণ নহ'লেও কুৰি শতিকাৰ ঐতিহাসিক চিন্তাত আৰ্ণল্ড টয়নবিয়ে

নিজৰ চিন ৰাখি থৈ গৈছে। তেওঁৰ অধ্যয়ন আছিল প্ৰগাঢ় আৰু ঔৎসুক্য বিস্তৃত। সৰ্বোপৰি দীঘলীয়া পৰিশ্ৰম কৰাৰ তেওঁৰ ক্ষমতা আছিল অনস্বীকাৰ্য। তেওঁৰ সফলতা আছিল এনে অনলস অধ্যৱসায়ৰ ফলশ্ৰুতি। তেওঁৰ মূলমন্ত্ৰ আছিল—

> "সাফল্য? তাৰ বাবে লাগিব মূৰৰ ঘাম মটিত পোলোৱা পৰিশ্ৰম, ঈশ্বৰেও একমাত্ৰ ইয়াৰ বাবেই ঘাম সৃষ্টি কৰিছে।"

বৌদ্ধিক শ্ৰম কৰাসকলৰ প্ৰতি টয়নবীয়ে এই পাঁচোটা পৰামৰ্শ আগবঢ়াইছে ঃ

★ কোনো কাম হুৰমূৰকৈ নকৰিব। সকলো কাম ভাবি-চিন্তি কৰিব লাগে। কথাবোৰ সামগ্ৰিকভাবে বিচাৰ কৰিবলৈ প্ৰয়োজনীয় সময় দিব লাগিব।

★ নিজৰ মন সাজু বুলি পতিয়ন গ'লে অকণো বিলম্ব কৰিব নালাগে। বেছি বিলম্ব কৰাটো ফলশ্ৰুতিৰ দিশৰপৰা হুৰমূৰ কৰাতকৈও ক্ষতিকাৰক।

★ নিয়মীয়াকৈ লেখা-মেলা কৰক। দিনটোত যেতিয়াই সময় পোৱা যায় তেতিয়াই কাগজ-কলম তুলি ল'ব লাগে। বিশেষ 'মুহূৰ্ত' অহালৈ অপেক্ষা কৰিব নালাগে।

★ অবাবত সময় নষ্ট নকৰিব। এনেকৈ নিজক নক'ব—"অঁ মই অমুকটো কাম কৰিলোঁ। এতিয়া কাইলৈ ৰাতিপুৱাৰ আগত মোৰ কোনো কাম নাই। এতিয়া পূৰা আজৰি।" তেওঁৰ উপদেশ একেবাৰে সৰল—এটা কাম কৰি হ'ল যদি পিছৰটো সোনকালেই আৰম্ভ কৰিব লাগে।

★ দৃষ্টি সন্মুখত ৰাখক। বহু দূৰলৈকে চাওক, মটৰচাইকেল ৰেচৰ প্ৰতিযোগীৰ দৰে দিগন্তত দৃষ্টি ৰাখি নিমিষতে সেইখিনি দূৰত্ব অতিক্ৰম কৰক।

টয়নবী আছিল সঁচা অৰ্থত কৰ্মযোগী। যেতিয়াই ভ্ৰমণত ওলায়, তেওঁ লগত ভগৱত গীতাখন ৰাখিছিল। অসাধাৰণ স্মৃতিশক্তি থকা সত্বেও তেওঁ সদায় এখন ৰুল মৰা দহ আৰু ছয় ইঞ্চি জোখৰ টোকাবহী হাতত ৰাখিছিল আৰু প্ৰণালীবদ্ধভাবে বিশেষ কথাবোৰ তাত টুকি ৰাখিছিল।

8

কাম একপ্ৰকাৰ খেলা

বাৰ্ণাড শ্ব'ৰ *জন বুল্‌জ আদাৰ আইলেণ্ড* নামৰ নাটকখনত এজন উন্মাদ পুৰোহিত আছে যি এখন আদৰ্শ ৰাষ্ট্ৰৰ কথা কয় য'ত কাম হ'ল খেলা আৰু খেলা হ'ল জীৱন। এই ক্ষেত্ৰত হোৱাইটহেডে মন্তব্য কৰিছে এনেদৰে ঃ

> 'ইয়াৰ অন্তৰ্নিহিত ধাৰণাটো হ'ল কামত নৈতিক আৰু বৌদ্ধিক অন্তৰ্দৃষ্টিৰ সন্মিলন ঘটিব লাগে যাতে কামত হোৱা কষ্ট জয় কৰি আনন্দ লাভ কৰিব পাৰি। কাম যেতিয়া খেলাৰ নিচিনা হৈ পৰে, ই হৈ পৰে এক পৰম আশীৰ্বাদ।"

ৰবাৰ্ট ফ্ৰষ্টে তেওঁৰ 'টু ট্ৰাম্প্‌চ ইন মাড টাইম' নামৰ সৰু কবিতাটোত এই কথা সুন্দৰভাবে দেখুৱাইছে। কবিতাত বৰ্ণিত কাহিনী এনেধৰণৰ—বসন্তৰ আগমণি ক্ষণ, গছত এতিয়াও কুঁহিপাত ওলোৱা নাই। বৰফ গলি বোকা হৈছে। ফ্ৰষ্টে বাৰীত আপোনমনে খৰি কাটিছে। অনাই বনাই ফুৰা মানুহ দুটাই দুঃখেৰে চাইছে কাৰণ তেওঁ নকৰিলে সিহঁতৰ হাজিৰা এটা ওলালহেঁতেন। ফ্ৰষ্ট্ এতিয়া এক উভয় সংকটত পৰিল কাৰণ কামটো কৰি তেওঁও কিবা এটা ভাল পাইছে। কবিতাটো শেষ হৈছে এইখিনিৰে ঃ

> কোনেনো বিচাৰে বাৰু দুয়োটা পৃথক হোৱা,
> মোৰ উদ্দেশ্যই হ'ল পেশা আৰু নিচাক একত্ৰিত কৰা,
> ঠিক যেন মোৰ নয়নযুৰিৰ এটাই দৃষ্টি।
> ভালপোৱা আৰু প্ৰয়োজন যিদিনা হ'ব একেখন মেল,
> বাস্তৱ স্বাৰ্থতে কাম হ'ব খেল,
> ঈশ্বৰ প্ৰাৰ্থনা আৰু ভৱিষ্যত সাধনা,
> প্ৰকৃততে সিদ্ধি হ'ব সিদিনা।

কাম যিদিনা খেলৰ দৰে উপভোগ কৰা যায়, মানুহে পৰম উৎসাহেৰে তাত অংশগ্ৰহণ কৰে। সেইদিনাহে মানুহে উপলব্ধি কৰে কিমান সামৰ্থ্য আৰু সম্ভাৱনা প্ৰতিজন ব্যক্তিৰ দেহত, মনত নিহিত থাকে। এবাৰ এজনী ছোৱালীয়ে পঢ়াত বৰ

ভাল ফল দেখুৱাব পৰা নাছিল। তাই এদিন ছপা কামৰ প্ৰতি কিছু আগ্ৰহ দেখুৱালে। কামটোত তাই ইমানেই উবুৰি খাই পৰিল যে পিছলৈ তাই নিজেই প্ৰেছৰ ব্যৱসায় লাভজনক ভাবে চলাব পৰা হ'ল।

অসম চৰকাৰৰ প্ৰাক্তন মুখ্য সচিব চাৰ হেৰল্ড ডেনী এজন সুদক্ষ প্ৰশাসক আছিল। তেওঁৰ মতে কামৰ সুচাৰু ৰূপায়ণেই ইয়াৰ সৰ্বশেষ লক্ষ্য। নৰী ৰুস্তমজীয়ে তেওঁৰ পঢ়ি ভাল লগা আত্মজীৱনী *এনচেণ্টেড ফ্ৰাণ্টিয়াৰ্জত* হেৰল্ড চাহাবৰ বিষয়ে এইদৰে উল্লেখ কৰিছে ঃ

> "চাৰ হেৰল্ড আছিল অক্লান্ত। অফিচলৈ তেওঁ সদায় খোজকাঢ়ি গৈছিল। লগত ৰঙা আৰু সোণালী ৰঙৰ পোছাক পিন্ধা তিনিটা চাপ্ৰাচী। প্ৰত্যেকৰে বোকোচতে চাণ্টা ক্লজৰ দৰে বৰ বৰ একোটা ফাইলৰ বোজা। সেইখিনি চাহাবে আগদিনা ৰাতি আজৰি কৰা। সন্ধিয়া ওভতোতেও একেই দৃশ্য। এইবাৰ চাহাবে অইন এদ'ম ফাইল লৈ আনিছে। প্ৰতিদিনা সেই একেই দৃশ্য। কেৱল পূজাৰ বন্ধত এসপ্তাহ ছুটী লৈ তেওঁ মাছ মাৰিবলৈ বুলি শ্বিলঙৰ বাহিৰলৈ যায়।
>
> আজিকালিৰ বিষয়াসকলেও কাম কৰে, কিন্তু তাৰ আঁৰত 'প্ৰতিষ্ঠা লাভ'ৰ এটা মোহ থাকে। মই নিশ্চিত যে হেৰল্ড চাহাবৰ এনে কোনো হেঁপাহ নাছিল। তেওঁ অসমৰ শীৰ্ষ অসামৰিক বিষয়া আছিল আৰু তাতেই তেওঁ সন্তুষ্টও আছিল। একেসময়তে তেওঁ বেছ উৎসৰ্গিত চিত্তে সেৱা আগবঢ়াছিল। সৰু-বৰ কোনো আহুকলীয়া কথা তেওঁ এৰাই নচলিছিল। তেওঁৰ প্ৰতিটো সিদ্ধান্তই আছিল নিৰহ-নিপানী আৰু মোৰ বোধেৰে তেওঁ এৰিষ্টটলৰ দৰেই বিশ্বাস কৰিছিল যে নিজৰ পূৰ্ণতম সামৰ্থ্যৰে সেৱা আগবঢ়াব পাৰিলেই এজন মানুহ সুখী হয়।"

সুস্থ আৰু বন্ধুত্বপূৰ্ণভাবে প্ৰতিযোগিতা হ'লে কাম এটা খেলাৰ দৰেই হৈ পৰে। ওলন্দাজ ঐতিহাসিক জে. হুইজিংগাই এটা বেচ অভিনৱ ধাৰণা আগবঢ়াইছিল। তেওঁৰ মতে খেলা কামতকৈও গুৰুত্বপূৰ্ণ আৰু খেল হ'ল মানৱ সংস্কৃতিৰ মূল। তেওঁৰ মতে খেলা সকলোতেই আছে। তেওঁ আঙুলিয়াই দেখুৱাইছে বাণিজ্যতো খেল আছে আৰু খেলাও বাণিজ্য হৈ পৰিছে। ৰটাৰডাম একাডেমী অৱ কমাৰ্চে সন্মানীয় ডিগ্ৰী প্ৰদান কৰা এজন উদ্যোগপতিয়ে কোৱা এষাৰ কথা তেওঁ উল্লেখ কৰিছে ঃ

ব্যৱসায়ত সোমোৱাৰ পৰাই মই মন কৰিছোঁ ই কাৰিকৰী লোক আৰু বিক্ৰেতাসকলৰ মাজত এক প্ৰতিযোগিতা। বিক্ৰেতাসকলে কেতিয়াও বেচি শেষ কৰিব নোৱাৰাকৈ বস্তু উৎপাদন কৰিবলৈ কাৰিকৰী লোকসকলে চেষ্টা কৰে আকৌ বিক্ৰেতাসকলে চেষ্টা কৰে যে কাৰিকৰী লোকসকল উৎপাদন কৰি ভাগৰি যোৱাকৈ যাতে তেওঁলোকে বস্তু বিক্ৰী কৰিব পাৰে। এই প্ৰতিযোগিতা সদায় চলি আহিছে।

এবাৰ এটা ফৈদ আগ হয়, আনবাৰ ইটো ফৈদ আগবাঢ়ে। মই আৰু মোৰ ভাইটোৱেও ব্যৱসায়ক কাম বুলি নলৈ খেল বুলিহে লওঁ আৰু সদায় চাওঁ যাতে একেটা মনোভাব আমাৰ ডেকা কৰ্মচাৰীখিনিৰ মনতো গঢ়ি উঠে।

হুইজিংগাৰ মতে এইখিনি কথাৰ গুৰুত্ব আছে। অৱশ্যে এইখিনি সিদ্ধান্ত একেবাৰে সন্দেহৰ উৰ্দ্ধত থাকি মানিও লব নোৱাৰি।

এজন দক্ষ প্ৰশাসক চন্দুলাল ত্ৰিবেদীয়ে চুৰট হুপি হুপি প্ৰায়েই তেওঁৰ কৰ্মচাৰীসকলক সকীয়াইছিল—কামটো হোৱাটোৱেই কাম কৰাৰ পুৰস্কাৰ।

কামটো খেল হিচাপে গ্ৰহণ কৰিব পৰাটোৱেই মানুহৰ সৰ্বোত্তম সফলতা। কনাৰ্ড লৰেঞ্জৰ শিক্ষক ফাৰ্ডিনেন্ড হচ্চ্‌টেটাৰে এসত্তৰ বছৰ বয়সত ভিয়েনা বিশ্ববিদ্যালয়ৰ বিদায়ী ভাষণত কৈছিল—

> "মোক যদি সোধে জীৱনজোৰা শিক্ষকতা আৰু গৱেষণাৰ কালছোৱাত মই কি কৰিলোঁ তেনে মই অকপটভাবে কব লাগিব মই সদায় সেইটো কামেই কৰিছিলোঁ যিটো কৰি সেই মুহূৰ্তত মই আটাইতকৈ বেচি স্ফূৰ্ত্তি পাইছিলোঁ।"

9

কামৰো সৌন্দৰ্য আছে

এক নিকা নান্দনিক অভিজ্ঞতা সকলোৰে কাম্য। এনেকুৱা অভিজ্ঞতা বেচ মাদকতাভৰা। এনেকুৱা অভিজ্ঞতাই আমাক শক্তি আৰু মহত্ব যোগায়। আমাৰ আমনিলগা ভাব আঁতৰায়। সেয়েহে সুন্দৰৰ প্ৰতি সকলো আকুল। শীতৰ ৰাতি গভীৰ নীলা আকাশখনৰ তাৰকাৰাশিৰ জিকমিকনিয়ে সকলোকে পুলকিত কৰে। এনেবিলাক নান্দনিক অভিজ্ঞতাই জীৱনক উদ্দেশ্য আৰু অৰ্থবহতা প্ৰদান কৰে। সৌন্দৰ্য এক চিৰন্তন তৃপ্তি।

ধুনীয়া কিবা এটা সৃষ্টি কৰাটো স্থায়ী সুখৰ কথা। চিত্ৰশিল্পী, কবি, সংগীতজ্ঞ আদি শিল্পীসকল এনে সৃষ্টিশীল কামতেই নিমগ্ন হৈ থাকে। কিন্তু সৃষ্টি কেৱল শিল্পীৰ আছুতীয়া অধিকাৰ বুলি ভাবিব নালাগে। কাম কৰাৰ স্পৃহা সাৰ্বজনীন। আনকি দৈনন্দিন কামসমূহো কলাসুলভভাবে সমাধা কৰিব পাৰি।

সঞ্জীৱনী নামৰ বিখ্যাত মাৰাঠী উপন্যাসখনত দেখুওৱা হৈছে কেনেকৈ এজনী তৰুণী চেক্ৰেটৰীয়ে নিৰহ-নিপানী স্বভাৱেৰে কেইটামান সৰু-সুৰা কাম কৰি অফিচাৰৰ কোঠাটোৰ চেহেৰাই বদলাই পেলালে। স্থায়ী চেক্ৰেটৰীগৰাকী হঠাৎ ছুটীত যোৱাত এই তৰুণীক মকৰল কৰা হৈছিল। আগেয়ে অফিচাৰৰ মেজখন ধুলিৰে পোত গৈ আছিল আৰু ফাইল-পত্ৰৰে নধৰা হৈছিল। 'পেন্সিল কেইডাল জোঙলোৱা হোৱা নাছিল। ফাইলবোৰ অপৰিপাটীকৈ দ'ম হৈ আছিল। এই তৰুণী চেক্ৰেটৰীয়ে এইটো নিশ্চিত কৰিলে যে মেজখন যাতে খুঁত নথকাকৈ পৰিষ্কাৰ হৈ থাকে। তাই মেজৰ ওপৰত সদায় কেইপাহমান সজীৱ আৰু সুগন্ধি ফুল থোৱা কৰিলে। পেন্সিল সদায় জোঙা কৰি ধুনীয়াকৈ সজাই থোৱা হ'ল। ব্লটিং পেপাৰ নিয়মীয়াকৈ বদলাই থোৱা হ'ল। ফাইলবোৰো জধে মধে দ'মাই নথৈ ভাগে ভাগে জাপি থোৱা হ'ল। প্ৰত্যেক দিনৰ মিটিং আৰু এপইণ্টমেণ্টবোৰ উল্লেখ থকা এখন টাইপ কৰা টোকা মেজত নিয়মীয়াকৈ থোৱা হ'ল। দেখাত সৰু যেন লাগিলেও এইবিলাকে এক ডাঙৰ পৰিৱৰ্তন আনিলে। অফিচটো বেচ

নিকা আৰু সজীৱ হৈ পৰিল। অফিচাৰজনেও এনে এটা সুচল পৰিবেশত কাম কৰিবলৈ দুগুণে উৎসাহ পালে।

জাপানত প্ৰতিটো কথাতে নিয়াৰি, পৰিচ্ছন্ন আৰু সুন্দৰ হোৱাৰ প্ৰতি এক স্পৃহা লক্ষ্য কৰা যায়। তাত যিকোনো বস্তুৱেই ধুনীয়া। সকলোবিলাক পৰিষ্কাৰ পৰিচ্ছন্ন।

> "জাপানীসকলৰ এক দৰ্শনীয় নান্দনিক ৰুচিবোধ আছে। তেওঁলোকে সকলো বস্তুকে সুন্দৰকৈ সজাই পৰাই অলংকৃত কৰি তোলে। যেনেকৈ চেণ্ডুইচ এটা জাপানত কেৱল চেণ্ডুইচেই নহয় ই এক শিল্পকৰ্ম। ইয়াক শিল্পীসুলভকৈ কটা হয়—কোনোবাটো ঘূৰণীয়া, কোনোবাটো আঠকোণীয়া বা তৰাৰ লেখীয়া, প্ৰতিটোতে ধুনীয়াকৈ ৰং দি ওপৰত বিলাহী চকলিয়াই দিয়া হয়।"

এয়া জৰ্জ মাইক্‌চৰ বৰ্ণনা। তেওঁৰ মতে জাপানত জাবৰ জোঁথৰো ধুনীয়াকৈ সামৰা হয়। জাপানীসকলে কোনো এটা বস্তুকে ধুনীয়া নকৰাকৈ নেৰে। তেওঁ কৈছে—

> "কাৰখানা এটাৰ পিচফালে পৰ্বতপ্ৰমাণ জাবৰৰ দ'ম। তাতো এটা কলা আছে। বাকচবোৰ এটা পিৰামিডৰদৰে সজাই খুচুৰা বস্তুবোৰ তাৰ ওপৰত কলাসুলভভাবে সজাই দিয়া আছে।"

আনকি দৈনন্দিন কামবোৰো যদি আঁচনি অনুসাৰে আৰু প্ৰণালীবদ্ধভাবে কৰা যায় তাতো এটা কলাসুলভ ৰূপ ফুটি উঠে। ই হৈ পৰে কমনীয় আৰু সুন্দৰ। লৰ্ড মাউণ্টবেটেন এজন অতিশয় পৰিশ্ৰমী আৰু প্ৰণালীবদ্ধ ব্যক্তি আছিল। ভাৰতৰ ভাইচ্‌ৰয় হৈ থাকোঁতে দেশখন বুজি পাবলৈ তেওঁ বিভিন্নজনক সাক্ষাৎ কৰিছিল। এইক্ষেত্ৰত তেওঁ এটা বিশেষ নিয়ম অৱলম্বন কৰিছিল। প্ৰতিটো সাক্ষাৎ হৈ যোৱাৰ পিচতে তেওঁ পোন্ধৰ মিনিট সময় বিৰতি লৈছিল। এই সময়তে আগৰ আলচটোৰ সাৰকথাখিনি যুগুত কৰি তেওঁ এটা শ্ৰুতলিপি দিছিল আৰু টোকাবোৰত এটা প্ৰসংগ নম্বৰ দি সেইবোৰ কৰ্মচাৰীসকলক বিলাই দিছিল; যাতে সকলোৱেই নতুন ঘটনাৱলীৰ বিষয়ে সম্পূৰ্ণৰূপে অৱগত হ'ব পাৰে। এনেকুৱা প্ৰণালীবদ্ধ কামৰ পৰিৱেশত সকলোৱে আনন্দ পায়। ইয়াৰ লগত অহা সাফল্যৰ অনুভূতিয়ে দিয়া আনন্দই সুকীয়া।

এজন সুখ্যাত ফৰাচী কলাকাৰ ফাৰ্ণাণ্ড লেগাৰে ঠিকেই কৈছিল—

> "সৌন্দৰ্যৰ প্ৰয়োজনীয়তা ভবাতকৈ বেছি বিস্তৃত। শৈশৱৰ পৰা পূৰ্ণ বয়সলৈ সৌন্দৰ্যৰ সন্ধান গভীৰ। আমাৰ দৈনন্দিন জীৱনৰ তিনি চতুৰ্থাংশ সময়ৰ সমস্ত হাব-ভাব সৌন্দৰ্য বিচাৰোঁতেই যায়।"

তেওঁ বৰ্ণনা কৰিছে দোকানী এজনে দোকানৰ খিৰিকীত ৰেইষ্টকোট সজোৱাৰ ঘটনা এটা,

> "মানুহজনে সোতৰটা ৰেইষ্টকোটৰ লগতে সমানসংখ্যক কাফ-লিংক আৰু নেক্ টাই খিৰিকীত সজাইছে। এযোৰ সজাওঁতে তেওঁ এঘাৰ মিনিটমানকৈ লৈছে। ছয় নম্বৰটো সজোৱালৈ চাই আমাৰ আমনি লগাত গুচি আহিলোঁ। তেতিয়ালৈ প্ৰায় এঘণ্টামান হ'ল। প্ৰতিটো বস্তু একচুলিমান ইফাল সিফাল হ'লেও তেওঁ আহি চাইছিল। কিন্তু বাহিৰলৈ আহোঁতেও তেওঁ নিজৰ কামত ইমান নিবিষ্ট আছিল যে আমাক মন কৰা নাছিল। অভ্যস্ত হাতেৰে তেওঁ চকুৰ চশমা ঠিক কৰিছিল, চেলাউৰি ঘোপা কৰি, দৃষ্টি স্থিৰ কৰিছিল তেওঁৰ কামত—যেন তেওঁৰ সমস্ত ভৱিষ্যত তাৰ ওপৰতে নিৰ্ভৰ কৰিছে।"

চমুকৈ ক'বলৈ গ'লে, সাধাৰণ, দৈনন্দিন কামবিলাকো সুন্দৰভাবে সমাধা কৰিব পাৰি। যিজন শ্ৰমিকে তেওঁৰ সা-সঁজুলিবিলাক সামৰি সুতৰি থয়, মেচিনটো নিয়মীয়াকৈ চাফা কৰে, বা বস্তু নষ্ট নকৰাকৈ কামটো উলিয়ায় তেওঁ এজন ৰূপসাধক। তেওঁক কাম কৰা চাইয়েই ভাল লাগে।

10

কাম সৃষ্টিশীল চৰ্চা

কিছুমান মানুহে কিছুমান বস্তু দেখি সোধে এইবিলাক কিয় আছে
মই কাহানিও নথকা বস্তুৰ সপোন দেখি সোধোঁ কিয় নাথাকিব!

—বাৰ্ণাৰ্ড শ্ব'

সৃষ্টিশীলতাৰ সংজ্ঞা দিয়া সহজ নহয়। যিকোনো সৃষ্টিশীল বস্তুৰ প্ৰকৃতিয়েই হৈছে বৰ্ণনাতীত। 'ই এক নজনা-নুশুনা বস্তু আৰু ইয়াৰ উদয় হোৱালৈকে ই নজনা নুশুনা হৈয়েই থাকিব। ই এক অসম্ভৱ যিটো এদিন সম্ভৱ হয়। যিকোনো সৃষ্টিশীল প্ৰয়াসতে সেই 'ইউৰেকা ইউৰেকা' অনুভৱটো আছে—এইটোৱেই সেইটো, মই আৱিষ্কাৰ কৰিলোঁ। মই ইয়াকে প্ৰকাশ কৰিব বিচাৰিছিলোঁ।"

সৃষ্টিশীলতা বিষয়টো বৰ জটিল, বিস্তৃত আৰু বিতৰ্কিত। আমি সেইবিলাক আহুকাললৈ যাব খোজা নাই। এটা কথা নিঃসন্দেহ যে মানৱ মন তেতিয়াই আটাইতকৈ সুখী হয় যেতিয়াই সি একেবাৰে নতুন, লাগতিয়াল অথচ সুন্দৰ কিবা এটা সৃষ্টি কৰিবলৈ সমৰ্থ হয়। এইটো নহয় যে কেৱল বিজ্ঞানী, প্ৰযুক্তিবিদ বা কলাকাৰেহে সৃষ্টি কৰিব পাৰে। সৃষ্টিশীলতা সকলো ক্ষেত্ৰতে, সকলো পৰ্যায়তে সম্ভৱ। প্ৰাথমিক বিদ্যালয়ৰ শিক্ষক এজনো সৃষ্টিশীল হ'ব পাৰে।

এজন সৃষ্টিশীল মানুহে তেওঁৰ সকলো ইন্দ্ৰিয়ৰ সুপ্ৰয়োগ কৰে। কাৰণ সৃষ্টিশীলতা বিভিন্ন কথাৰ ওপৰত নিৰ্ভৰ কৰে—যেনে জ্ঞান, অভিজ্ঞতা, নমনীয়তা, আত্ম-বিশ্বাস, বোধশক্তি তথা অনলস পৰিশ্ৰমৰ ক্ষমতা। কঠোৰ পৰিশ্ৰমৰ সীৰলুত সৃষ্টিৰ পুলিয়ে পাহি মেলি উঠে।

উদাহৰণস্বৰূপে, ফোনোগ্ৰাফ তৈয়াৰ কৰিবৰ সময়ত এডিচনে পাঁচদিন পাঁচনিশা একেৰাহে কাম কৰিছিল। নিজৰ উদ্ভাৱনসমূহৰ কাম চলি থাকোঁতে তেওঁ চাৰি-পাঁচ ঘণ্টাৰ বেছি লোৱা নাছিল। ভিক্টোৰীয় যুগৰ অতিশয় অগ্ৰণী অভিযন্তা ব্ৰুনেলে গ্ৰেট ইষ্টাৰ্ণ নামৰ জাহাজখনৰ নিৰ্মাণ কাৰ্য ৰুগীয়া শৰীৰেৰেই চোৱা-চিতা

কৰিছিল। সেইসময়ৰ জাহাজবিলাকতকৈ এইখন তেওঁ ছ গুণ ডাঙৰকৈ সজাৰ আঁচনি কৰিছিল। তেওঁৰ কিডনিৰ অসুখ আছিল। পিচলৈ ষ্ট্ৰোক হৈ তেওঁৰ পেৰালাইচিচ হৈ গৈছিল।

সৃষ্টিশীল মানুহৰ প্ৰত্যেকৰে কাম কৰাৰ ধৰণো বেলেগ বেলেগ। শ্বিলাৰে তেওঁৰ মেজৰ তলত গেলা আপেল লুকুৱাই থৈছিল; তাৰ গোন্ধটোত তেওঁ কবিতা লেখিবলৈ প্ৰেৰণা পাইছিল। ৱাল্টাৰ ডে লা মেয়াৰে লেখি থকাৰ সময়ত নিৰন্তৰ ধূমপান কৰিছিল। অডেনে আকৌ ঘনাই চাহ খাইছিল আৰু ষ্টিফেন স্পেণ্ডাৰক লাগিছিল কফি। দাৰ্শনিক ডেকাৰ্টেই তেওঁৰ গধুৰ চিন্তা চৰ্চাবিলাক বিচনাত পৰি পৰিয়েই কৰিছিল। এদিন তেওঁৰ বন্ধুদুজনমানে দিনৰ এঘাৰমান বজাত তেওঁক লগ ধৰিবলৈ আহিল; তেওঁ তেতিয়াও বিচনাতে। তেওঁলোকে সুধিলে "কি কৰিছা দুপৰীয়াখন?" "চিন্তা কৰিছোঁ"—তেওঁ উত্তৰ দিলে। এই শতিকাৰ এজন শ্ৰেষ্ঠ গণিতজ্ঞ জন ভন নিউমেনৰ শোৱাও দেৰি, উঠাও দেৰি। তেওঁৰ এজন বিজ্ঞানী বন্ধুৱে ৰাতিপুৱা দহবজাত ফোন কৰি জনালে যে অমুক প্ৰব্লেমটোৰ তেওঁ দিয়া সমাধানটোৱেই শুদ্ধ। নিউমেনে উত্তৰ দিলে—"মই শুদ্ধ আছিলোঁ বুলি ক'বলৈকে এই উপজি পুৱাতে ফোন কৰিলা, এতিয়া মই ভুল নকৰালৈকে অপেক্ষা কৰি থাকাঁ।"

প্ৰফেচাৰ ৱালডক নামৰ আন্তৰ্জাতিক খ্যাতিসম্পন্ন আইন বিশেষজ্ঞজনে তেওঁৰ লেখা পঢ়াৰ কামবোৰ বিচনাত কৰিয়েই ভাল পাইছিল। তেওঁৰ মতে মূৰতকৈ ভৰিকেইটা অকণমান ওপৰত ৰাখি ল'ব পাৰিলে তেওঁ বেছি দীঘলীয়া সময়ৰ বাবে কাম কৰিব পাৰে। হোটেলৰ বন্ধ কোঠাত সেইদৰেই পৰি থাকি তেওঁ কফি আৰু চেণ্ডুইচ খাই সোপাসোপে আইনসম্পৰ্কীয় খচৰা লেখি থৈ গৈছিল।

সৃষ্টিশীলতাৰ কোনো ধৰা বন্ধা মাত্ৰা নাই। মানুহ বিভিন্ন ধৰণে সৃষ্টিশীল হ'ব পাৰে। যুগোশ্লাভিয়াত জন্ম হৈয়ো মাদাৰ টেৰেজাই আন্তৰ্জাতিক খ্যাতি লাভ কৰিলে ভাৰতবৰ্ষত তেওঁ আগবঢ়োৱা মানৱহিতৈষী সেৱাৰ বাবে। বহুবছৰ আগতে তেওঁ কলিকতাত ঘূৰি ফুৰোঁতে দেখিলে এখন বিখ্যাত হস্পিটেলৰ সন্মুখৰ পথৰ দাঁতিত এজনী ৰুগীয়া তিৰোতা পৰি আছে। মানুহজনী টান নৰিয়াত পৰিছিল। তেওঁ গমেই নাপায় যে তেওঁৰ ভৰিদুখন এন্দুৰ, পইতাচোৰাই কুটি কুটি খাই দিছে। মাদাৰ টেৰেজাই বহুত লাগি মেলিও তেওঁক কলিকতাৰ এখন চিকিৎসালয়ত ভৰ্তি কৰিব নোৱাৰিলে। পিচত তেওঁ সিদ্ধান্ত ল'লে নিৰাশ্ৰয় মুমূৰ্ষু লোকৰ কাৰণে এটি গৃহ খোলাৰ—নাম দিলে 'নিৰ্মল হৃদয়'। সৃষ্টিশীল মানৱীয় অনুকম্পাৰ এক অনন্য অনুষ্ঠান।

মাৰ্কচ এণ্ড স্পেন্সাৰ

১৮৮৪ চনত পেনি বজাৰ হিচাপে স্থাপিত হোৱা ইংলেণ্ডৰ এই প্ৰতিষ্ঠানটি ব্যৱসায়িক সৃষ্টিশীলতাৰ অনন্য উদাহৰণ। ১৯১৫ চনলৈ ই এলানি সুখ্যাত দোকান হৈ পৰে। ১৯২৪ চনত চাইমন মাৰ্কচ মাৰ্কিন যুক্তৰাষ্ট্ৰলৈ গ'ল ইতিমধ্যে সেইদেশৰ শিল্প বাণিজ্যৰ চেহেৰা সলনি কৰি পেলোৱা বজাৰ বিপ্লৱৰ বিষয়ে অধ্যয়ন কৰিবলৈ বুলি। মুগ্ধ হৈ ঘূৰি আহি তেওঁ বদ্ধপৰিকৰ হ'ল নিজৰ ব্যৱসায়ৰ সংজ্ঞা পুনৰ-নিৰ্দ্ধাৰণৰ বাবে। নতুন উদ্দেশ্য হ'ল 'ইংলেণ্ডত এক সমাজ বিপ্লৱ ঘটোৱা'। খুচুৰা ব্যৱসায় হ'ল এই উদ্দেশ্য সাধনৰ উপায়।

এয়া একেবাৰে নতুন চিন্তা আছিল। সেইদিনত ইংৰাজ সমাজ আছিল খুবেই শ্ৰেণী-সচেতন। পোছাক-পাতিতে সেইটো ফুটি উঠিছিল। অভিজাতসকলে ভাল পোছাক পিন্ধিছিল আৰু সাধাৰণ শ্ৰেণী জলহু পোছাকতে আছিল। মাৰ্কচ এণ্ড স্পেন্সাৰে কম মূল্যত ভাল কাপোৰ বজাৰত উলিয়াই দি এই পাৰ্থক্য আঁতৰালে। ই আছিল এক মহৎ সাফল্য। মাৰ্কচ এণ্ড স্পেন্সাৰ আজি এক বিশ্ব-বিশ্ৰুত খুচুৰা দোকান।

সৃষ্টিশীলতা এনে উচ্চখাপৰ ব্যৱসায় পৰিচালনাতে সীমাবদ্ধ নহয়। এবাৰ এটা অফিচত মাহৰ শেষত গ্ৰাহকক বিল দিয়াৰ লেঠাটো বাঢ়ি আহিছিল। পিচত প্ৰতি সপ্তাহে এক-অষ্টমাংশ গ্ৰাহকক বিল দিয়াৰ ব্যৱস্থা কৰা হ'ল। প্ৰতিজন গ্ৰাহকে দুমাহৰ মূৰে মূৰে বিল পোৱা হ'ল। এশজন কেৰাণীৰ দৰমহাৰ খৰচ ৰাহি হ'ল।

জৰ্জ ক্ৰাগ নামৰ আমেৰিকাৰ ইলিনইৰ এজন অশিক্ষিত কৃষকে ঘেঁহুৰ এটা নতুন সংকৰ সঁচ উদ্ভাৱন কৰিছিল। সমগ্ৰ বিশ্বতে ইয়াক বহুলভাবে ব্যৱহৃত কৰা হয়। প্ৰচলিত নিয়মৰ বিৰুদ্ধে গৈ তেওঁ এয়া উদ্ভাৱন কৰিছিল। তেওঁৰ যুক্তি— গৰু-ঘোঁৰাই ছিৰাত গুটি সমানকৈ লাগিছেনে নাই সেইটো নাচায়। অঞ্চলটোৰ এজেণ্টৰ ওচৰলৈ যেতিয়া তেওঁ প্ৰতিযোগিতাত দিবলৈ বুলি সঁচটো আনিলে এজেণ্টে সেই অদ্ভুত সঁচ দেখি তেওঁক প্ৰায় খেদিয়েই পঠাইছিল। কিন্তু প্ৰায় তিনিবছৰৰ ভিতৰতে মুঠ এশ বিশটা সঁচৰ ভিতৰত সেইটোৱেই অধিক উৎপাদন দিলে। আজি পৃথিৱীৰ সকলো প্ৰান্ততে তাৰ খেতি কৰা হয়।

11

সুশৃংখল শ্ৰমেৰে জাতীয় উন্নয়ন

বিশিষ্ট অৰ্থনীতিবিদ এ. কে. দাসগুপ্তৰ মতে পৰিশ্ৰমী আৰু মিতব্যয়ী মনোভাব উৎপাদনৰ আঁৰৰ দুটা অন্যতম আহিলা। ঘাইকৈ এই দুটা কথাৰ বাবেই জাপানে ১৯৬০ৰ পৰা ১৯৭০ চনৰ ভিতৰত নিজৰ জাতীয় আয় দুগুণ কৰিব পাৰিলে। সেইদেশৰ সঞ্চয়ৰ হাৰ পৃথিৱীৰ ভিতৰতে বেছি। সত্তৰৰ দশকৰ প্ৰথম বছৰকেইটাত তেওঁলোকে জাতীয় আয়ৰ প্ৰায় ৪০ শতাংশ সঞ্চয় কৰিছিল। জাপানীসকলে সময় আৰু কাম এটাৰো অপব্যয় নকৰে। তেওঁলোকৰ কাম সুপৰিকল্পিত আৰু সেইমতে কৰেও। উদাহৰণস্বৰূপে হোণ্ডা মটৰ কোম্পানীয়ে কোনো স্পেয়াৰ পাৰ্ট নাৰাখে। এনেকুৱা ব্যৱস্থা কৰা আছে যে প্ৰয়োজনীয় স্পেয়াৰ পাৰ্ট এচেম্বলী লাইনত প্ৰয়োজনীয় মিনিটত (তাকো ঘণ্টাতো নহয়), যোগান ধৰা হয়। এই 'ভুল-শূন্য' (zero defect) হাবিয়াসে জাপানত উল্লেখনীয় সাফল্য লাভ কৰিছে। ভালকৈ কাম কৰাটো অৰ্থনৈতিক উন্নয়নৰ অন্যতম পূৰ্বচৰ্ত। অৰ্থনীতিত নোবেল বঁটা বিজয়ী গানাৰ মিৰ্ডালে তেওঁৰ তিনি খণ্ডৰ ধ্ৰুপদী কৰ্ম *এচিয়ান ড্ৰামাত* লেখিছে ঃ

> "ভাৰতে যদি দ্ৰুত আৰু সামগ্ৰিক উন্নয়ন সাধন কৰিব খোজে তেন্তে শ্ৰম-উৎপাদনশীলতা বঢ়াব লাগিব। শেষত দেখা যাব যে ভাৰতৰ অৰ্থনৈতিক পৰিকল্পনা সফল হোৱা নোহোৱাটো নিৰ্ভৰ কৰিছে মানুহৰ ওপৰতেই, অৰ্থাৎ দেশখনৰ মানুহে বেছিকৈ কাম কৰি অধিক উৎপাদন কৰিছেনে নাই তাৰ ওপৰত।"

জৱাহৰলাল নেহৰুৱে এবাৰ ক্ষোভেৰে কৈছিল ঃ

> "আমি বেছি এলেহুৱা হৈ পৰিছোঁ। আমাৰ হাত-ভৰি নচলা হৈছে আৰু বুদ্ধিও সক্ৰিয় নোহোৱা হৈছে।"

ৰুছ বিপ্লৱৰ পিচতে লেনিনেও প্ৰায় একেধৰণৰ কথাকে কৈছিল ঃ

> "ছোভিয়েট চৰকাৰৰ অন্যতম কৰ্তব্য হ'ল মানুহক সৰ্বতোপ্ৰকাৰে কাম কৰিবলৈ শিকোৱা।"

১৯২০ চনত, একেধাৰে কবি তথা ঔদ্যোগিক অভিযন্তা এ. কে. গাস্তেভে কাৰখানা সংগঠনৰ বিজ্ঞানসন্মত অধ্যয়নৰ পৰিৱৰ্দ্ধনৰ বাবে এটা কেন্দ্ৰীয় শ্ৰম প্ৰতিষ্ঠান স্থাপন কৰিছিল। এই সময়তে ৰুছ জনগণৰ সাংগঠনিক নিৰক্ষৰতা দূৰ কৰিবৰ হকে উলিওৱা এখন প্ৰচাৰ পুস্তিকাত সন্নিবিষ্ট কথাখিনি মন কৰিবলগীয়া ঃ

"সময়! ব্যৱস্থা! শক্তি!" এইবিলাক শব্দৰ অৰ্থ কি?

সময়

সময় জুখি-মাখি চলিবা। নিয়ন্ত্ৰণত ৰাখিবা!
সকলো সময়মতে কৰাঁ। একেবাৰে এই মুহূৰ্ততে!
সময় বচোৱা, সময় হিচাপ কৰাঁ, কাম খৰকৈ কৰাঁ।
সময় সঠিকভাবে ভগাই লোৱাঁ, এভাগত কাম, এভাগত অৱসৰ।
আজৰি সময় ভালকৈ কটোৱাঁ, যাতে পিচত ভালকৈ কাম কৰিব পাৰাঁ।

ব্যৱস্থা

প্ৰত্যেকটো কথাই আঁচনিমতে কৰাঁ!
এটা পদ্ধতি অৱলম্বন কৰাঁ।
লগত এখন টোকাবহী ৰাখাঁ,
কামৰ ঠাইখন সুশৃংখল কৰি ৰাখাঁ!
প্ৰতিটো কাম পৰিকল্পনা মতে কৰাঁ!

শক্তি

তোমাৰ লক্ষ্য পথত অগ্ৰসৰ হোৱাঁ!
কঠোৰ প্ৰয়াস কৰাঁ। ব্যৰ্থ হ'লেও পিচ হুঁহকি নাহিবা। হাতত লোৱা কাম সদায় শেষ কৰাঁ।
সাম্যবাদ, মাৰ্কিনবাদ, বাস্তৱবাদ আৰু সতৰ্ক দৃষ্টি।

কঠোৰ পৰিশ্ৰম আৰু সাধুতাৰে দৈনন্দিন কাম কৰাটো দেশৰ অৰ্থনৈতিক সমৃদ্ধিৰ বাবে প্ৰয়োজনীয়। এতিয়া ইংলণ্ডৰ দিন পৰি আহিছে বুলি কোৱা হয়। ৰাস্তাঘাট আগতকৈ বেয়া হৈছে; ৰেলৰ ডবা, চাহৰ দোকানবোৰ লেতেৰা হৈছে। এইবোৰ সকলো পৰিশ্ৰমৰ প্ৰতি অনীহাৰ ফল। মানুহে আধা ঘণ্টা গ'লেই চাহ খাবলৈ বিচাৰে, ছুটী হোৱাৰ এঘণ্টা আগতেই ঘৰলৈ যাবলৈ বিচাৰে। কেইবছৰমান আগতে এটা হিচাপত ওলাইছিল যে বৃটেইনত জাহাজ এখন সাজিবলৈ লাগে উনৈশ মাহ, জাৰ্মেনীত লাগে দহ মাহ, চুইডেনত ন মাহ আৰু জাপানত লাগে আঠ মাহ। 'গথিক' নামৰ ১৫,০০০ টনৰ বৃটেইনৰ ৰাজকীয় জাহাজখনৰ মেৰামতিৰ

কাম সোনকালে আৰু কম খৰচতে হওক বুলিয়েই পশ্চিম জাৰ্মানীৰ প্ৰতিষ্ঠান এটাক দিয়া হৈছিল। এলাহ আৰু অযোগ্যতাৰ প্ৰতি যেন বৃটিছসকলৰ এক জাতীয় সহনশীলতা গঢ় লৈ উঠিছে।

জাপানৰ হিটাচী আৰু ইংলেণ্ডৰ ইংলিছ ইলেকট্ৰিক নামৰ কাৰখানা দুটাৰ কৰ্মসংস্কৃতিৰ এটা পুংখানুপুংখ পৰ্যালোচনাত ঔদ্যোগিক অযোগ্যতাৰ প্ৰতি তেওঁলোকৰ দৃষ্টিভংগীৰ বৈপৰীত্য স্পষ্ট হৈ পৰিছিল। জাপানীসকলে সামূহিক যোগ্যতাক বেছি মূল্য দিছিল আৰু বৃটিছসকলে দিছিল ব্যক্তি স্বাধীনতাৰ ওপৰত।

★ হিটাচীৰ মেনেজাৰ বা ট্ৰেড ইউনিয়নৰ নেতাসকলে বৃটিছৰ তুলনাত যোগ্যতাক বেছি গুৰুত্ব দিছিল।

★ হিটাচীৰ ইউনিয়নৰ নেতাসকলে ব্যক্তিগত মৰ্যাদা, স্বাধীনতা আৰু সমতাতকৈ ঐক্য, যোগ্যতা আৰু শৃংখলাত বেছি গুৰুত্ব দিছিল। আনহাতে বৃটেইনৰ ইউনিয়ন কৰাসকলে মানুহৰ স্বাধীনতা আৰু মৰ্যাদাক উৎপাদনশীল পটুতাতকৈ বেছি মূল্য দিছিল।

★ হিটাচীৰ ইউনিয়নৰ নেতাসকলে মেনেজাৰৰ লগত উৎপাদন বৃদ্ধিৰ ক্ষেত্ৰত সমানে ঐকান্তিকতা প্ৰকাশ কৰিছিল। কিন্তু বৃটিছ নেতাসকলৰ ক্ষেত্ৰত সেয়া সাধাৰণতে দেখা নগৈছিল।

যোগ্যতাৰ প্ৰতি এই অনীহাৰ বাবেই আজি ইংলেণ্ডৰ অৰ্থনীতিৰ এই অৱস্থা হৈছে।

আধুনিক পৃথিৱীত কামৰ ক্ষেত্ৰত এক নতুন দৰ্শনৰ প্ৰয়োজন। তাৰ বুনিয়াদী নীতি এনেধৰণৰ ঃ জাতীয় অৰ্থনীতি এক একক অৰ্থনীতি। সেই অৰ্থনীতিৰ কোনো অংশত অযোগ্যতাৰ প্ৰবেশ ঘটিলে সমগ্ৰ অৰ্থনীতিতে তাৰ ছাঁ পৰিব। প্ৰত্যেকেই আনৰপৰা ভালৰো ভাল কাম আশা কৰে। এই আশা বৈধ হয় তেতিয়াহে যেতিয়া প্ৰত্যেকেই নিজৰ কাম ঠিকমতে কৰে। সেয়েহে নিজৰ কাম কৰোঁতে প্ৰত্যেকেই নিজৰ জ্ঞান, প্ৰতিভা-কৌশল, হাতত থকা সা-সঁজুলি, সময় আৰু শক্তিৰ সুব্যৱহাৰ কৰিব লাগে আৰু যিমানদূৰ সম্ভৱ আন সহকৰ্মীৰ প্ৰতি সহযোগী মনোভাৱৰ হ'ব লাগে। নিজৰ কামৰ প্ৰতি শ্ৰদ্ধাশীল হ'লে এজন মানুহে কামৰ পৰিধিৰ বাহিৰৰ জগতখনৰ প্ৰতিও শ্ৰদ্ধাশীল হ'ব পাৰে—তেওঁৰ পৰিয়াল, তেওঁৰ সম্প্ৰদায়, তেওঁৰ দেশ, আনকি ধৰ্ম আৰু মানৱজাতিৰ প্ৰতিও। তাতোকৈও ডাঙৰ কথা ব্যক্তিগতভাবে তেওঁক কোনো বিচ্ছিন্নতাবোধে জৰ্জৰিত নকৰে—সেই বিচ্ছিন্নতা তেওঁৰ কামৰপৰাই হওক, তেওঁৰ উৎপাদনৰপৰাই হওক, তেওঁৰ সমাজ বা তেওঁৰ নিজৰ সাৰচিন্তাৰ পৰাই হওক। আচলতে, তেওঁৰ কাম তেওঁৰ সত্ত্বাৰ অংগ

হৈ পৰে। তেওঁ তেতিয়া কাম কৰি আনন্দ লভে।

জাপানে আজি বিশ্বৰ ভিতৰতে অৰ্থনৈতিক উন্নয়নৰ সৰ্বোচ্চ গতি লাভ কৰিছে। জাপানীসকলে দৈনন্দিন কামক পৱিত্ৰ বুলি গণ্য কৰাৰ পৰাই এয়া হ'বলৈ পাইছে। মাটচুশ্বিটা কোম্পানীৰ ফেক্টৰীবিলাকত শ্ৰমিকসকলে প্ৰতিদিনে কাম আৰম্ভ কৰাৰ আগে আগে গোৱা এই গানটোকেই চাওকচোন ঃ

আহা আমি কায়-মনো-বাক্যে নিবেদোঁ আমাকে
এক নতুন জাপান গঢ়াৰ বাবে,
কৰি যাওঁ, কৰি যাওঁ, উৎপাদন বঢ়াই যাওঁ
পৃথিৱীৰ সকলোকে আমাৰ পণ্য যোগাই যাওঁ
অক্ষয়, নিৰৱচ্ছিন্ন।
যেনেদৰে ওলাই আহে জলধাৰা ফোৱাৰাৰ,
তেনেদৰে বিকাশ ঘটক উদ্যোগটো এই আমাৰ
বিকাশ ঘটক, বিকাশ ঘটক, বিকাশ ঘটক।
ঐক্য, ঐকান্তিকতাৰ!

12

সাফল্যৰ প্ৰতি ধাউতি

প্ৰসিদ্ধ মনস্তত্ত্ববিদ ডি. চি. মেকলিলাণ্ডে তেওঁৰ বিখ্যাত গ্ৰন্থ *দ্য এচিভিং চচাইটিত* এটা সূত্ৰ ব্যাখ্যা কৰিছে যিটোৱে অৰ্থনৈতিক বিকাশৰ আঁৰৰ মানসিকতা স্পষ্ট কৰি দিয়ে। তেওঁ কৈছে যে সাফল্যৰ প্ৰতি বা আৰু চপাই আনি ক'বলৈ হ'লে অৰ্থনৈতিক দক্ষতাৰ প্ৰতি থকা মানুহৰ এক বিশেষ হেঁপাহ অৰ্থনৈতিক বিকাশৰ অন্যতম চাবিকাঠি।

মেকলিলাণ্ডে দেখুৱাইছে যে খৃষ্টপূৰ্ব ৯০০ৰ পৰা ৪৭৫ চনলৈ হোৱা গ্ৰীক সমাজৰ বিৰাট অৰ্থনৈতিক বিকাশৰ সময়ত এই হাবিয়াস তুংগত আছিল। এই সময়ছোৱাত মানুহ বেচ দুঃসাহসীও আছিল। নিজৰ ভাগ্যোদয়ৰ বাবে, সাম্ৰাজ্য বিস্তাৰৰ বাবে, কোনো ব্যৱহাৰিক উপযোগিতা নথকা বিৰাট সৌধ নিৰ্মাণৰ বাবে তেওঁলোকে নিৰলস পৰিশ্ৰম কৰিছিল। চমকপ্ৰদ কিবা এটা কৰাটোৱেই আছিল তেওঁলোকৰ উদ্দেশ্য।

পুঁজিবাদৰ উত্থানৰ প্ৰশ্নতো পণ্ডিতসকলৰ মাজত মতবিৰোধ আছে। মেক্স ৱেবাৰ নামৰ জাৰ্মান পণ্ডিতজনৰ মতে প্ৰটেষ্টাণ্ট ধ্যান-ধাৰণাবিলাকেই পুঁজিবাদৰ উন্নয়ন ঘটালে। প্ৰটেষ্টাণ্ট চিন্তাবিদসকলে এই ধাৰণাৰ পোষকতা কৰিছিল যে এজন ব্যক্তিক তেওঁৰ সমগ্ৰ জীৱনৰ কামৰ দ্বাৰা বিচাৰ কৰা হয়; বিশেষকৈ নিজৰ বৃত্তিত তেওঁৰ সফলতাৰ দ্বাৰা। টকা-পইচা ব্যক্তিগত বিলাসৰ বাবে নহয়। মানুহৰ আদৰ্শ গুণ হ'ল কঠোৰ পৰিশ্ৰম, আত্মসংযম, সাত্ত্বিকতা আৰু বাস্তৱিক কিবা সাধনৰ হাবিয়াস। এইবিলাক গুণেই পুঁজিবাদৰ বিকাশ ঘটালে। বৃটিছ পণ্ডিত টওনিয়ে সুকীয়া মত পোষণ কৰিছে। তেওঁৰ মতে ব্যক্তিসত্ত্বাৰ উদ্যমেহে পুঁজিবাদৰ বিকাশ ঘটালে, কোনো বিশেষ প্ৰটেষ্টাণ্ট ধাৰণাই নহয়।

মেকলিলাণ্ডে সাফল্য হাবিয়াসৰ সন্দৰ্ভত তলত দিয়া ধৰণে এটা সুকীয়া ব্যাখ্যা আগবঢ়াইছে ঃ

ৰেবাৰৰ প্ৰকল্প



মেকলিলাণ্ডৰ প্ৰকল্প

মেকলিলাণ্ডৰ সূত্ৰ চমুকৈ এনেধৰণৰ ঃ

★ প্ৰটেষ্টাণ্ট ধাৰণা আৰু মূল্যবোধে সন্তান ডাঙৰ কৰাৰ নতুন দিশ উন্মোচন কৰিলে।

★ এইবিলাক চিন্তাই ল'ৰা-ছোৱালীৰ মনত সাফল্য হাবিয়াস উজ্জীৱিত কৰিলে।

★ সময়ত, এই সন্তান হৈ পৰে সাহসী আৰু সফল কৰ্মী।

মেকলিলাণ্ডৰ সূত্ৰ বিৰাট গৱেষণাৰ ফল। ১৯২৫ চনত জনপ্ৰিয় হোৱা চল্লিশখন দেশৰ শিশু-সাহিত্য লৈ সাফল্যৰ কথা ক'ত কেনেকৈ আছে তেওঁ এটা সমীক্ষা চলালে। পিচত ওলাই পৰিল যি যি দেশৰ সাহিত্যত সাফল্যৰ কথা বেছিকৈ আছে সেইবিলাক দেশ পিচৰ পঁচিশ বছৰত অৰ্থনৈতিক ক্ষেত্ৰতো আগবাঢ়ি গৈছে।

মেকলিলাণ্ডে সেয়ে পৰামৰ্শ আগবঢ়াইছে যে শিশু পালনৰ বিশেষজ্ঞ উন্নয়নশীল দেশলৈ পঠিয়াব লাগে যাতে তেওঁলোকে পিতৃ-মাতৃসকলক বুজাব পাৰে কেনেকৈ সন্তানৰ মনত সাফল্যৰ প্ৰতি এক ধাউতিৰ জন্ম দিব পাৰি।

সাফল্যৰ প্ৰয়োজন হ'ল উন্নতিৰ প্ৰতি এক ইচ্ছা। ই হ'ল উৎকৰ্ষতাৰ এক সন্ধান। মেকলিলাণ্ডৰ মতে অৰ্থনৈতিক বিকাশৰ বাবে কাম এটা নিয়াৰিকৈ কৰাৰ প্ৰয়োজনীয়তা সৰ্বাধিক লাভ আহৰণৰ প্ৰৱণতাতকৈ বেছি গুৰুত্বপূৰ্ণ কথা।

উচ্চ পৰ্যায়ৰ সাফল্য প্ৰীতি থকা মানুহৰ ক্ষেত্ৰত তলত উল্লেখ কৰা বৈশিষ্ট্যসমূহ দেখিবলৈ পোৱা যায়।

★ উৎকৰ্ষতা তেওঁলোকে *এনেয়েই ভাল পায়।* তাৰ আঁৰত অৰ্থ, সন্মান বা ক্ষমতাৰ আকাংক্ষা নাথাকে। তেওঁলোকে কোনো এটা ভূমিকা উৎকৰ্ষতা বৃদ্ধিৰ অৱকাশ হিচাপে লয়, তাক কোনো মান-সন্মান (উদাহৰণস্বৰূপে) বৃদ্ধিৰ সোপান হিচাপে নহয়।

★ তেওঁলোক দল বান্ধি কাম কৰিবলৈ প্ৰস্তুত।

★ তেওঁলোকে কামৰ সহযোগী হিচাপে বিশেষজ্ঞ বিচাৰে, বন্ধুক নহয়।

- ★ আন ভূমিকাত থাকি সমানেই বিত্তশালী লোক হোৱাতকৈ তেওঁলোক অধিক সফল উদ্যোগীহে হব খোজে।
- ★ ব্যৰ্থতাৰপৰা আঁতৰি থকাতকৈ তেওঁলোক সাফল্য প্ৰাপ্তিতহে অধিক ব্ৰতী।
- ★ বিভিন্ন আঁচনিৰ সম্ভাৱনাবিলাক চালিজাৰি চোৱাত তেওঁলোক অধিক বাস্তৱবাদী।
- ★ সময়ৰ বিচাৰ তেওঁলোকৰ বহল। দীঘলীয়া আঁচনি লবলৈ তেওঁলোক আগ্ৰহী।
- ★ সাফল্য সন্ধানী মানুহ আহুকলীয়া সময়তো প্ৰত্যুৎপন্নমতি হয়; বাস্তৱ যুক্তি আৰু অন্তৰ্দৃষ্টিৰে সমস্যাৰ সমাধান উলিয়ায়।
- ★ তেওঁলোক স্বাধীন চিন্তাৰ অধিকাৰী, অভিজ্ঞতা আৰু নিজৰ মাপকাঠিৰে তেওঁলোকে নিজকে পৰিচালনা কৰে।

সাফল্যৰ হাবিয়াসৰ অভাৱ

মেকলিলাণ্ডে ভাৰততো বিতং অধ্যয়ন চলাইছিল; য'ৰপৰা দেখা গৈছে যে সাফল্যৰ প্ৰতি বিশেষ উৎসাহ নাথাকিলে অৰ্থনৈতিক উন্নয়নো ব্যাহত হয়। দুটা উদাহৰণ ইয়াত আলোচনা কৰা হৈছে।

কাকিনাড়াৰ মাছমৰীয়া

অন্ধ্ৰপ্ৰদেশৰ সৰু উপকূলীয় নগৰ কাকিনাড়াৰ মাছমৰীয়াসকলৰ উন্নতিৰ অৰ্থে এখন আঁচনি লোৱা হৈছিল। তেওঁলোকৰ অৱস্থা শোচনীয় আছিল। প্ৰায়েই তেওঁলোকৰ জাল বঙ্গোপসাগৰত ফাটি গৈছিল। চৰকাৰে সেয়ে তেওঁলোকক ডাঙৰ নাইলনৰ জাল দিলে। য'ত মাছো সৰহ উঠে আৰু সেইবোৰ বেগতে নাফাটেও। আশা কৰা হৈছিল যে বেছি মাছ ধৰি তেওঁলোকে অধিক উপাৰ্জন কৰিব আৰু লাহে লাহে তেওঁলোকৰ অৱস্থা ভাললৈ আহিব।

ফল কিন্তু আশা কৰাতকৈ বেলেগহে হ'ল। সৰহকৈ মাছ ধৰি কোনোবাই দুদিন ঘৰত বহি থকা হ'ল, আন কিছুমানে আকৌ বেছিকৈ পোৱা পইচাকেইটা মদত উৰালে। আন কথাত তেওঁলোকৰ কোনো অৰ্থনৈতিক উন্নতিও নহ'ল, দৈনন্দিন জীৱনো বিশেষ আগ নাবাঢ়িল।

বৰপালি গ্ৰাম-সেৱা

সাফল্যৰ হাবিয়াস সবলভাবে নাথাকিলে বহুবোৰ সু-পৰিকল্পিত আৰু উদাৰ সাহায্যপ্ৰাপ্ত আঁচনিও ব্যৰ্থ হয়। ১৯৫২ চনৰ পৰা ১৯৬২ চনলৈ উৰিষ্যাত এমেৰিকান ফ্ৰেণ্ডচ্ চাৰ্ভিচ কমিটিয়ে চলোৱা বৰপালি গ্ৰাম সেৱা এনে এক উদাহৰণ।

ষাঠি লাখ টকা ব্যয়সাপেক্ষ এই প্ৰকল্পটিত ঘাইকৈ এই কেইটা আঁচনি আছিল ঃ

★ পানী যোগান সুৰক্ষিত কৰা।

★ ৰোগ বিয়পা ৰোধ কৰিবলৈ শৌচাগাৰৰ ব্যৱহাৰ কৰোৱা।

★ উপাৰ্জন বৃদ্ধিৰ বাবে শাক-পাচলি আৰু কুকুৰা পালন আৰম্ভ কৰা।

★ দুখন সমবায় সংগঠন কৰা—এখন চামৰা প্ৰস্তুতিৰ, ইখন বয়ন শিল্পৰ।

গাওঁবাসীৰ লগত তেওঁলোকৰ প্ৰয়োজন আৰু ইচ্ছাৰ সন্দৰ্ভত সততে আলচ কৰা হৈছিল। দহবছৰ পিছত ড: টমাচ ফ্ৰেজাৰ নামৰ এজন নৃতত্ববিদে আঁচনি কিমান আগবাঢ়িছে এটা অধ্যয়ন চলালে। তেওঁ এইকেইটা তথ্য পালে ঃ

★ ১৫৪টা পাম্প-ৰেলৰ যোগেৰে গাওঁবাসীলৈ সুৰক্ষিত পানী যোগান ধৰা হৈছে।

★ প্ৰথম বছৰকেইটাত শাক-পাচলি উৎপাদন বাঢ়িছিল যদিও বজাৰ ব্যৱস্থা সুচল নোহোৱা বাবে দাম পৰি গ'ল আৰু ৰাইজেও অধিক পাচলি উৎপাদন কৰিবলৈ এৰিলে।

★ স্থানীয় কুকুৰাৰ ঠাইত লেগহৰ্ণ কুকুৰা যোগান ধৰা হৈছিল যদিও দহ বছৰৰ ভিতৰতে এটাৰো চিন চাব নাইকিয়া হ'ল। আমদানি কৰা কুকুৰাৰ যতনো বেছি আছিল। বেছিকৈ উৰিব নোৱাৰিছিল বাবে গড়ালত থ'ব লাগে। তাকে নকৰাত কুকুৰৰ ভোজ হ'ল। কুকুৰা উন্নয়ন আঁচনিয়ে কুকুৰা উছন্নহে কৰিলে।

★ বয়ন সমবায়খন প্ৰথমে কিছু সফল হৈছিল যদিও লাহে লাহে খিয়লা-খিয়লি আৰম্ভ হ'ল। চামৰাৰ সমবায় আৰম্ভই নহ'ল। আধাতে তেওঁলোকে জন্তুৰ হাড় গুড়ি কৰি সাৰ প্ৰস্তুত কৰা কাম এটাত ধৰিলে।

এনেকৈয়ে ষাঠি লাখ টকা ব্যয় কৰি বিশেষ ফল একো পোৱা নগ'ল।

সাফল্যৰ প্ৰতি এক হেঁপাহ অতীব প্ৰয়োজনীয় আৰু মেকলিলাণ্ডে দেখুৱাইছে যে প্ৰশিক্ষণ কাৰ্যসূচীৰ দ্বাৰা এই হেঁপাহ সজীৱ কৰিব পাৰি। জাপানীসকলে ব্যক্তিৰ কৰ্মজীৱনত প্ৰতিক্ষণতে প্ৰশিক্ষণৰ পোষকতা কৰে। সেই প্ৰশিক্ষণৰ উদ্দেশ্য খুব সৰল কিন্তু গুৰুত্বপূৰ্ণ; কেনেকৈ দৈনন্দিন কামত উৎকৰ্ষতা লাভ কৰিব পাৰি? কেনেকৈ নিৰৱচ্ছিন্ন ভাবে কৃতকাৰ্যতাৰ পথত আগবাঢ়ি যাব পাৰি? উৎকৰ্ষতাৰ প্ৰতি এই ধাউতি খুবেই সদৰ্থক। ই ব্যক্তিক আত্মিক হতাশাৰ পৰা ৰক্ষা কৰে আৰু ই এক সঁচা অৰ্থত বৃহৎ সভ্যতাৰ আধাৰ।

আমাৰ সংবিধানৰ এটা সংশোধনৰ এইটোৱেই গুৰুত্বপূৰ্ণ দিশ যি সংশোধনৰ অনুসাৰে প্ৰতিজন ভাৰতীয় নাগৰিকৰে কৰ্তব্য হ'ব ঃ

> সকলো ব্যক্তিগত আৰু সামূহিক কৰ্তব্যতে উচ্চ মানৰ বাবে যত্নপৰ হোৱা যাতে ৰাষ্ট্ৰ নিৰৱচ্ছিন্নভাবে আগবাঢ়ে প্ৰয়াস আৰু প্ৰাপ্তিৰ উচ্চতৰ পৰ্যায়লৈ।

13

কাম এক নৈতিক দায়িত্ব

মানুহে এই কথা কাচিৎহে চিন্তা কৰে যে আজিৰ এই স্বচ্ছন্দ জীৱন যাত্ৰা নিৰ্ভৰ কৰিছে বহুহাজাৰ মানুহৰ কামৰ ওপৰত। উদাহৰণস্বৰূপে ৰাতিপুৱা প্ৰতিজন মানুহেই প্ৰথমে বিচাৰে একাপ গৰম চাহ। এই চাহ কাপৰ আঁৰতে বহু হাজাৰ মানুহৰ শ্ৰম নিহিত হৈ আছে। সহজেই দেখুৱাব পাৰি। ভাবক চাহ কাপ কৰোঁতে কি কি সামগ্ৰী লাগে।

বস্তুৰ ভিতৰত—চাফা পানী, চাহ, চেনি, গাখীৰ আৰু ব্যৱস্থাৰ ভিতৰত গেচ, কাপ-প্লেট, চামুচ, চেকনি ইত্যাদি।

এতিয়া খোৱা পানীৰ কথাটোৱেই লোৱা যাওক। মুম্বাইৰ দৰে এখন বৃহৎ মহানগৰীত ডাঙৰ ডাঙৰ জলাধাৰ নিৰ্মাণ কৰি তাক নিয়মীয়াকৈ চোৱা-চিতা কৰোৱা হয়; শ শ মানুহ ইয়াত নিয়োজিত থাকে। চাহ হয় আমাৰ বাগিচাত। তাৰপৰা আহি গ্ৰাহকৰ হাতত পৰালৈকে সমগ্ৰ প্ৰক্ৰিয়াটোত শ শ মানুহৰ কাম। আকৌ চেনিকলৰ যন্ত্ৰ-পাতিৰ কথা ভাবক। সেইবোৰ তৈয়াৰী কৰোঁতে আৰু বহু যন্ত্ৰ-পাতিৰ প্ৰয়োজন; কয়লা খনা, আকৰিক লো উলিওৱা, তীখা তৈয়াৰী কৰা। এইবিলাকত লাগে হাজাৰ হাজাৰ মানুহ। গাখীৰ যোগানতো একেধৰণৰেই ব্যৱস্থা, তাৰপিচত গেচ, কাপ-প্লেট, চামুচ প্ৰস্তুত কৰোঁতে আকৌ লাগিল শ শ মানুহ। আকৌ গাখীৰৰ গাড়ী অহা অকণমাণ পলম হ'লে আমাৰ কিমান খং উঠে মনত পেলাওকচোন, আজি বোলে টায়াৰহে ফুটিল, বোলে ৰাস্তাহে বেয়া আছিল।

একাপ গৰম চাহৰ আঁৰত সেয়েহে হাজাৰ হাজাৰ মানুহৰ শ্ৰম নিয়োজিত আছে। আৰু চাহকাপৰ বাহিৰেও আমাক আৰু বহুত বস্তু লাগে। আমাৰ অস্তিত্ব, আমাৰ সুখ-স্বাচ্ছন্দ্যৰ আঁৰত আছে লাখে লাখে মানুহৰ শ্ৰম। মাৰ্কিন যুক্তৰাষ্ট্ৰত মানুহে লোৱা বিভিন্ন বৃত্তিৰ মুঠ সংখ্যা ৩৪০০০ যি আধুনিক পৃথিৱীত পাৰস্পৰিক নিৰ্ভৰশীলতাৰ এক স্পষ্ট ইংগিত দিয়ে।

প্ৰত্যেকেই হয়তো এটা বা দুটা সামগ্ৰীৰ উৎপাদনত নিয়োজিত কিন্তু প্ৰত্যেকেই

উপভোগ কৰা সামগ্ৰীৰ সংখ্যা তাতোকৈ বহু বেছি। নিজে ভালকৈ কাম নকৰি বজাৰত এক অনুপযুক্ত সামগ্ৰী বা অদক্ষ সেৱা আগবঢ়াই পাবৰ বেলিকা ভাল বস্তু আশা কৰাৰ কাৰো নৈতিক অধিকাৰ নাই।

কিছুদিন আগতে এটা বেচ আগ্ৰহোদ্দীপক বাতৰি পোৱা গৈছিল। ইউৰোপৰ কোনোবা এখন মহানগৰত এখন বাচত কেইগৰাকীমান নাৰ্চ গৈ আছিল। কণ্ডাক্টৰজনে তেওঁলোকক বৰ কঠুৱাভাবে ব্যৱহাৰ কৰিছিল। তেনেতে এটা দুৰ্ঘটনা ঘটিল। আঘাতপ্ৰাপ্ত কণ্ডাক্টৰজনক ওচৰৰ চিকিৎসালয়খনলৈ লৈ যোৱা হ'ল। এই নাৰ্চকেইগৰাকীয়ে আকৌ তাতে কাম কৰে। তেওঁলোকেও চিকিৎসা দিওঁতে কণ্ডাক্টৰজনক কঠুৱাভাবে ব্যৱহাৰ কৰিলে। পৰিবহন কৰ্মচাৰী সংঘই প্ৰতিবাদ সাব্যস্ত কৰিলে। কিন্তু মূল প্ৰশ্ন হ'ল নিজে কঠুৱা ব্যৱহাৰ কৰা কণ্ডাক্টৰজনৰ নাৰ্চকেইগৰাকীৰ পৰা সৌজন্যতা আশা কৰাৰ নৈতিক যুক্তি আছেনে?

অন্তৰ্বৰ্তী প্ৰযুক্তিৰ এজন অন্যতম বিশেষজ্ঞ ই. এফ. স্কুমেকাৰে তেওঁৰ চিন্তা উদ্ৰেককাৰী গ্ৰন্থ *স্মল ইজ বিউটিফুলত* লেখিছে যে শিক্ষিত শ্ৰেণীৰ লোকৰ সমাজক সেৱা কৰাৰ এক বিশেষ দায়িত্ব আছে। চীনদেশত এটা হিচাপত ওলাইছিল যে এজন ছাত্ৰক পাঁচবছৰ বিশ্ববিদ্যালয়ত পঢ়ুৱাবলৈ ত্ৰিশজন কৃষকে পাঁচবছৰ কাম কৰিব লাগে। আনকথাত এজন স্নাতকৰ খৰচ এশ পঞ্চাশ কৃষক বছৰ। প্ৰতিজন শিক্ষিত মানুহেই সমাজৰ প্ৰতি তেওঁ আগবঢ়াবলগীয়া সেৱাৰ বিষয়ে সচেতন হ'ব লাগিব আৰু শিক্ষা সাং কৰাৰ পাছত সমাজৰ কল্যাণৰ হকে কাম কৰিব লাগিব। স্কুমেকাৰে এটা বুনিয়াদী প্ৰশ্ন তুলিছে—উচ্চশিক্ষা 'সুখ-স্বাচ্ছন্দ্যৰ পাৰপত্ৰ' নে 'সমাজক সেৱা কৰাৰ পৱিত্ৰ দায়িত্ব'? অনবৰতে নিজৰ প্ৰাপ্যৰ বিষয়ে চিন্তা কৰি থকাটো এজন শিক্ষিত মানুহৰ ক্ষেত্ৰত নুশুৱায়। ই অকৃতজ্ঞতাৰ সমতুল্য। ই সেইসকল মানুহকে শোষণ কৰাৰ নিচিনা যি তেওঁৰ পঢ়াৰ খৰচ যোগাইছিল।

বীৰ পেণ্ঢাৰকাৰ*

স্কুমেকাৰ আছিল দৰিদ্ৰৰ কল্যাণৰ হকে উৎসৰ্গিত অৰ্থনীতিবিদ। তেওঁ মত পোষণ কৰিছিল যে গাঁৱলৈ ঘূৰি গৈ নিৰক্ষৰ জনগণক সেৱা আগবঢ়োৱাটো ভাৰতৰ শিক্ষিতচামৰ এক পৱিত্ৰ কৰ্তব্য। শিক্ষাৰ উন্নতিৰ ক্ষেত্ৰত প্ৰশংসনীয় বৰঙণি আগবঢ়োৱা স্বাধীনতা সংগ্ৰামী শ্ৰী শংকৰ গঙ্গাৰাম পেণ্ঢাৰকাৰ বা চমুকৈ

---

*এই প্ৰসঙ্গত মূল্যবান পৰামৰ্শ আগবঢ়োৱাৰ বাবে লেখক বীৰ পেণ্ঢাৰকাৰৰ জ্যেষ্ঠ ভ্ৰাতৃ শ্ৰী জি. জি. পেণ্ঢাৰকাৰৰ ওচৰত কৃতজ্ঞ।

বীৰ পেণ্ঢাৰকাৰৰ মাননসত্বাত বোধহয় এনে এটা চিন্তাই উদগাইছিল।

১৯৫৩ চনত পেণ্ঢাৰকাৰে ৰত্নগিৰি জিলাৰ খাৰেপতন নামৰ অৱহেলিত গাওঁখন বাছি ল'লে য'ত সপ্তম শ্ৰেণীলৈকে পঢ়াৰ সুবিধা আছিল। তেওঁ ঠাইখনক এক শিক্ষাক্ষেত্ৰ হিচাবে গঢ়ি তোলাৰ সিদ্ধান্ত কৰিলে। এসময়ত দহজন ছাত্ৰ আৰু এজন শিক্ষক থকা বিদ্যালয়খন আজি এশখন গাঁৱৰ শিক্ষাৰ চাহিদা পূৰণ কৰিব পৰা জুনিয়ৰ কলেজ হৈছেহি।

পেণ্ঢাৰকাৰে বিভিন্ন আলৈ-আহুকাল নেওচি এই কাম কৰিছিল। নিজৰ পত্নীৰ সৈতে তেওঁ এটা লেতেৰা গুদামঘৰত স্কুল আৰম্ভ কৰিছিল। আজি স্কুলৰ সুন্দৰ ভৱন, ল'ৰা আৰু ছোৱালীৰ বাবে আবাসৰো সুবিধা আছে। পেণ্ঢাৰকাৰে কেৱল পুথিগত বিদ্যাকে সৰ্বস্ব বুলি ভবা নাছিল। বা শিক্ষা মানে কেৱল জ্ঞান আহৰণেই নহয়। শিক্ষাই ছাত্ৰৰ মনত এটা দায়িত্ববোধ তথা সামাজিক পুনৰ্গঠনৰ প্ৰতি ইচ্ছা জন্ম দিব পাৰিব লাগিব। শিক্ষাৰ উদ্দেশ্যৰ নতুন সংজ্ঞা দিব পাৰি আৰু গঠনমূলক কামত অংশগ্ৰহণৰ জৰিয়তে ইয়াৰ প্ৰণালীবিলাক আয়ত্ব কৰিব পাৰি। পিটাৰ ড্ৰাকাৰে কৈছিল—শিক্ষা এতিয়া নতুন দিগন্তত উপনীত হৈছে; এতিয়া ই হ'ল 'জ্ঞানৰ সমাজত ফলপ্ৰসু ভূমিকালৈ এক ৰূপান্তৰ'।

পেণ্ঢাৰকাৰৰ অভিনৱত্বসম্পন্ন আৰু গতিশীল নেতৃত্বত অনুপ্ৰাণিত হৈ খাৰেপতনৰ ছাত্ৰ-ছাত্ৰী আৰু গঞা ৰাইজে শিলাময় পাহাৰ কাটি সুন্দৰ স্কুলঘৰটি সাজি উলিয়ালে, ইয়াৰ চৌপাশে ফুলৰ বাগিচা, ফল-মূলৰ গছ, খেতি পথাৰ, মাজে মাজে সৰু সৰু আলি। তেওঁলোকে স্বেচ্ছাই দিনে ৰাতিয়ে খাটি এইখিনি কৰি উলিয়াইছিল। এয়া এক অনন্য কৰ্ম-প্ৰীতি। এনে কাম খাটনিৰ ফালৰপৰা শিহৰণকাৰী আৰু নান্দনিক দিশৰপৰাও তৃপ্তিদায়ক। উদাহণস্বৰূপে এখন ধুনীয়া বাগিচাই প্ৰকৃতিৰ লগত একাত্ম হোৱাৰ সুখানুভূতি দিয়ে।

এই উল্লেখনীয় সাফল্য লাভ কৰা গৈছিল পঁচিশ বছৰজোৰা স্বাৰ্থহীন, প্ৰণালীবদ্ধ আৰু নিৰলস পৰিশ্ৰমৰ যোগেদি। স্বাভাৱিকতেই পেণ্ঢাৰকাৰে তেওঁৰ কাম উপভোগ কৰিছিল কাৰণ তেওঁ ইয়াৰ মাজেদিয়েই বিচাৰি পাইছিল আত্মোপলব্ধি। তেওঁৰ স্কুল শেঠ নবীনচন্দ্ৰ মফৎলাল বিদ্যালয় স্কুমেকাৰৰ শিকনিৰ এক উজ্জ্বল উদাহৰণ—*'সৰুৰেই সুন্দৰ'*। শিক্ষাৰ যোগেদি জাতীয় পুনৰ্গঠনৰ ক্ষেত্ৰত এই অনুষ্ঠান উৎসৰ্গিত।

14

কাম আমাৰ শ্ৰেষ্ঠতম গুৰু

কাম আমাৰ আজীৱন সংগী আৰু মহত্তম শিক্ষক। এনে বহু কথা আছে যিবিলাক শিকাব নোৱাৰি, শিকিবহে পাৰি। সাঁতোৰা, চাইকেল চলোৱা ইত্যাদি বিদ্যা অভ্যাসৰ বলতহে আহে। কথাতেই কয় 'অভ্যাসৰ নৰ, কৰ্ণপথে কৰে শৰ।' এজন ভাল সংগীতজ্ঞই তেওঁৰ দৈনিক অনুশীলন কেতিয়াও আওহেলা নকৰে।

এজন বিজ্ঞানীয়ে, যি সাঁতোৰতো নিপুণ আছিল; এবাৰ ভাবি আচৰিত হ'ল কেনেকৈ তেওঁ সাঁতুৰি থাকে। পানীত তেওঁ যিয়েই নকৰে তেওঁ ওপঙিয়েই থাকে। মুঠতে কিছুমান কৌশল কেতিয়াও সম্পূৰ্ণকৈ ব্যাখ্যা কৰিব নোৱাৰি বা বুজিব নোৱাৰি।

কামে আমাক বহু কথাই শিকায়; আমাৰ তলতীয়া কৰ্মচাৰীৰ বিষয়ে, সহকৰ্মীৰ বিষয়ে, আমাৰ ওপৰৱালাৰ বিষয়ে, সৰ্বোপৰি আমাৰ নিজৰ বিষয়ে। কামে কাম উলিয়াই ল'বই। ই আমাক নিয়মানুৱৰ্তিতা দিয়ে, আত্মানুসন্ধান দিয়ে, কামৰ মাজেদি আমি আমাক বেছি ভালকৈ জানিব পাৰোঁ। এফালৰ পৰা চাবলৈ গ'লে আমি নিজেই নিজক নাজানোঁ। কেৱল মাত্ৰ নিৰলস, উৎসৰ্গীত আৰু কঠোৰ পৰিশ্ৰমৰ দ্বাৰাহে আমি আমাৰ সীমাবদ্ধতা উপলব্ধি কৰিব পাৰোঁ আৰু অজ্ঞাত হৈ থকা আমাৰ প্ৰতিভা, দৃষ্টিভংগী, দক্ষতা আবিষ্কাৰ কৰিব পাৰোঁ।

কামেইহে কেৱল আমাক শিকাব পাৰে কাম সুচাৰুৰূপে সমাধা কৰাৰ কথা। কেতিয়া কাম কৰিব লাগে, কেতিয়া কাম বন্ধ কৰিব লাগে সেইবিলাকো এক কলা। এই প্ৰসংগত প্ৰফেচাৰ গলব্ৰেইথৰ বিখ্যাত কিতাপ *দ্য নিউ ইণ্ডাষ্ট্ৰিয়েল ষ্টেইটৰ* পাতনিটো মনত পেলাব পাৰি। ১৯৫৭ চনত লেখিবলৈ আৰম্ভ কৰা কিতাপখন ১৯৬৭ চনতহে ছপা হৈ ওলাল। চতুৰ্থ, পঞ্চম খচৰাকেইটাতহে তেওঁ লেখাত এক স্বতঃস্ফূৰ্ততা পাইছিল। তেওঁ সেয়ে বিষয়বস্তুটো লৈ খেলি থাকিল। কাম আৰু প্ৰতিভাৰ তেওঁ এক সামঞ্জস্য বিচাৰি আছিল। অৱশেষত ১৯৬১ চনত প্ৰথম খচৰা বাহিৰ হ'ল। তেনেকুৱাতে তেওঁ ভাৰতলৈ ৰাষ্ট্ৰদূত হৈ আহিবলগা

হ'ল। পাণ্ডুলিপিটো তেওঁ এটা বেংকৰ ভল্টত থৈ আহিল। ৰাষ্ট্ৰদূতৰ কাৰ্যকাল শেষ হোৱালৈ তেওঁ বিষয়টোত অধিক গভীৰ দৃষ্টিভংগী ল'ব পৰা হ'ল। প্ৰথম পাণ্ডুলিপি তেওঁ আঁতৰাই থ'লে। তেওঁ সেয়ে কয়—প্ৰত্যেক লেখকেই নিজৰ গ্ৰন্থ প্ৰকাশৰ পূৰ্বে কিছুদিন ছুটী লৈ বিষয়টো কিছু অনুধাৱন কৰিব লাগে।

আন এজন অনভিজ্ঞ তৰুণ লেখকৰ কাহিনীও সমানেই আগ্ৰহোদ্দীপক। এটা বেচ গধুৰ বিষয় লৈ তেওঁ নিষ্ঠাৰে কাম কৰিছিল। বিভিন্ন পুথিভঁড়ালৰ পৰা শ শ কিতাপ আনি পঢ়িছিল। প্ৰথমৰ বছৰকেইটাত তেওঁৰ উৎসাহ তুংগত আছিল কিন্তু শৃংখলা তেনেকৈ নাছিল। তেওঁ জধে মধে টোকা লৈছিল আৰু ভাবিছিল চূড়ান্ত খচৰাৰ সময়ত তেওঁ ৰৈ যোৱা ভুল ত্ৰুটি শুধৰাব। তেওঁ আনকি উদ্ধৃতিবিলাক কোন গ্ৰন্থৰ পৰা লৈছে সেইটোও টুকি যোৱা নাছিল। ফলত তেওঁ উপলব্ধি কৰিলে যে কেৱল স্মৃতিৰ ওপৰত নিৰ্ভৰ কৰি চলাটো নিজকে প্ৰতাৰণা কৰাৰ দৰে আৰু সেয়েহে চূড়ান্ত খচৰা প্ৰস্তুত কৰোঁতে কথা আৰু উদ্ধৃতিবোৰৰ শুদ্ধতা পৰীক্ষা কৰিবলৈ তেওঁৰ প্ৰভূত সময় লাগিল। ইয়াৰ পৰা তেওঁ দুটা প্ৰাথমিক কিন্তু প্ৰয়োজনীয় শিক্ষা পালে। এক হ'ল—যি কোনো কামতে শুদ্ধাশুদ্ধিৰ প্ৰতি প্ৰথমৰে পৰাই চকু দিব লাগে। দ্বিতীয়তে, যি কোনো তথ্যৰ উৎস লগত ৰাখি যাব লাগে যাতে পিছত কিবা প্ৰসংগত সত্যতা বিচাৰি উলিয়াবলৈ অসুবিধা নহয়। কামৰ মাজেদিয়েই এই দুটা অমূল্য শিক্ষা তেওঁ লাভ কৰিলে।

সামৰিক ইতিহাসৰ পৰাও এটা ভাল লগা উদাহৰণ দিব পাৰি। যুদ্ধ আৰু প্ৰশাসন বিষয়ক লেখনিৰ বাবে আয়ান হেমিল্টন (১৮৫৩-১৯৪৭) বিখ্যাত। তেওঁৰ *চ'ল অৱ দি আৰ্মি* গ্ৰন্থখন মেনেজমেণ্টৰ প্ৰসংগত এক মহৎ গ্ৰন্থৰূপে স্বীকৃত হৈছে। তেওঁৰ আন এখন জনাজাত কিতাপ হ'ল *গেলিপলি ডায়েৰি*। তেওঁৰ লেখনিত আছিল স্পষ্ট, প্ৰাঞ্জল বৰ্ণনা তথা শব্দ-চয়নৰ শ্ৰুতিমাধুৰ্য। উইনষ্টন চাৰ্চিলৰ মতে তেওঁৰ মনৰ দিগন্তৰ পৰিসৰ বহল আছিল; "তেওঁ কাম কৰিছিল এক শান্ত, নিৰহ-নিপানী গতত, দায়িত্ব বা বিপদে তেওঁক টলাব পৰা নাছিল।" কিন্তু তেওঁৰ গেলিপলি অভিযান যথেষ্ট আহুকলীয়া হ'ল। তাৰ কাৰণ আছিল এজন সফল সেনাধ্যক্ষ হ'বলৈ প্ৰয়োজনীয় অথচ সংজ্ঞাবদ্ধ কৰিব নোৱাৰা কেইটামান গুণ তেওঁৰ নাছিল। যেনে, মনৰ বিশ্বাস, বুনিয়াদী সাধাৰণ জ্ঞান আৰু পৰিস্থিতিৰ বাস্তৱসন্মত জ্ঞান। এইবিলাক গুণ কেনেও কাকো দিব নোৱাৰে; সেইবিলাক থকা নথকাটো ওলাই পৰে যুদ্ধক্ষেত্ৰতহে। সমৰ-ক্ষেত্ৰত লাভ কৰা যুদ্ধ কৰাৰ অভিজ্ঞতাৰ কোনো বিকল্প নাই। শান্ত পৰিৱেশত বহি আনৰ বাবে আঁচনি প্ৰস্তুত কৰাটো এটা কথা আৰু যুদ্ধ-ক্ষেত্ৰৰ ধাম-খুমীয়াত অচল অটল হৈ থাকি সমুখ সমৰত খৰতকীয়া

সিদ্ধান্ত লোৱাটো অন্য এটা কথা। চ'ৰা-ঘৰৰ কাৰ্পেটৰ ওপৰত পাৰি থোৱা এখন তক্তাৰ ওপৰেদি খোজ কঢ়া আৰু একেখন তক্তাৰ ওপৰেৰে গিৰি-সংকট অতিক্ৰম কৰাৰ মাজত থকাৰ দৰেই ইয়াৰ পাৰ্থক্য। চেষ্টাৰ বাৰ্ণাৰ্ডে সুন্দৰভাবে দেখুৱাইছে যে বাস্তৱ অৰ্থত তেতিয়ালৈকে সিদ্ধান্ত ল'ব নোৱাৰি যেতিয়ালৈকে সেই সিদ্ধান্তৰ দায়িত্ব ন্যস্ত নহয়।

ডগলাছ মেকগ্ৰেগৰেও কৈছিল যে কৰ্মক্ষেত্ৰতহে পৰিচালনাৰ দক্ষতা সৃষ্টি হয়। এজন এক্সিকিউটিভে দায়িত্বভাৰ ল'লেহে অৰ্থাৎ কাম কৰিলেহে আচল অৰ্থত শিকে। যিকোনো শ্ৰেণী কোঠা বা আলোচনা-চক্ৰত জটিল প্ৰশ্নৰ সৰল, সুন্দৰ সমাধান আগবঢ়োৱাটো সহজ কিন্তু কাৰ্যত সাধাৰণ সমস্যাতো বাৰে বাৰে উজুটি খাব লগা হয়।

চমুকৈ ক'বলৈ হ'লে কাম আমাৰ শ্ৰেষ্ঠতম শিক্ষক, কাঢ়া অথচ শুভাকাংক্ষী। এইজন গুৰু নীৰৱ হৈয়ো বাগ্মী আৰু ফলপ্ৰসু। তেওঁ বুজায়, পৰিচালনা কৰে আৰু সহায় কৰে। তেওঁ সৰ্বক্ষণ আমাক মন কৰি আছে আৰু আমাৰ সামৰ্থ্যৰ, বুদ্ধিৰ, উৎসৰ্গা আৰু অধ্যৱসায়ৰ পৰীক্ষা লৈ আছে। প্ৰায়ে নেদেখা যেন লগা বা শিকাব নোৱাৰা যেন লগা বহু মূল্যবান কথা তেওঁ আমাক শিকায়। আমি তেওঁক শ্ৰদ্ধা কৰা উচিত।

15

ক্ষুদ্ৰ কামেও আনে বিপ্লৱ

প্ৰত্যেকেই নিজৰ দেশক ভাল পায় আৰু দেশক সেৱা কৰিবলৈ বিচাৰে। দেশপ্ৰেমৰ অনুভৱ বিশ্ব-বিয়পা। কিন্তু খুব কম মানুহ এই কথাৰ প্ৰতি সজাগ যে তেওঁলোকে নিজৰ দেশখনৰ প্ৰতি সুন্দৰ সেৱা আগবঢ়াব পাৰে নীৰৱে নিজৰ সামৰ্থ্য অনুসাৰে কৰা দৈনন্দিন কামৰ মাজেদি।

অৰ্থনীতিবিদসকলৰ মতে ৰাষ্ট্ৰৰ সম্পদৰ চূড়ান্ত ভিত্তি হ'ল মানৱ-সম্পদ। মানৱ-সম্পদ মানে হ'ল সামগ্ৰী উৎপাদন তথা প্ৰয়োজনীয় সেৱাত ব্যৱহৃত মানুহৰ শক্তি, বুদ্ধি, প্ৰতিভা, সৃষ্টিশীলতা আৰু জ্ঞান।

সঁচাই আমাৰ শ্ৰেষ্ঠ সম্পদ হ'ল জন-সম্পদ, বাকী জড়সম্পত্তি যেনে কল-কাৰখানা-ভৱন এইবিলাক নিজে নিজে সৃষ্টিশীল নহয়। মানুহেহে ইবিলাকৰ সৃষ্টিশীল প্ৰয়োগ সম্ভৱ কৰে। চালক নহ'লে যন্ত্ৰই একো উৎপাদন কৰিব নোৱাৰে। মানুহৰ সৃষ্টিশীলতা ভিন্নসুৰী, মানুহে নতুন সংগঠন উলিয়ায়, নতুন কৌশল উদ্ভাৱন কৰে, যন্ত্ৰপাতি উলিয়ায়, আৰু এইখিনি কৰোঁতে, নিজৰো উন্নতি কৰে। মানুহৰ এই উন্নতিৰ কোনো উচ্চসীমা নাই। মানুহে সৃষ্টি কৰা অনুষ্ঠানবিলাক এনেকুৱা যে সিবিলাকৰ উন্নতিৰ লগত মানুহৰ উন্নতি অংগাংগী হৈ আছে।

আধুনিক পৃথিৱীত মানুহে মাজে মাজে নিজকে হেৰুৱায়। সি বিচ্ছিন্ন হৈ পৰে, অকলশৰীয়া হৈ পৰে। সি যেন একোৱেই নহয়, এই বিৰাট বিশ্ব-যন্ত্ৰত সি যেন এটা নগণ্য ক্ষুদ্ৰাংশ। মুম্বাইৰ নিচিনা এক বৃহৎ মহানগৰীত মানুহে মাজে মাজে নিজকে অৰ্থহীন অনুভৱ কৰে। কলিন উইলচনে এই অৱস্থাটোকে এজন বীৰ হোৱা বা এটা পোক হোৱাৰ বিকল্প বুলি ব্যাখ্যা কৰিছে। বহুতে হতাশাগ্ৰস্ত হৈয়েই পোক হোৱাটো বাছি লয়। ই তুচ্ছ সিদ্ধান্ত। সমাজত যেনেকৈ বিজ্ঞানী বা দাৰ্শনিক লাগিব একেধৰণেই মেচিন চাফা কৰা মানুহ বা জাবৰ পেলোৱা মানুহো লাগিব। আৰু এই সকলোৱেই প্ৰয়োজনীয় কামেই কৰি আছে।

সাধাৰণতে একোটা বৈপ্লৱিক পৰিৱৰ্তনৰ আঁৰত থাকে বহুবোৰ সৰু সৰু

পৰিৱৰ্তন। এটা কাৰখানাৰ দক্ষতা আৰু কৰ্ম-সংস্কৃতি নিৰ্ভৰ কৰে দৈনন্দিন সম্পন্ন হোৱা সংখ্যাহীন কামৰ ওপৰত তথা আনুষ্ঠানিক বা অনানুষ্ঠানিকভাবে হোৱা আলোচনা-বিলোচনাৰ ওপৰত। প্ৰতিজনে নিজৰ কৰ্মশক্তি এনেকৈ সৰু সৰু পৰ্যায়ত খটোৱাৰ ফলতেই সমগ্ৰ প্ৰতিষ্ঠানটো হৈ পৰে কৰ্মব্যস্ত, সৃষ্টিশীল। আব্ৰাহাম মাচলোৱে কৈছিল—

> "আমি যদি কিবা এটা উন্নয়ন বা সংস্কাৰ সাধনত অংশ গ্ৰহণ কৰোঁ তেন্তে মানুহ হিচাপে কিবা এটা কৰিলোঁ বুলি গভীৰ প্ৰত্যয়েৰে গৰ্বিত আৰু শিহৰিত হ'বলৈ শিকিব লাগিব।"

তেওঁ মেক্সিকোৰ এজন ডেকাৰ কথা প্ৰশংসাৰে উল্লেখ কৰিছে যিজনে গাঁৱত বিশুদ্ধ খোৱা পানী যোগানৰ উদ্দেশ্যে কুঁৱা খান্দিছিল। তেওঁ কুঁৱা তিনিটাহে খান্দিছিল কিন্তু বহুত সময় খৰচ কৰিছিল গঞা ৰাইজক বুজাওঁতে যে খোৱা পানীটোপাৰ ক্ষেত্ৰত যথেষ্ট সাৱধান হ'ব লাগে।

চাৰ্লচ ডাৰউইনে কৈছিল যে যথেষ্ট সময় দিলে সৰুকৈ ধাৰাবাহিকভাবে চলি থকা একোটা কামেও শেষত উল্লেখনীয় ফলশ্ৰুতি আনে। তেওঁৰ শেষ কিতাপখন আছিল কেঁচুৰ বিষয়ে। চল্লিশ বছৰ ধৰি বিষয়টো তেওঁ অধ্যয়ন কৰিছিল। তেওঁ দেখুৱালে যে ইংলেণ্ডৰ ডাউন নামৰ ঠাই এখনৰ ওচৰত প্ৰতি একৰ মটিত কেঁচুৱে ওঠৰ টন মাটি উঠাইছিল! এই ক্ষুদ্ৰ প্ৰাণীবিধে কি বিৰাট কাম সাধন কৰিছে! ইংলেণ্ডৰ আস্কটত থকা ৰেচ-কোৰ্চৰ উন্নতিকল্পে তাত কেঁচুৰ বংশ বৃদ্ধিত গুৰুত্ব দিয়া হৈছে।

মানুহৰ ভিতৰত আটাইতকৈ জধামুৰ্খজনো কেঁচুতকৈ হাজাৰগুণে বেছি সৃষ্টিশীল আৰু উৎপাদনক্ষম। কেঁচুৰ নিচিনাকৈ মাৰবান্ধি কাম কৰিলে অদূৰ ভৱিষ্যতত মৰততে সৰগ ৰচনা কৰিব পাৰি। এখন ডাঙৰ সমাজত মানুহে তেওঁলোকৰ দৈনন্দিন কামৰ কথা চিন্তা কৰে; সেই কাম যিমানেই সৰু নহওক প্ৰত্যেকেই নিজৰ ক্ষেত্ৰত উন্নতি কৰাৰ কথা চিন্তা কৰে।

আদৰ্শৰ দ্বাৰা অনুপ্ৰাণিত হ'লে আৰু উৎসৰ্গাৰ মনোভাৱ থাকিলে সাধাৰণ মানুহেও যে অসাধাৰণ কাম কৰিব পাৰে তাৰ উদাহৰণ এই প্ৰাচীন চীনদেশীয় সাধুটোতে পোৱা যায়।

> "বহুদিন আগতে উত্তৰ চীনত এজন বুঢ়া মানুহ আছিল। সকলোৱেই তেওঁক উত্তৰ পাহাৰৰ বুঢ়া মুৰ্খ বুলিয়েই জানিছিল। তেওঁৰ ঘৰটো আছিল দক্ষিণমুৱা। সমুখত দুটা পাহাৰ—টাইহাং আৰু ৱাংগৱু। তেওঁলোকক বিচ্ছিন্ন কৰি ৰখা এই পাহাৰদুটাক খহাবলৈ বুলি তেওঁ ল'ৰাহঁতক লৈ এদিন খান্দিবলৈ আৰম্ভ কৰিলে। অইন এজন

বুঢামানুহে ক'লে—তহঁত বাপেক পুতেকহঁতে ইমান বিয়াগোম পাহাৰদুটা খান্দিব পাৰিবিহঁকনে? বুঢ়া মুখই তেতিয়া ক'লে—"মই মৰিলেও মোৰ ল'ৰাহঁতে চলাই যাব, সিহঁতৰ পিচত নাতিহঁতে, তাৰপিচত নাতিহঁতৰ ল'ৰাই..এনেকৈ চলি যাব। পাহাৰটো আৰু ওখ নহয়। খান্দি খান্দি এদিন আমি সমান কৰি পেলাম।" বুঢাৰ গভীৰ বিশ্বাস আৰু কঠোৰ পৰিশ্ৰম দেখি ঈশ্বৰো মুগ্ধ হ'ল আৰু দুজন দেৱদূত পঠিয়াই পাহাৰদুটা আঁতৰাই নিয়ালে।"

এই সাধুৰে শিক্ষা সাৰোগত কৰি জিগুবি প্ৰডাকশ্যন ব্ৰিগেডে চীনদেশত এখন ঘনাই গতি সলোৱা নদীৰ বুকুৰপৰা এছোৱা বৃহৎ ভূমি উদ্ধাৰ কৰিলে। এসময়ত অসম্ভৱ যেন লগা কামটো সম্ভৱ হৈ পৰিল।

16

কামে দুখ পাতলায়

দুখ জীৱনৰ এক অংগ। মৃত্যুৰ পৰা যেনেকৈ নিস্তাৰ নাই দুখৰ পৰাও তেনেকৈ হাত সাৰি থাকিব নোৱাৰি। কিন্তু আপোনজনৰ বিয়োগৰ দুঃখত বিনাই থকাটোও বৰ জ্ঞানীৰ কাম নহয়। চৰম বিপদৰ মুহূৰ্ততো মানসিক স্থৈৰ্য অক্ষুণ্ণ ৰাখিব লাগিব। এনেকুৱা সময়তে কামে মানুহক উচিত সান্ত্বনা দিয়ে। বিশ্ৰাম এনেকুৱাত দুৰ্বিসহ। কামৰ সন্তুষ্টিয়েই প্ৰকৃত জিৰণি আৰু উপভোগৰ ভিত্তি। মাদকদ্ৰব্যই খন্তেকীয়া উপশম যোগালেও ই সামগ্ৰিকভাবে ক্ষতিকাৰক আৰু মানুহক তললৈ নমায়। গঠনমূলক কাম কৰি পোৱা তৃপ্তিয়েই দুখ লাঘৱ কৰাৰ একমাত্ৰ ব্যৱস্থা। কোনোক্ষেত্ৰত আকৌ দুখেই মহৎ কাম কৰিবলৈ পৰোক্ষ প্ৰেৰণা যোগায়। জেমচ টম্‌প্‌চন (১৮০৪-৫৩) এইক্ষেত্ৰত অনন্য উদাহৰণ। ভাৰতীয় আমোলাতন্ত্ৰত তেওঁ এক উজ্জ্বল নক্ষত্ৰ।

জেমচ টম্‌প্‌চন

ওঠৰ বছৰ বয়সতে বেংগল চিভিল চাৰ্ভিচত কেৰাণী হেচাপে সোমাই টম্‌প্‌চন ১৮৪৩ চনত উত্তৰ-পশ্চিম সীমান্ত প্ৰদেশৰ লেফটেনেণ্ট গৱৰ্ণৰ হয়গৈ। ১৮৫৩ চনত আকস্মিকভাবে মৃত্যুমুখত পৰালৈকে তেওঁ সেই পদৱীত আছিল।

কৰ্মজীৱনত তেওঁ লাভ কৰা আসাধাৰণ সাফল্য সৰ্বজনস্বীকৃত। তেওঁক গড়কাপ্টানি বিভাগৰ পিতৃপুৰুষ আখ্যা দিয়া হয়। গ্ৰেণ্ড ট্ৰাংক ৰ'ড আৰু গঙ্গা কেনেল তেওঁৰ উল্লেখনীয় কীৰ্তি। জনশিক্ষা আৰু কাৰিকৰী শিক্ষাৰ ক্ষেত্ৰতো তেওঁ যথেষ্ট উদ্যোগ লৈছিল। বিখ্যাত ৰুড়কী ইঞ্জিনিয়াৰিং কলেজ তেৱেঁই প্ৰতিষ্ঠা কৰিছিল। প্ৰদেশখনত ভূমি ৰাজহ প্ৰশাসন তেৱেঁই সংগঠিত কৰিছিল। তেওঁ লেখা *ডাইৰেকশ্যন্‌চ্‌ টু ৰেভিনিউ অফিচাৰ্জ* ৰাজহ প্ৰশাসনৰ ক্ষেত্ৰত এক সন্মানীয় কিতাপ। কাৰাগাৰ প্ৰশাসনতো তেওঁ কিছুমান মানৱীয় সংস্কাৰৰ ব্যৱস্থা লৈছিল। কৰ্মচাৰী প্ৰশাসনৰ ক্ষেত্ৰতো তেওঁ জ্ঞানী আৰু দূৰদৰ্শী আছিল। তেওঁৰ

প্ৰশাসন আছিল জনকল্যাণমুখী। কিন্তু তেওঁক জনা যায় শ্ৰেষ্ঠ প্ৰশাসকৰ প্ৰশিক্ষক হিচাপেও।

দেখাত আলসুৱা মানুহ হ'লেও টম্‌প্‌চন কামৰ সময়ত আছিল ভীষণ উৎসাহী। এই শক্তি আৰু উদ্যমৰ উৎস কি আছিল? সেই উৎস আছিল তেওঁৰ পত্নী বা ক'ব পাৰি তেওঁৰ পত্নীৰ সোঁৱৰণী। তেওঁৰ পত্নীৰ অকাল মৃত্যুৱে তেওঁলোকৰ বৈবাহিক জীৱনৰ কৰুণ সমাপ্তি আনি দিলে। প্ৰথম কেইবছৰমান তেওঁলোকৰ সংসাৰ বেচ সুখৰ আছিল। পিচত তেওঁৰ পৰিবাৰৰ অসুখ আৰম্ভ হ'ল। পত্নীক ইংলণ্ডলৈ ওভতাই নিয়া হ'ল আৰু তেওঁৰ অশেষ চেষ্টা সত্বেও বচাব পৰা নগ'ল।

এই বিয়োগ সহ্য কৰা তেওঁৰ পক্ষে সহজ নাছিল। সেয়ে পিচত তেওঁৰ পত্নীৰ প্ৰতি থকা আদৰ-যত্নৰ ভাব তেওঁ সেৱা কৰা মানুহখিনিলৈকে আগবঢ়ালে। অন্তৰৰ গভীৰ শোকে তেওঁৰ মনটোক পংগু নকৰিলে। পত্নী-বিয়োগৰ পিছৰ জীৱনত তেওঁৰ এক সহৃদয়তাৰ ভাব পৰিলক্ষিত হৈছিল।

তেওঁৰ নিৰলস প্ৰশাসনীয় কাম-কাজত তেওঁৰ পত্নীৰ সোঁৱৰণী অমৰ অনুপ্ৰেৰণা হৈ ৰ'ল। মানৱ সেৱাৰ উদ্যমে তেওঁৰ শোকৰ বোজা লাঘৱ কৰিলে। তেওঁৰ কামৰ সাফল্যসমূহ তেওঁৰ প্ৰিয়তমা পত্নীৰ এক সজীৱ সোঁৱৰণী হৈ ৰ'ল।

17

কামে আত্মোপলব্ধি দিয়ে

মানুহৰ প্ৰয়োজন সীমাহীন। কেতিয়াও সন্তুষ্ট নহয় বাবেই মানুহক চিৰ-অভাৱী প্ৰাণী বুলিও ক'ব পাৰি। মানুহৰ প্ৰয়োজন সদায় সলনিও হৈ থাকে। যদি কেইবাদিনো নোখোৱাকৈ থাকে তেন্তে প্ৰথমেই বিচৰা বস্তুটো হ'ল খাদ্য আৰু আন একো নহয়। তেতিয়া প্ৰেমৰ প্ৰতিও মুখ ভেঙুচাব। এবাৰ পেটটো ভৰাৰ পিচত এইবাৰ খাদ্য নিবিচাৰে, মৰম বিচাৰিব। মানুহৰ বিভিন্ন প্ৰয়োজনসমূহ তলত দিয়া অনুসাৰে সেইবিলাকৰ গুৰুত্বৰ ভিত্তিত ঠাৱৰ কৰিব পাৰি। এই গোটেই প্ৰয়োজনবিলাক, কেৱল মাত্ৰ পাৰিবাৰিক মৰম-চেনেহখিনি বাদ দি, পাব পাৰি কামৰ মাজেৰে। খাদ্য বা পানীৰ দৰেই কাম মানুহৰ অতীব প্ৰয়োজনীয়। পুংখানুপুংখভাবে কামক নুবুজাকৈ মানুহ আৰু সমাজক বুজিব নোৱাৰি। কামৰ যোগেদি মানৱ জীৱনে পূৰ্ণতা পায়। আৰু এই কাম হ'ল সমাজজীৱনৰ ৰক্তস্ৰোত।

মাচলোৱে তেওঁৰ উদ্যমৰ তত্বত মানুহৰ প্ৰয়োজনবিলাক এনেদৰে ভগাইছে ঃ

★ জোখৰ উপাৰ্জন, ঘৰ-বাৰী, ভাল খাদ্য।

★ প্ৰাকৃতিক দুৰ্যোগ যেনে বানপানী, ভূমিকম্প, ৰোগ-ব্যাধি, সামাজিক অশান্তিৰ পৰা সুৰক্ষা।

★ পৰিয়াল-পৰিজন, বন্ধু-সহকৰ্মীৰ মৰম, শুভেচ্ছা।

★ আত্ম-সন্মান, আত্ম-প্ৰয়োজন আৰু আত্ম-বিশ্বাস।

★ স্বীকৃতি, প্ৰশংসা, মান-সন্মান।

★ জ্ঞানৰ পৰিসৰ আৰু মননৰ গভীৰতা বৃদ্ধিৰ হেঁপাহ।

★ আত্মোপলব্ধি, অৰ্থাৎ ব্যক্তিত্বৰ পূৰ্ণ বিকাশ।

★ আত্ম-উত্তৰণ, দুৰ্লংঘ্য প্ৰাচীৰ অতিক্ৰম কৰাৰ সাফল্য।

মানুহৰ প্ৰয়োজনৰ শীৰ্ষত আছে আত্ম-উপলব্ধি। এই প্ৰয়োজনৰ গুৰুত্ব অপৰিসীম। সৰল অৰ্থত আত্ম-উপলব্ধিয়ে আত্ম-উন্নয়ন বুজায়। আত্ম-নিৰ্মাণ এক অন্তহীন কাৰ্যপ্ৰবাহ। আত্ম-নিৰ্মাণ প্ৰক্ৰিয়াত ৰত এজন ব্যক্তি ঠিক এনে ধৰণৰ হয়—

এজন পূজাৰীৰ নিষ্ঠাৰে তেওঁ নিজৰ কাম কৰে। তেওঁ দায়িত্ব পালন কৰে। স্বাধীন ভাবে চিন্তা কৰে। তেওঁৰ মূল্যবোধৰ প্ৰতি শ্ৰদ্ধা আছে। তেওঁ নিজকে বুজিবলৈ চেষ্টা কৰে আৰু এটা স্বকীয় ব্যক্তিত্ব গঢ় দিয়ে। তেওঁ নিজৰ প্ৰতিও সাধু আৰু আনৰ লগত যিকোনো সম্পৰ্কৰ ক্ষেত্ৰতো তেওঁ সাধুতা মানি চলে। আচাৰ-ব্যৱহাৰত তেওঁ সৰল আৰু স্বতঃস্ফূৰ্ত। তুচ্ছ চিন্তাৰে জুলা-কলা হৈ নাথাকে বাবে এনে মানুহ সততে ৰঙিয়াল। আত্মোপলব্ধিৰ বাবে কৰা কঠোৰ প্ৰয়াস তেওঁ উপভোগ কৰে কাৰণ সেইক্ষেত্ৰত লাভ কৰা প্ৰতিবিন্দু অগ্ৰগতি তেওঁৰ বাবে অনিৰ্বচনীয় সুখৰ মুহূৰ্ত। তেওঁৰ কাম তেওঁৰ বাবে হৈ পৰে জগতৰ পৱিত্ৰতম সম্পদ। এই কাম তেওঁৰ বাবে এক খেলা আৰু তাক কৰি উলিওৱাটোৱেই তাৰ পুৰস্কাৰ।

উত্তৰণ সাধন কৰাসকল এই আত্মনিৰ্মাণকাৰীসকলতকৈও এঢাপ ওপৰত। তেওঁলোক দূৰদৃষ্টিসম্পন্ন আৰু নতুন চিন্তাৰ বাহক। নিজৰ প্ৰয়াসত তেওঁলোক অধিক কৃতসংকল্প আৰু আপাততঃ অসম্ভৱ যেন কামো তেওঁলোকে সম্ভৱ কৰি দেখুৱায়। দেখাত অনতিক্ৰম্য যেন লগা বাধাও তেওঁলোকে হেলাৰঙে অতিক্ৰম কৰে।

উদাহৰণস্বৰূপে মহাত্মা গান্ধী আছিল এজন উত্তৰণসফল আত্ম-নিৰ্মাতা। কিন্তু তাৰ অৰ্থ এইটো নহয় যে কেৱল ডাঙৰ মানুহেহে এনে আদৰ্শ অনুসৰণ কৰিব পাৰে। এজন ক্ৰিকেট খেলুৱৈও এজন উত্তৰণসফল আত্ম-নিৰ্মাতা হ'ব পাৰে। নতুন এটা বেটিং ৰেকৰ্ড তেওঁ স্থাপন কৰিব পাৰে। ফুটবলৰ ৰজা পেলে তেনে এজন উত্তৰণ সাধক। এহাতে ইমান এজন প্ৰতিভাসম্পন্ন খেলুৱৈ কিন্তু তেওঁৰ কোনো অহংকাৰ আৰু নীচতা নাই। খেল-পথাৰৰ বাহিৰে-ভিতৰে তেওঁ এজন সঁচা অৰ্থত ভদ্ৰলোক।

কেইজনমান ভাৰতীয় আত্ম-নিৰ্মাতা

স্বামী বিবেকানন্দ

বিবেকানন্দৰ (নৰেন্দ্ৰ নাথ) জন্ম হৈছিল ১৮৬৩ চনত। তেওঁ অসাধাৰণ প্ৰতিভাৰ অধিকাৰী আছিল। জ্যামিতিৰ চাৰিখন গ্ৰন্থ তেওঁ চৌবিশ ঘণ্টাত আয়ত্ব কৰিছিল। প্ৰখৰ বুদ্ধিৰে তেওঁ এটা পৃষ্ঠাৰ প্ৰথম আৰু শেষৰ শাৰীকেইটা পঢ়িয়েই তাত সন্নিবিষ্ট কথাখিনি ধৰিব পাৰিছিল।

শৈশৱৰে পৰা সাধুসকলৰ প্ৰতি তেওঁৰ আছিল অপৰিসীম শ্ৰদ্ধা। তেওঁৰ

দুৱাৰমুখত থিয় হোৱা এজন সাধুক তেওঁ হাতত যি আছিল সকলো দি দিছিল। বাপেক-মাকে সেয়েহে সাধু ঘৰলৈ আহিলে তেওঁক এটা কোঠাত আবদ্ধ কৰি ৰাখিছিল।

তেওঁ গুৰুক পালে

বিবেকানন্দক প্ৰথম লগ পোৱাৰ পাচত মহান ঋষি ৰামকৃষ্ণ পৰমহংসই কৈছিল "কলিকতাৰ বৈষয়িক পৰিৱেশৰ পৰা এনে এজন আধ্যাত্মিক প্ৰাণ ওলাই অহা দেখি মই আচৰিতেই হৈছোঁ।" আনহাতে এই লগ পোৱাৰ অভিজ্ঞতা বিবেকানন্দৰ মুখত আৰু মনপৰশাহে ফুটিছে—"মই দেখি আচৰিত হ'লো যে মোৰ হাতত ধৰাৰ লগে লগে তেওঁৰ চকুৰেদি আনন্দাশ্ৰু বাগৰিছে।" ৰামকৃষ্ণই আবেগেৰে ক'লে—"মোৰ অন্তৰৰো অন্তঃস্থলৰ অভিজ্ঞতা বুজি পোৱা এজনৰ লগত মত বিনিময় কৰিবলৈ মই কিমান হেঁপাহ পুহি ৰাখিছোঁ।" পিচদিনা পুৱা শ্ৰীৰামকৃষ্ণই হাতযোৰ কৰি ক'লে "প্ৰভু, মই জানো আপুনিয়েই সেই প্ৰাচীন ঋষি, নাৰায়ণৰ নৰৰূপী অৱতাৰ, মানুহৰ ক্লেশ দূৰ কৰিবলৈ পৃথিৱীলৈ আহিছে।"

জীৱনৰ অন্তিম পৰত শ্ৰীৰামকৃষ্ণই নৰেন্দ্ৰক ক'লে "নৰেন, তোমাক মোৰ সৰ্বস্ব দি মই কপৰ্দকহীন ফকীৰ হ'লো।" ১৮৮৬ চনত তেওঁৰ বিয়োগৰ পিচত নৰেন্দ্ৰই তেওঁৰ স্থান ল'লে আৰু স্বামী বিবেকানন্দ হিচাপে পৰিচিত হ'ল।

এটি পাঠ শিকা হ'ল

ক্ষেত্ৰীৰ মহাৰজা স্বামীজীৰ এজন ভক্ত আছিল। এদিন সন্ধিয়া তেওঁ এটি সাংস্কৃতিক অনুষ্ঠানৰ আয়োজন কৰি তালৈ এজনী বাইজীকো অনালে। স্বামীজীক তালৈ মতা হৈছিল যদিও এজন সন্ন্যাসীৰ বাবে বাইজী নাচ চোৱা উচিত নহয় বুলি তেওঁ তালৈ নগ'ল। নাচনীজনীয়ে বৰ দুঃখ পালে আৰু এই প্ৰত্যাখ্যানৰ প্ৰত্যুত্তৰত গোৱাৰ দৰে সুৰদাসৰ এই বিখ্যাত গানটো গালে—

হে প্ৰভু, মোৰ বেয়া দিশবোৰ নাচাবা
তোমাৰ নামেই হ'ল সমদৃষ্টিসম্পন্ন
মন্দিৰৰ মূৰ্তিৰ এটুকুৰা লোহা
বা কচাইৰ হাতৰ চুৰিকাই হওক
কিন্তু দাৰ্শনিকৰ শিলাখণ্ডৰ স্পৰ্শত
দুয়োটাই হৈ পৰে সোণ।
সেয়েহে প্ৰভু, মোৰ বেয়া দিশবোৰ নাচাবা।

স্বামীজীয়ে তেতিয়া উপলব্ধি কৰিলে যে সকলো জীৱতে দৈৱত্ব থকাটো স্বীকাৰ কৰা অদ্বৈতবাদৰ ঘাই নীতি তেওঁ পাহৰিয়েই গৈছিল। পিচত তেওঁ সংগীতানুষ্ঠানলৈ গ'ল। পিচত তেওঁ স্বীকাৰ কৰিলে, "যিহেতু সকলোবোৰ ভগৱানৰে ভিন্ন ভিন্ন ৰূপ, মই কাকো ঘৃণা কৰিব নোৱাৰোঁ।"

ধৰ্ম সংসদ, আমেৰিকা (১৮৯৩)

এই সংসদত তেওঁৰ ভাষণ এতিয়া ইতিহাস। "এই কথা লৈ মই গৰ্বিত যে আমাৰটো ধৰ্মই পৃথিৱীক সহনশীলতা আৰু সাৰ্বজনীন গ্ৰহণযোগ্যতাৰ শিক্ষা দিলে।" এই উক্তিৰে তেওঁ বিশ্ব-বিখ্যাত হ'ল। তেওঁ আৰু ক'লে—"আমি সকলো ধৰ্মকে সত্য বুলি স্বীকাৰ কৰোঁ।" বাস্তৱসন্মত ভাবে তেওঁ এইটোও ক'লে—"মোৰ দেশৰ বাবে এতিয়া অতীব প্ৰয়োজন ধৰ্ম নহয়, অৰ্থনৈতিক উন্নয়নহে।"

পৰিচালনাৰ প্ৰজ্ঞা

মেনেজমেণ্টৰ ক্ষেত্ৰত তেওঁৰ দৃষ্টিভংগীয়ে দেখুৱায় তেওঁ কিমান দূৰদৰ্শী আছিল। তেওঁৰ মতে ভাৰতীয় মানুহে আনৰ লগত ক্ষমতা ভাগ কৰিব নোখোজা বাবেই দেশখনত উৎপাদনশীল সংগঠন গঢ়ি উঠা নাই। তেওঁ কৈছিল যে প্ৰতিজন মানুহকে তেওঁৰ ৰুচি অনুসৰি কাম দিব পৰাটোৱেই হ'ল কৌশলী পৰিচালনা।

এক মহান জীৱনৰ সমাপ্তি

"নিৰলস পৰিশ্ৰম কৰি মই একেবাৰে ভাগৰি পৰিছোঁ। মই এক দীঘলীয়া বিশ্ৰামৰ বাবে ভাৰতলৈ ঘূৰি যোৱাৰ কথা ভাবিছোঁ"—এবাৰ তেওঁ এজন আমেৰিকান বন্ধুলৈ লেখিছিল। ১৯০১ চনত তেওঁ ভাৰতলৈ ঘূৰি আহিল। উনচল্লিশ বছৰ বয়সত তেওঁৰ মৃত্যু হ'ল। চল্লিশ বছৰলৈ জীয়াই নাথাকোঁ বুলি তেওঁ নিজে কোৱা কথাষাৰ ফলিয়ালে। কিন্তু তেওঁৰ মহৎ কৰ্মৰাজি সকলোৰে বাবে প্ৰেৰণাৰ এগছি অক্ষয় বন্তি হৈ ৰ'ল।

তীৰ্থযাত্ৰীৰ অগ্ৰগতি

১৯৪৬ চনৰ ২ চেপ্টেম্বৰ ভাৰতৰ ইতিহাসৰ এক উল্লেখযোগ্য দিন। জৱাহৰলাল নেহৰুৱে স্বাধীন ভাৰতৰ প্ৰথম প্ৰধানমন্ত্ৰী হিচাপে কাৰ্যভাৰ ল'লে। কিন্তু জিন্নাই দিনটো শোক দিৱস হিচাপে মানি মুছলমানসকলক ক'লা পতাকা উৰুৱাবলৈ আহ্বান জনালে। মুছলিম লীগে জাতীয় সংবিধান সভা বৰ্জন কৰাৰ সিদ্ধান্ত

কৰিলে। গান্ধীজীয়ে দেখিলে পৰিস্থিতি এনেকৈ আগবাঢ়িলে এদিন গৃহযুদ্ধ হ'ব। ভাইচৰয় ৱেভেলে মুছলিম লীগক নতুন চৰকাৰত যোগ দিবলৈ কোনোমতে সৈমান কৰালে কিন্তু কাৰ্যতঃ ই এখন বিভক্ত সদন হৈয়েই থাকিল।

জীৱনধাৰা

গান্ধীজীয়ে গাঁৱে গাঁৱে বহুত ঘূৰিছিল। ৰাতিপুৱা চাৰি বজাতে তেওঁ শুই উঠিব, চাৰি-পাঁচ কিলোমিটাৰ খালী ভৰিৰে ইখন গাঁৱৰ পৰা সিখন গাঁৱলৈ যাব, য'ত যেনেকৈ পালে কিছু ফল-মূল আৰু ছাগলী গাখীৰ খাব; এয়ে আছিল তেওঁৰ দৈনিক ৰুটিন। সাতসত্তৰ বছৰ বয়সত খালী ভৰিৰে এনেকৈ খোজ কঢ়াটো বেছ কষ্টকৰ আছিল। তেওঁ এবাৰ কৈছিল—"এই শাস্তি মই গ্ৰহণ কৰিছোঁ। এয়া মোৰ তীৰ্থযাত্ৰা আৰু তীৰ্থযাত্ৰীয়ে জোতা-চেন্দেল নিপিন্ধে।"

নোৱাখালি আৰু টিপ্পেৰাৰ সংঘৰ্ষ

পূৰ্ববংগৰ নোৱাখালি আৰু টিপ্পেৰাৰ হিন্দুসকলক কিছুমান মুছলমানে আক্ৰমণ কৰিলে। তেওঁৰ শান্তিযাত্ৰাৰ অংশ হিচাপে গান্ধীজীয়ে এই অঞ্চলসমূহো ভ্ৰমণ কৰাৰ সিদ্ধান্ত ল'লে। এই যাত্ৰাৰ বিশেষ প্ৰচাৰ নহ'বলৈ বুলি তেওঁ অনুগামীসকলক ষ্টেচনত তেওঁক বিদায় দিবলৈও মানা কৰিলে। তথাপিও ষ্টেচনত বহুতো লোকৰ সমাগম হ'ল আৰু এখন বিশেষ ৰেলগাড়ী তেওঁৰ বাবে সাজু কৰা হ'ল।

গান্ধীজীয়ে দিল্লী এৰাৰ দিনাই কলিকতাত সাম্প্ৰদায়িক সংঘৰ্ষত ৩২ জন লোকৰ মৃত্যু হ'ল। গান্ধীজীয়ে বৰ আঘাত পালে। মানুহক অসুৰ কৰি পেলোৱা এই সামূহিক উন্মাদনাত তেওঁ ম্ৰিয়মান হ'ল।

নোৱাখালিত মুছলমানবিলাকে বিৰাট হাৰত আতিশয্য আৰম্ভ কৰিলে; মন্দিৰ জ্বলাই দিলে, হিন্দু মানুহক জোৰ কৰি ইচলামলৈ ধৰ্মান্তৰিত কৰিলে, হিন্দু মহিলাৰ শ্লীলতা হানি কৰিলে। এইবিলাক নৃশংসতা দেখি গান্ধীজীয়ে মন্তব্য কৰিলে—"লাঞ্চিতা মহিলাৰ ক্ৰন্দনে মোক নোৱাখালিলৈ আহিবলৈ বাধ্য কৰিলে। প্ৰয়োজন হ'লে মই ইয়াতে মৰণক আঁকোৱালি ল'ম কিন্তু নীৰৱে পৰাজয় স্বীকাৰ নকৰোঁ।"

বিহাৰত হিন্দুসকল সংখ্যাগৰিষ্ঠ আছিল। ২৫ অক্টোবৰত তেওঁলোকে "নোৱাখালি দিৱস" পাতি হুংকাৰ দিলে—"তেজৰ সলনি তেজ"। প্ৰায় দহহাজাৰ লোকৰ হত্যাত গান্ধীজী শিয়ৰি উঠিল। পুনৰ এক স্ব-আৰোপিত শাস্তি লৈ গান্ধীজীয়ে 'সীমিত খাদ্য'ত থাকিবলৈ ল'লে যাৰ অৰ্থ হ'ল আমৰণ অনশন। হিন্দুবিলাকৰ প্ৰতিহিংসা বন্ধ নোহোৱালৈকে এয়া চলি থাকিল।

চৰ্দাৰ পেটেল আৰু জৱাহৰলাল নেহৰুৱে গান্ধীজীক এই অনশন পৰিহাৰ কৰিবলৈ খুবকৈ বুজালে যদিও গান্ধীজী নিজৰ সিদ্ধান্তত অটল হৈ থাকিল। তেওঁৰ মতে "বিহাৰে মনুষ্যত্ব পাহৰি গৈছে।" অৱশেষত তেওঁ অনশন এৰিলে কাৰণ ইয়াৰ ফলত পৰিস্থিতি অধিক বেয়ালৈ যোৱাৰহে আশংকা পৰিলক্ষিত হৈছিল।

১৯৪৬ চনৰ ৬ নৱেম্বৰ তাৰিখে গান্ধীজীয়ে নোৱাখালিলৈ বুলি কলিকতা এৰিলে। নোৱাখালি দেশৰ ভিতৰতে এটা অতি দুৰ্গম অঞ্চল আছিল। সত্তৰ বৰ্গ কিলোমিটাৰৰ অঞ্চলটোত ২৫ লাখ মানুহৰ বসতি আছিল যাৰ ৮০ শতাংশই আছিল মুছলমান। ইতিমধ্যে আৰম্ভ হোৱা সাম্প্ৰদায়িক সংঘৰ্ষই ঠাইখন জুৰুলা কৰি পেলাইছিল।

নোৱাখালিত গান্ধীজী নিৰ্মল কুমাৰ বসুৰ সৈতে আছিল যি তেওঁৰ দোভাষীৰ কামো কৰিছিল।

গান্ধীজীৰ বাবে কামটো সহজ নাছিল। তেওঁ নিজেই কৈছিল—"মোৰ এই কাম জীৱনতে আটাইতকৈ জটিল।" তেওঁৰ লক্ষ্য আছিল সাম্প্ৰদায়িক সম্প্ৰীতি স্থাপন কৰা আৰু এই লক্ষ্যৰেই তেওঁৰ জীৱনৰ শেষ দিনালৈকে কাম কৰিছিল।

হিন্দুসকলৰ ওপৰত বেচ আতিশয্য চলিছিল। দুখন জিলাত দহ হাজাৰ ঘৰত লুটপাত চলিছিল। টিপ্পেৰাত ৯,৮৯৫ জনক জোৰকৈ ইচলামলৈ ধৰ্মান্তৰিত কৰা হৈছিল। হিন্দু মহিলাৰ ওপৰত আতিশয্য আৰু নৃশংস আছিল। কেইবাহাজাৰ মহিলাক অপহৰণ কৰি বলপূৰ্বক ভাবে মুছলমানৰ লগত বিয়া দিয়া হৈছিল। এই কাৰ্যই হিন্দুসকলক অপমানিতই নহয় ভীষণ ভাবে তিক্ত কৰিছিল। গান্ধীজীৰ অনুগামীসকলৰ মাজত কেইবাজনো মুছলমান আছিল, তেওঁলোকেও এই হিংসা নিন্দা কৰিছিল।

আমতুল চালাম নামৰ এগৰাকী মুছলমান যুৱতীয়ে গান্ধীজীৰ দৰ্শনৰ লগত সম্পূৰ্ণভাবে একাত্ম হৈ পৰিছিল। এটা মন্দিৰৰ পৰা এখন তৰোৱাল চুৰি হোৱাত আমতুলে আমৰণ অনশন আৰম্ভ কৰিলে। তাই সিদ্ধান্ত ল'লে যে তৰোৱাল ঘূৰাই দিলেহে তাই অনশন ভাঙিব। অৱস্থা লাহে লাহে বেয়াৰ ফালে ঢাল খালে। গান্ধীজীয়ে মুছলমান গঞাৰাইজক বুজাই বঢ়াই এক শপতনামাত চহী কৰালে যে তেওঁলোকে হিন্দু নাৰীৰ শ্লীলতা হানি নকৰে।

এবাৰ গান্ধীজী এক পঁজাত বহি থাকোঁতে কেইজনমান মুছলমান মানুহ তেওঁক লগ ধৰিবলৈ আঁহিল। সুচেতা কৃপালনীয়ে এখন চিঠি যোগে তেওঁক জনালে যে তেওঁলোকৰ এজনে অলপতে কেইবাজনো হিন্দু হত্যা কৰিছে। গান্ধীজীয়ে ক্ষীণকৈ হাঁহিলে আৰু এনেধৰণে কথাবতৰা চলাই গ'ল যেন একোৱেই

হোৱা নাই। তেওঁ অপৰাধৰ বাবে শাস্তি দিয়াৰ পোষকতা কৰা নাছিল। এজন পৰম মানৱতাবাদী আছিল বাবেই প্ৰতিপক্ষৰ ক্ষেত্ৰতো তেওঁ হৃদয়ৰ পৰিৱৰ্তনহে বিচাৰিছিল।

১৯৪৭ চনৰ ২৪ জানুৱাৰীত মুৰাইনত এখন সফল প্ৰাৰ্থনা সভা অনুষ্ঠিত হয়। গান্ধীজীৰ মতে এই সফলতাৰ আঁৰত আছিল আমতুল চালামৰ অনশন।

মুঠৰ ওপৰত গান্ধীজী আছিল এজন গভীৰ চিন্তাবিদ, সফল সংগঠক, এক কৃতসংকল্প সৈনিক আৰু মহান দিকদৰ্শী, সৰ্বোপৰি তেওঁ আছিল এজন কৰ্মযোগী।

চৰ্দাৰ বল্লভ ভাই পেটেল

মানুহৰ কাৰ্যাৱলীৰ ভিতৰত বোধহয় আটাইতকৈ জটিল হ'ল জনপ্ৰশাসন কাৰণ ইয়াৰ লগত এহাতে জড়িত থাকে মুদ্ৰাস্ফীতি, নিবনুৱা সমস্যা, দৰিদ্ৰতা, সন্ত্ৰাসবাদ আদিৰ দৰে গুৰু বিষয় আৰু আনহাতে থাকে জীৱনক ঐশ্বৰ্যমণ্ডিত কৰা কলা, বিজ্ঞান আদিৰ চৰ্চা। চৰ্দাৰ বল্লভ ভাই পেটেল আছিল এজন সফল ৰাজনীতিবিদ আৰু সুদক্ষ প্ৰশাসক।

বাৰদৌলিৰ সত্যাগ্ৰহ

১৯২৬ চন। বৃটিছ চৰকাৰৰ নতুন কৰৰ বোজাত মুম্বাই প্ৰদেশৰ বাৰদৌলি তালুকৰ কৃষকসকল পেপুৱা লাগিল। তালুকখনৰ বাৰ্ষিক মাটিৰ খাজনা ৫.১৪ লাখ টকাৰ পৰা ৬.৭ লাখ টকালৈ পিচৰ ত্ৰিশ বছৰলৈ বঢ়াই দিয়া হ'ল। এই ২২ শতাংশ বৃদ্ধি কোনো প্ৰণালীবদ্ধ সমীক্ষাৰ ওপৰত ভিত্তি কৰি কৰা হোৱা নাছিল।

দৰিদ্ৰ কৃষকসকল চৰ্দাৰ পেটেলৰ ওচৰ চাপিল। তেওঁলোকৰ প্ৰতি সহানুভূতিশীল পেটেলে প্ৰশ্ন কৰিলে—"তোমালোকে চৰকাৰৰ বিৰুদ্ধে আন্দোলন কৰিবলৈ ইচ্ছা কৰানে?" কৃষকসকল সেইদিনা গ'ল, আৰু এসপ্তাহৰ পিচত ঘূৰি আহি ক'লেহি যে গোটেই তালুকৰ ৰাইজ আন্দোলন কৰিবলৈ প্ৰস্তুত।

আন্দোলন যে উত্তপ্ত হ'ব বুজা গৈছিল কিন্তু পেটেল নিশ্চিত যে কৃষকসকল সকলো দুঃখ-কষ্টৰ সাহসেৰে সন্মুখীন হ'ব। কৃষকসকলে এই সত্যাগ্ৰহৰ বাবে মহাত্মা গান্ধীৰো আশীৰ্বাদ ল'লে। ১৯২৮ চনৰ ৬ ফেব্ৰুৱাৰীত পেটেলে নতুন কৰ নীতিৰ পুনৰ্বিবেচনা প্ৰাৰ্থনা কৰি মুম্বাইৰ গৱৰ্ণৰলৈ লেখিলে কিয়নো এই নীতিয়ে দুখীয়া খেতিয়কৰ ওপৰত কু-প্ৰভাৱ পেলাব। কিন্তু সেই অনুৰোধ অগ্ৰাহ্য কৰা হ'ল। পেটেলো বশ মনা মানুহ নহয়; কৃষক ৰাইজক আন্দোলন অব্যাহত ৰাখিবলৈ

পৰামৰ্শ দি তেওঁ ক'লে—"ন্যায়ৰ এই সংগ্ৰামত তোমালোকৰ চকুত ভাস্বত হওক গৰ্বৰ ৰশ্মি।" এই সংগ্ৰাম সফল কৰাৰ মানসেৰে হিন্দু, মুছলমান আনকি মহিলাসকলকো সাঙুৰি এক গণ-আন্দোলনৰ আয়োজন কৰা হ'ল।

পেটেলে গাঁৱে গাঁৱে ঘূৰি কৃষকৰ ঘৰে ঘৰে খাই শুই তেওঁলোকক জংগী কায়দাত সংগঠিত কৰিলে। তেওঁৰ কথামতেই পেটেল আৰু তালাঠীসকলে বৃটিছৰ চাকৰি ইস্তফা দিলে।

পঞ্চাশজন বণিয়া মাটিগিৰীক অধিক হাৰত খাজনা দিবলৈ নটিচ জাৰি কৰাৰ পৰাই আন্দোলন আৰম্ভ হ'ল। কেৱল দুজনেহে খাজনা দিলে, বাকী আঠচল্লিশজনে নটিচ ফালি পেলালে। মাটিৰ মালিকীস্বত্ব যাব বুলি চৰকাৰে দিয়া ভাবুকি কামত নাহিল। তদুপৰি আইনগত প্ৰক্ৰিয়া খুব দীঘলীয়া আছিল। এইবাৰ চৰকাৰে তেওঁলোকৰ ম'হবোৰ লৈ আনিব খুজিলে কিন্তু তাকে কৰিবলৈ মানুহ নাপালে। শেষত পাঠানসকলক নিয়োজিত কৰিলে। গৈ থৈ ম'হবিলাক ক্ৰোক নকৰিলেও ঘৰৰ ভিতৰত ৰখা হ'ল; এতিয়া তলা ভাঙি উলিয়াই নিয়াটো বেআইনী পৰিগণিত হ'ব।

গুজৰাটৰ কমিছনাৰে চৰ্দাৰ পেটেল আৰু তেওঁৰ অনুগামীসকলক সমালোচনা কৰিলে। তেওঁলোকৰ নেতাক কিছু লঘু কৰিবলৈ বিচৰা দেখি ৰাইজেও আন্দোলনৰ জোৰ বঢ়াই দিলে। উদাহৰণস্বৰূপে দাঢ়ি-চুলি কাটিবলৈ কোনো ক্ষৌৰকৰ্মীও চৰকাৰী আমোলাৰ ওচৰলৈ নহা হ'ল। ৰবিশংকৰ মহাৰাজ নামৰ ৰাইজৰ এজন বেচ শ্ৰদ্ধেয় ব্যক্তিক ছমাহৰ কাৰাবাস দিয়াৰ ফলত চৰকাৰ আৰু জনতাৰ মাজৰ দূৰত্ব আৰু বৃদ্ধি পালে। পেটেল, তালাঠী তথা অন্যান্য কৰ্মচাৰীৰ ইস্তফাৰ ফলত চৰকাৰী যন্ত্ৰ কাৰ্যতঃ বিফল হৈ পৰিল। ৰাইজে 'বাৰদৌলিৰ চৰ্দাৰ' নাম দিয়া বল্লভ ভাইৰ অনুমোদন অবিহনে জিলাৰ বৰ চাহাবেও গাড়ী-ঘোঁৰা নোপোৱা হ'ল।

অৱশেষত, চৰকাৰে এক স্বতন্ত্ৰ তদন্ত চলাবলৈ ৰাজী হ'ল যদিহে নতুন হাৰমতে খাজনা দিয়া হয় আৰু আন্দোলন বন্ধ কৰা হয়। পেটেল আৰু তেওঁৰ অনুগামীসকলে ইয়াক মানি ল'লে। চৰকাৰে তদন্ত সমিতি পতাই নহয়, চাকৰি ইস্তফা দিয়াসকলক পুনৰ মকৰল কৰিলে, বন্দীসকলক মুক্তি দিলে, বাজেয়াপ্ত কৰা মাটি-সম্পত্তি মোকলাই দিলে। শেষত সমিতিয়ে ২২ শতাংশৰ ঠাইত ৫.৭ শতাংশ বৃদ্ধিতহে অনুমোদন জনালে।

বাৰদৌলিৰ এই বন্দবস্তি সত্যাগ্ৰহৰ এক বিজয়ৰূপে চিহ্নিত হ'ল। 'বাৰদৌলিৰ চৰ্দাৰ' এতিয়া 'ভাৰতৰ চৰ্দাৰ' হৈ পৰিল। কেৱল এজন স্থিৰসংকল্পবদ্ধ আৰু সুদক্ষ

গৃহমন্ত্ৰী হিচাপেই নহয়। এজন কুশলী সংগঠক হিচাপেও তেওঁ বিখ্যাত হৈ পৰিল।

তেওঁৰ শেষকৃত্যৰ সময়ত ৰাষ্ট্ৰপতি ৰাজেন্দ্ৰ প্ৰসাদে কৈছিল—'চৰ্দাৰ পেটেলৰ দেহাৱশেষ অগ্নিয়ে গ্ৰাস কৰিব, কিন্তু পৃথিৱীৰ কোনো অগ্নিয়ে তেওঁৰ খ্যাতি গ্ৰাস কৰিব নোৱাৰে।' আন এক প্ৰোজ্জ্বল শ্ৰদ্ধাৰ্ঘ্যত চি. ৰাজাগোপালাচাৰীয়ে কৈছে—'প্ৰেৰণা, উদ্যম, প্ৰত্যয় আৰু শক্তিৰ কি এক মূৰ্ত প্ৰকাশ আছিল এই বল্লভ ভাই পেটেল! তেওঁৰ নিচিনা আন এজন আমি আৰু নাপাওঁ।'

আচাৰ্য ৱিনোবা ভাৱে

মহাৰাষ্ট্ৰৰ কোলাবা জিলাৰ এখন সৰু গাঁৱৰ এটি ব্ৰহ্মণ পৰিয়ালত ১৮৯৫ চনৰ ১১ চেপ্টেম্বৰ তাৰিখে ৱিনোবাৰ জন্ম হয়। দেউতাকৰ এটা বৈজ্ঞানিক মন আছিল আৰু তেওঁ ৰং প্ৰস্তুত কৰা বিষয়লৈ বিশেষভাবে আগ্ৰহী আছিল। ধৰ্মপ্ৰাণা মাকক ৱিনোবাই গভীৰভাবে শ্ৰদ্ধা কৰিছিল।

ৱিনোবাৰ স্মৃতিশক্তি আছিল আসাধাৰণ। চল্লিশ হাজাৰ শ্লোক আৰু কবিতা তেওঁ অপ্ৰয়াসে মাতিব পাৰিছিল। ছাত্ৰ হিচাপে তেওঁ শিক্ষকৰ কথা মন দি শুনিছিল আৰু যি শিকাইছিল ভালদৰে মনত ৰাখিছিল। টোকা লেখা তেওঁৰ বাবে প্ৰয়োজন নাছিল। তেওঁৰ মনোযোগ দিব পৰা ক্ষমতা আছিল অসামান্য। সৰ্বোপৰি, তেওঁ গণিত খুব ভাল পাইছিল।

১৯১৬ চনৰ ৭ জুনত ৱিনোবাই প্ৰথম মহাত্মা গান্ধীক লগ পাইছিল। নিজৰ আশ্ৰমৰ পাকঘৰত পাচলি কাটি থকা গান্ধীজীয়ে ৱিনোবাক তেওঁক সহায় কৰি দিবলৈ কৈছিল। কিন্তু অভ্যাস নাই বুলি ৱিনোবাই নকৰিলে। কিন্তু সেইদিনা গান্ধীজীৰ লগত হোৱা দীঘলীয়া আলাপৰ পাচত ৱিনোবাৰ জীৱনৰ গতিপথ সলনি হৈছিল।

১৯৪০ চনৰ ১৭ অক্টোবৰত মহাত্মা গান্ধীয়ে ব্যক্তিগত সত্যাগ্ৰহ আৰম্ভ কৰিলে আৰু যুদ্ধ-বিৰোধী জাতীয় সংকল্প অহিংস ৰূপত সাব্যস্ত কৰিবলৈ ৱিনোবাক পঠিয়ালে। তেতিয়ালৈকে অখ্যাতপ্ৰায় ৱিনোবা অচিৰেই পৃথিৱীতে জনাজাত হ'ল।

ভূদান আন্দোলন

১৯৪৮ চনত ভাৰতৰ কমিউনিষ্ট পাৰ্টিয়ে হায়দৰাবাদৰ তেলুগু ভাষা-ভাষী অঞ্চলত দৰিদ্ৰ কৃষকৰ ওপৰত কৰা শোষণৰ প্ৰতিবাদত জমিদাৰসকলৰ বিৰুদ্ধে এক

আন্দোলন আৰম্ভ কৰিছিল। এই আন্দোলনে হিংস্ৰ ৰূপ ল'লে আৰু প্ৰায় পাঁচশ মানুহ নিহত হ'ল। এই হিংসা প্ৰশমনৰ বাবেই ৰিনোবাই ভূদান আন্দোলন আৰম্ভ কৰিলে আৰু জমিদাৰসকলক অনুৰোধ কৰিলে তেওঁক যেন পঞ্চম পুত্ৰ বুলি ভাবি এটুকুৰা ভূমি দান কৰে। এই আবেদনে সুন্দৰ সঁহাৰি পালে আৰু দহ বছৰৰ ভিতৰতে ৰিনোবাজীয়ে এক নিযুত একৰৰো বেছি মাটি লাভ কৰিলে। গোটেই পৃথিৱীতে ভূদান আন্দোলন জনাজাত হ'ল এক জ্বলন্ত সমস্যাক এইদৰে শান্তিপূৰ্ণ ভাবে সমাধান কৰাৰ বাবে।

ভূদান আন্দোলনৰ সফলতাই ৰিনোবাক 'গ্ৰামদান' আৰু 'জনদান' আহ্বান কৰিবলৈও উদগালে। মানুহক তেওঁৰ আন্দোলনৰ প্ৰতি উদ্বুদ্ধ কৰিবলৈ খালী ভৰিৰে তেওঁ দেশৰ ইমূৰৰ পৰা সিমূৰলৈ প্ৰায় ৬০,০০০ কিলোমিটাৰ পথ পৰিভ্ৰমণ কৰিলে। বহুতো খ্যাতনামা নেতাইও এই অনন্য আন্দোলনত তেওঁৰ লগত সহযোগ কৰিলে। তাৰ ভিতৰত জয়প্ৰকাশ নাৰায়ণো আছিল। তেওঁ গ্ৰাম্য বিপ্লৱৰ পোষকতা কৰিছিল।

গীতা প্ৰৱচন

১৯৩২ চনত ধুলে কাৰাগাৰত ৰিনোবাই ভগৱৎগীতা বিষয়ক মাৰাঠী ভাষাত কেইটামান বক্তৃতা দিছিল। সাধু আৰু সমাজসেৱকসকল ইয়াত উপস্থিত আছিল। ১৯৯৪ চনৰ চেপ্টেম্বৰ মাহলৈকে এই বক্তৃতা সম্বলিত পুস্তিকাখনৰ ৩,৩০,৫০০ কপি বিক্ৰী হৈছিল।

তেওঁৰ জীৱনৰপৰা এইকেইটা শিক্ষা ল'ব পাৰি ঃ

★ পাৰ্থিব ভোগ-লালসাই অনুপ্ৰাণিত কৰা কাম বৰ্জন কৰিব লাগে আৰু মনৰ অহং ভাব পৰিত্যাগ কৰিব লাগে।

★ ভাল কাম কৰোঁতে তাৰ বিনিময়ত একো আশা কৰিব নালাগে। এনে নিঃস্বাৰ্থ কামে মনক চহকী কৰে আৰু কামৰ বোজা পাতলাই নাইকিয়া কৰে।

★ একোটা কাম শেষ হ'লেও মানুহৰ মনত কৰ্মপ্ৰেৰণা জাগ্ৰত ৰখাটো অব্যাহত থাকিব লাগে।

★ পৱিত্ৰ কামবিলাক সময়ৰ স্বাভাৱিক গতি প্ৰবাহতে সাধন কৰিব লাগে নহ'লে পৰিত্যাগ কৰিব লাগে।

★ স্বধৰ্ম দুই প্ৰকাৰৰ ঃ এটা সলনি হয় আনটো নহয়। ধৰ্ম সলনি নহ'ব পাৰে কিন্তু জীৱন প্ৰবাহ অৰ্থাৎ আশ্ৰম সলনি হ'ব পাৰে বা উচ্চতৰ মানসিক উন্নতিৰ বাবে সলনি হ'ব লাগেও।

এজন কৃশকায়, সাধাৰণ চেহেৰাৰ মানুহ হ'লেও ৰিনোবাজীয়ে অসাধাৰণ সাফল্য লাভ কৰিছিল। তেওঁৰ প্ৰগাঢ় অধ্যয়ন আৰু দীপ্ত কৰ্ম আঁচনিৰে দৰিদ্ৰতা তথা সামাজিক অন্যায় দূৰীকৰণৰ বাবে সহস্ৰজনৰ সমৰ্থন আদায় কৰিব পাৰিছিল।

বিশ্বেশ্বৰয়া

এশবছৰৰো অধিক দীঘলীয়া জীৱনৰ অধিকাৰী বিশ্বেশ্বৰয়াই দেশৰ সৰ্বোচ্চ সন্মান ভাৰতৰত্ন লাভ কৰিছিল। আধুনিক ভাৰতৰ তেওঁ আছিল নিস্বাৰ্থ স্থপতি; দেশৰ সেৱাতেই তেওঁ জীৱন উচৰ্গা কৰিছিল।

আগবয়সত তেওঁ অতিশয় ক্ষীণ আৰু দুৰ্বল আছিল। সংস্কৃতৰ শিক্ষকজনে সেয়ে ধেমালিৰ ছলতে কৈছিল—"ই খুব বেছি ত্ৰিশবছৰ জীয়াই থাকিব।"

কোনোবাই এবাৰ তেওঁক সুধিছিল আপোনাৰ এই দীঘলীয়া জীৱনৰ গুপুত সত্য কি?" তেওঁ উত্তৰ দিছিল—"কঠোৰ পৰিশ্ৰম, সুশৃংখল অভ্যাস, পৰিমিত বিলাস, সন্তুষ্টি আৰু আনন্দ।"

তেওঁ আছিল এজন বহুমুখী প্ৰতিভাসম্পন্ন অভিযন্তা যি পিছলৈ হৈছিলগৈ এজন দূৰদৰ্শী ৰাজনীতিজ্ঞ তথা সুদক্ষ প্ৰশাসক। অভিযন্তা হিচাপে তেওঁ নতুন যন্ত্ৰ আৱিষ্কাৰ কৰিছিল, জলসিঞ্চনৰ নতুন পদ্ধতি উলিয়াইছিল, বান্ধৰ বাবে স্বয়ংক্ৰিয় জপনা উদ্ভাৱন কৰিছিল। মহীশূৰৰ দেৱান হৈ তেওঁ প্ৰদেশখনৰ যথেষ্ট উন্নতি সাধন কৰিছিল আৰু তেওঁক সেয়েহে 'আধুনিক মহীশূৰৰ নিৰ্মাতা' আখ্যা দিয়া হয়। ভাৰতৰ অৰ্থনৈতিক পৰিকল্পনাৰ তেওঁ অন্যতম হোতা আছিল। তেওঁ সেই বিখ্যাত স্লগান উলিয়াইছিল—"উৎপন্ন কৰাঁ, নতুবা উচ্ছন্ন হোঁৱা।"

সম্পূৰ্ণতাৰ প্ৰতি বিশ্বেশ্বৰয়াৰ বিশেষ ধাউতি আছিল। প্ৰতিটো কামেই আছিল তেওঁৰ বাবে পৱিত্ৰ। "তোমাক যদি আলিবাটত ঝাড়ু দিবলৈ কোৱা হয়, তোমাৰ কাম হ'ব সেইটো পৃথিৱীৰ আটাইতকৈ চাফা আলিবাট কৰি তোলা।" দেৱান পদৰ পৰা ইস্তফা দিয়াৰ সময়ত তেওঁ মহাৰাজালৈ লেখিলে—"মই কোনো কাম বাকী ৰখা নাই।" কামত গাফিলতি তেওঁ একেবাৰে সহ্য নকৰিছিল।

তেওঁ আছিল এজন সফল মেনেজাৰ যাৰ বাবে সময় আছিল অতি পৱিত্ৰ। এবাৰ এজন বিষয়াই তেওঁক লগ ধৰিবলগীয়া আছিল চাৰি বাজি দহ মিনিটত। কিন্তু তেওঁ আহিল চাৰি বাজি পোন্ধৰ মিনিটত। বিশ্বেশ্বৰয়াই তেওঁক ক'লে—"আপুনি মোৰ মূল্যৱান পাঁচ মিনিট সময় নষ্ট কৰিলে!" তেওঁৰ সকলো কথাৰে নিৰ্দিষ্ট সময় আছিল। আনকি শোৱাৰ ক্ষেত্ৰতো। মহীশূৰৰ দেৱান হৈ থাকোঁতে

তেওঁ সদায় পুৱা সাত বজাৰপৰা দুপৰীয়া এক বজালৈ আৰু বিয়লি তিনি বজাৰ পৰা সন্ধিয়া আঠ বজালৈ নিয়মীয়াকৈ কাম কৰিছিল। দেওবাৰ বা আন বন্ধৰ দিনতো তাৰ ব্যতিক্ৰম নহৈছিল। নিয়মানুৱৰ্তিতাৰ ক্ষেত্ৰত তেওঁ আছিল কঠোৰ আৰু সদয়।

১৯৪৭ চনত, সাতাশী বছৰ বয়সত, তেওঁ নতুন দিল্লীত অনুষ্ঠিত হোৱা প্ৰথম ঔদ্যোগিক অভিৱৰ্তনৰ সভাপতিত্ব কৰে। তেওঁ চাৰি বজাত শুই উঠিল আৰু আগদিনা মুম্বাইত লেখি অনা ভাষণৰ খচৰাটো মনত ৰাখিবলৈ যত্ন কৰিলে। তেওঁ প্ৰতিটো কাম একেবাৰে নিৰহ নিপানী হোৱাটো বিচাৰিছিল আৰু নিজৰ স্মৃতিকো বিশ্বাস নকৰিছিল। প্ৰত্যেকটো তথ্যকে তেওঁ আকৌ চালি জাৰি চাইছিল। পোছাক-পাতিৰ ক্ষেত্ৰতো তেওঁ আছিল অত্যন্ত পৰিপাটি। এটা ব্যস্ত দিনৰ শেষতো তেওঁৰ কাপোৰত ধূলিকণা এটাও নালাগিছিল।

সৰ্বোপৰি তেওঁ আছিল এজন নীতিনিষ্ঠ মানুহ। তেওঁৰ সততা আছিল সন্দেহৰ ঊৰ্ধ্বত। সহকাৰী অভিযন্তা হৈ থাকোঁতে তেওঁ প্ৰায়ে ভ্ৰমণত যাব লাগিছিল। কেম্পত চৰকাৰী কাম কৰোঁতে তেওঁ চৰকাৰে দিয়া মম জ্বলাইছিল। কিন্তু ব্যক্তিগত কাম কৰিবৰ সময়ত তেওঁ নিজে কিনা মম জ্বলাইছিল। দেৱান পদৰ পৰা ইস্তফা দিয়াৰ পিচত তেওঁ নিজৰ গাড়ীত ঘৰলৈ ঘূৰি আহিছিল। তেওঁ স্বজনপ্ৰীতিকো প্ৰশ্ৰয় নিদিছিল। চাকৰি বা পদোন্নতিৰ ক্ষেত্ৰত তেওঁ মেধাৰ বাহিৰে একোতে গুৰুত্ব নিদিছিল।

তেওঁ আছিল এনে এজন মানুহ যি নিজক বুজি পাইছিল।

পি. ভি. কানে

ৰত্নগিৰি জিলাৰ ক্ষেত্ৰ পৰশুৰাম নামৰ এখন সৰু গাঁৱত ১৮৮০ চনৰ ৭ মে' তাৰিখে এটা মধ্যবিত্ত পৰিয়ালত পি. ভি. কানেই জন্মলাভ কৰিছিল। তেওঁ পঢ়া-শুনাত বেচ চোকা আছিল আৰু ভাউ ডাঝি পুৰস্কাৰ, জল বেদান্ত পুৰস্কাৰ আৰু মাণ্ডলিক স্বৰ্ণ পদককে ধৰি বহুতো পুৰস্কাৰ লাভ কৰিছিল। কৰ্মজীৱনৰ বিভিন্ন পৰ্যায়ত তেওঁ আছিল এজন প্ৰসিদ্ধ আইনজীৱী, মুম্বাই বিশ্ববিদ্যালয়ৰ উপাচাৰ্য, সাংসদ আৰু জাতীয় গৱেষণা অধ্যাপক। ১৯৪৩ চনত তেওঁক মহামহোপাধ্যায় উপাধি দিয়া হয় আৰু ১৯৬৩ চনত তেওঁ ভাৰত ৰত্ন লাভ কৰে। ১৯৭২ চনৰ ১৮ এপ্ৰিলত, বিৰানব্বৈ বছৰ বয়সত তেওঁ শেষ নিশ্বাস ত্যাগ কৰে।

আগবয়সৰ পৰাই তেওঁ পেটৰ আলচাৰত ভুগিছিল কিন্তু সেইদৰেই জীৱনত

আগবাঢ়ি এজন বিশ্ববিশ্রুত সংস্কৃত পণ্ডিত ৰূপে পৰিচিত হৈছিল।

ড: কানেই সৰল জীৱন অতিবাহিত কৰিছিল। সামৰ্থ্য থকা সত্বেও তেওঁ মুম্বাইৰ এটি 'চল'ত থাকিছিল। উপাচাৰ্য হৈ থাকোঁতেও তেওঁ ট্ৰামত অহাযোৱা কৰিবলৈ ভাল পাইছিল। তেওঁ প্ৰায় কৈছিল—"গৱেষণা কৰি থাকোঁতে মই কে'চৰ কথা নাভাবোঁ, সেইবিলাক কাম মই হাইকৰ্টৰ বাৰ লাইব্ৰেৰীত কৰোঁ, গৱেষণাৰ কাম এচিয়াটিক লাইব্ৰেৰীত কৰোঁ আৰু ট্ৰাম ধৰি ঘৰলৈ আহোঁ।" সৰু-সুৰা কথাত তেওঁ সময় নষ্ট নকৰিছিল।

প্ৰখৰ স্মৃতিশক্তি থকা সত্বেও তেওঁ প্ৰখ্যাত ঐতিহাসিক টয়নবিৰ দৰে এখন শকত বহীত দৰ্কাৰী টোকাবোৰ প্ৰণালীবদ্ধভাৱে লিখি গৈছিল। সেয়ে যি কোনো প্ৰসঙ্গৰ তথ্য তেওঁ হাততে পোৱাতে আছিল। তেওঁৰ মনোযোগ দিয়াৰ ক্ষমতাও আছিল অসীম। কাম কৰাৰ কলা তেওঁ ভালদৰে আয়ত্ব কৰিছিল। আইনজ্ঞ তথা গৱেষক, দুয়োটা ভূমিকাতেই তেওঁ খ্যাতি অৰ্জন কৰিছিল। তেওঁৰ "হিষ্টৰি অৱ ধৰ্মশাস্ত্ৰ" এখন উৎকৃষ্ট সাহিত্যগুণসম্পন্ন পুথি। কেৱল ধৰ্মই নহয়, আনুষংগিক বিষয় যেনে উৎসৱ-পাৰ্বণ, দৰ্শন, জ্যোতিৰ্বিদ্যা ইত্যাদি সামৰা ই এখন বিশ্বকোষতুল্য গ্ৰন্থ। মুঠ ৬০০০ পৃষ্ঠাৰ পাঁচখণ্ডৰ এই বৃহৎ গ্ৰন্থৰ আঁৰত আছিল পঁয়ত্ৰিশ বছৰৰ অবিৰত শ্ৰম।

তেওঁৰ ব্যক্তিগত পুথিভঁৰাল বৰ বৃহৎ নহ'লেও তেওঁ কিতাপখিনি বৰ যত্নেৰে ৰাখিছিল। এবাৰ কোনোবাই পৰামৰ্শ দিছিল যে সেইখিনি নতুনকৈ আৰম্ভ কৰা পুথিভঁৰাল এটাক তেওঁ দান দিব পাৰে দেখোন। তেতিয়া তেওঁ জোখৰ উত্তৰ এটা দিছিল—"এজন শিল্পীয়ে তেওঁৰ ৰং, তুলিকা ইত্যাদিখিনি কেতিয়াও এৰিব নোৱাৰে।"

শ্ৰীনিবাস ৰামানুজন আয়েঙ্গাৰ

ৰামানুজন ভাৰতৰ এজন অন্যতম শ্ৰেষ্ঠ গণিতজ্ঞ। পলিমাৰ কেমিষ্ট্ৰীৰ পৰা আৰম্ভ কৰি কম্পিউটাৰলৈকে সকলোতে তেওঁৰ তত্ত্ব ব্যৱহাৰ কৰি থকা হৈছে।

তেওঁৰ জন্ম হৈছিল ১৮৮৭ চনৰ ২২ ডিচেম্বৰ তাৰিখে। তেওঁৰ মাক আছিল এগৰাকী ধৰ্মপ্ৰাণা মহিলা। ওচৰৰ মন্দিৰত তেওঁ নিয়মীয়াকৈ প্ৰাৰ্থনা সংগীত গাইছিল।

তেওঁৰ অসাধাৰণ গণিত প্ৰতিভাৰ উমান স্কুলীয়া কালতে পোৱা গৈছিল। এবাৰ শিক্ষকে ক'লে যে যিকোনো সংখ্যাকে সেই একে সংখ্যাৰে হৰণ কৰিলে এক পোৱা যাব। ৰামানুজনে ঠিক মানি ল'ব নোৱাৰিলে। তেওঁ সুধিলে—"শূন্যক

শূন্যৰে হৰণ কৰিলেও এক হ'ব নেকি?" শিক্ষক নিৰুত্তৰ। শিক্ষকে বাৰটা ঢাপত সমাধান কৰা একোটা অংক তেওঁ তিনিটা বা চাৰিটা ঢাপতে সমাধান কৰিব পাৰিছিল। অৱশ্যে বাকীবিলাক বিষয়ত তেওঁ ভাল ফল দেখুৱাব পৰা নাছিল। ১৯০৪ চনত তেওঁ যেতিয়া গণিতত দেখুওৱা সফলতাৰ বাবে বিশেষ পুৰস্কাৰ লাভ কৰিছিল, প্ৰধান শিক্ষকে কৈছিল যে ৰামানুজনে গণিতত সম্ভৱপৰ সৰ্বোচ্চ নম্বৰতকৈও বেছি পাবৰ যোগ্য।

ৰামানুজন এজন নৈষ্ঠিক ব্ৰাহ্মণ আছিল। খাদ্যাভ্যাসত তেওঁ আছিল পূৰামাত্ৰাই নিৰামিষাহাৰী। কথাই কথাই তেওঁ বেদ উপনিষদৰ উদ্ধৃতি দিব পাৰিছিল। একৈশ বছৰ বয়সতে নিজৰ শিক্ষকৰ ঘৰত ঈশ্বৰ, শূন্য আৰু অসীমৰ সম্পৰ্ক লৈ হোৱা এটা আলাপত তেওঁ ইমান সোমাই পৰিল যে কেতিয়ানো ৰাতি দুই বাজিল ক'বই নোৱাৰিলে।

সেই চিঠিখন

১৯১৩ চনৰ ১৬ জানুৱাৰীত ৰামানুজনে পৰামৰ্শ বিচাৰি হাৰ্ডিলৈ এখন চিঠি লেখিলে। সেই চিঠিয়েই তেওঁৰ জীৱনৰ গতি সলাই দিলে। হাৰ্ডিয়ে কৈছিল যে সেই চিঠিখন পঢ়িয়েই তেওঁ পতিয়ন গৈছিল যে ৰামানুজন সঁচাই এক গণিত-প্ৰতিভা। তেইশ বছৰীয়া ৰামানুজনে তেতিয়া মাদ্ৰাজত অলপীয়া দৰ্মহাৰ কেৰাণী চাকৰি এটা কৰি আছিল।

কেইজনমান হাত দীঘল মানুহক লগ ধৰি ৰামানুজনে এটা জলপানী যোগাৰ কৰিলে যিহক ভৰসা কৰি তেওঁ বিদেশত পঢ়িবলৈ যাবলৈ ওলাল। কেম্ব্ৰিজত নাম লগোৱাৰ পিচত হাৰ্ডিয়ে দেখিলে যে ৰামানুজনৰ কিছুমান সিদ্ধান্ত ভুল যদিও প্ৰায় এক-তৃতীয়াংশ সিদ্ধান্ত একেবাৰেই নতুন। থিয়ৰেম, অনুসিদ্ধান্ত আৰু উদাহৰণ মিলাই প্ৰায় তিনি চাৰিহাজাৰমান হ'ব। হাৰ্ডিৰ মতে 'নিজৰ অনন্য ক্ষেত্ৰত' ৰামানুজন 'অপ্ৰতিদ্বন্দ্বী'।

এই সময়তে প্ৰখ্যাত হাংগেৰীয়ান গণিতজ্ঞ জৰ্জ পল্যাই ৰামানুজনৰ অপ্ৰকাশিত টোকাখিনি পঢ়ি হাৰ্ডিক ঘূৰাই দিয়াৰ সময়ত কান্দি কান্দি ক্ষোভেৰে ক'লে— "ৰামানুজনৰ সেইবিলাক মোহিনী শক্তিসম্পন্ন তত্ত্বৰ মায়াজালত সোমাই এতিয়া মোৰ মগজুৱে কোনো মৌলিক চিন্তা কৰিব নোৱাৰা হৈছে।"

ৰয়েল ছচাইটিৰ ফেল'

হাৰ্ডিয়ে অশেষ চেষ্টা কৰিও ৰামানুজনক ট্ৰিনিটি কলেজৰ ফেল' কৰিব নোৱাৰিলে।

তেওঁ এজন এচীয় হোৱাটো বোধহয় এটা কাৰণ। ইতিমধ্যে ৰামানুজনৰ অসুখ হ'ল আৰু এটা আৰোগ্য-নিকেতনত সংকটজনক অৱস্থাত ভৰ্তি হ'ল।

অৱশেষত ১৯১৭ চনৰ ৬ ডিচেম্বৰত ৰামানুজনক লণ্ডন মেথেমেটিকেল ছচাইটিলৈ নিৰ্বাচিত কৰোৱাত হাৰ্ডি সফল হ'ল। তাৰপিচত ৰামানুজন নিৰ্বাচিত হ'ল কেম্ব্ৰিজ ফিল'চফিকেল ছচাইটিলৈ আৰু তাৰ পিচত ৰয়েল ছচাইটিলৈ ফেল' হিচাপে। সোনকালেই ৰামানুজন ভাৰতলৈ ঘূৰি আহিল আৰু দীঘলীয়া অসুখৰ অন্তত ১৯২০ চনৰ ২৬ এপ্ৰিলত মাদ্ৰাজত শেষ নিশ্বাস ত্যাগ কৰিলে।

ৰামানুজন আছিল এক নিজে গঢ়া ব্যক্তিত্ব। গণিতশাস্ত্ৰক তেওঁ সবাতোকৈ ওপৰত স্থান দিছিল। হাৰ্ডিয়ে ৰামানুজনৰ বিয়োগত কৈছিল—"তেওঁৰ এটা গুণ অনস্বীকাৰ্য—এক প্ৰগাঢ় আৰু অবিজিত মৌলিকতা।"

চন্দ্ৰশেখৰ ভেংকট ৰমণ

ৰমণৰ জন্ম হৈছিল ১৮৮৮ চনৰ ৭ নৱেম্বৰ তৰিখে আৰু তেওঁ শিক্ষা গ্ৰহণ কৰিছিল মাদ্ৰাজৰ প্ৰেছিডেন্সী কলেজত। অসাধাৰণ মেধাসম্পন্ন ৰমণে ষোল বছৰ বয়সতে স্নাতক উপাধি লাভ কৰে। ১৯০৭ চনৰ পৰা কলিকতাত বিত্ত বিভাগত তেওঁ আমোলা হিচাপে চাকৰি কৰিবলৈ লয় আৰু আজৰি সময় উলিয়াই ধ্বনি বিজ্ঞান অধ্যয়ন কৰে।

১৯১১ চনত তেওঁক কলিকতা বিশ্ববিদ্যালয়ত পদাৰ্থ বিজ্ঞানৰ অধ্যাপক হিচাপে নিযুক্তি দিয়া হয়। তাত তেওঁ পোহৰ বিজ্ঞান আৰু শব্দ বিজ্ঞান বিষয়ক কেইখনমান গৱেষণাপত্ৰ প্ৰকাশ কৰে। সেইবিলাকত আছিল সাগৰ কিয় নীলা, পিয়ানোৰ বা চেতাৰৰ দৰে বাদ্যযন্ত্ৰত কম্পন কেনেকুৱা, ইত্যাদি। বেহেলা, বীণা, তানপুৰা ইত্যাদিবিলাকৰ অধ্যয়নৰ প্ৰতিও তেওঁ খুব আকৃষ্ট হৈছিল। তেওঁক আন বাদ্যযন্ত্ৰৰ তুলনাত আটাইতকৈ বেছি আকৰ্ষণ কৰিছিল মৃদংগমে।

ৰমণ ইফেক্ট

'নেইচাৰ' নামৰ বিজ্ঞান পত্ৰিকাখনত ১৯২৮ চনত ৰমণে লেখিলে—"এক নতুন ধৰণৰ গৌণ বিকিৰণ" এইটোৱেই পিচলৈ 'ৰমণ ইফেক্ট' নামেৰে জনাজাত হ'ল। এটা অণু বা মূলকে (radical) শোষণ কৰাৰ পিচত পোহৰৰ তৰংগ দৈৰ্ঘ্যৰ পৰিৱৰ্তনৰ প্ৰসঙ্গতে আছিল এই গৱেষণা।

এই সম্পৰীক্ষা ৰমণে পুনৰ কৰিলে আৰু ১৯২৯ চনত তাৰ বাবে পদাৰ্থ

বিজ্ঞানৰ নবেল বঁটা লাভ কৰিলে। তেওঁৰ সন্মানত আয়োজিত ভোজসভাত গৃহস্থই তেওঁক সুৰা যাচিছিল কিন্তু ৰমণে প্ৰত্যাখ্যান কৰিলে। এজন অভ্যাগতই তেতিয়া ক'লে যে ৰাতিপুৱা তেওঁ (ৰমণে) এলকহলৰ ওপৰত 'ৰমণ ইফেক্ট' দেখুৱাইছিল। এতিয়া ৰমণ মানুহজনৰ ওপৰত এলকহলৰ ইফেক্ট (প্ৰভাৱ) চোৱা যাওক। ৰমণ কিন্তু অচল অটল হৈয়েই থকিল।

ৰঙীন আলোকছবি, প্লাষ্টিক, চিন্থেটিক ৰাবাৰ আদি নতুন উদ্যোগৰ উন্নতিৰ মূলতে আছিল ৰমণৰ গৱেষণা। তেওঁৰ গৱেষণাৰ ওপৰত ভিত্তি কৰিয়েই বহুতো নতুন ৰং, প্ৰজ্বালক আৰু ঔষধৰ উন্নতি ঘটোৱা হ'ল। পোহৰ, ৰং আৰু আকৃতিৰ ৰসাস্বাদনৰ সময়ত তেওঁ যেন এজন শিল্পীহে। চিন্থেটিক ঔষধতকৈ তেওঁ চিন্থেটিক হীৰাৰ প্ৰতিহে বেছি আকৰ্ষিত হৈছিল।

বিজ্ঞানৰ নানান বিষয়ত তেওঁ পাঁচশৰো অধিক প্ৰবন্ধ লেখিলে। গোটেই জীৱন ধৰি তেওঁ গৱেষণাই কৰিলে। ঘাইকৈ ৰঙ আৰু অনুভূতি বিষয়ত তেওঁৰ বিশ্লেষণৰ প্ৰাসঙ্গিকতা চিৰদিনীয়া।

সৰ্বপল্লী ৰাধাকৃষ্ণণ

১৮৮৭ চনৰ ৫ চেপ্টেম্বৰত, এক দুখীয়া ব্ৰাহ্মণ পৰিয়ালত সৰ্বপল্লী ৰাধাকৃষ্ণণৰ জন্ম হৈছিল। স্কুলত তেওঁ সাধাৰণ পৰ্যায়ৰ ছাত্ৰ ৰূপেই পৰিগণিত হৈছিল। ১৯০৯ চনত দৰ্শনত স্নাতকোত্তৰ উপাধি লৈ তেওঁ মাদ্ৰাজৰ প্ৰেচিডেন্সী কলেজত অধ্যাপনা আৰম্ভ কৰে। ভাৰতৰ বিভিন্ন বিশ্ববিদ্যালয়ত তেওঁ দৰ্শন শাস্ত্ৰৰ শিক্ষাদান কৰাৰ পাচত ১৯৩৬ চনত অক্সফৰ্ডত প্ৰাচ্যতত্ত্ব আৰু নীতিশাস্ত্ৰৰ বিষয়ত প্ৰথম স্পেল্‌ডিং অধ্যাপক হিচাপে যোগদান কৰে।

তেওঁ বাইবেলৰ দ্বাৰাও গভীৰভাবে প্ৰভাৱিত হৈছিল। শ্যেক্সপীয়েৰৰ ৰচনাৱলী তথা কাণ্টৰ লেখনিও তেওঁৰ প্ৰিয় আছিল। প্ৰাচ্য আৰু পাশ্চাত্যৰ দৰ্শনৰ এক সংমিশ্ৰিত মূল্যবোধৰ তেওঁ পক্ষপাতী আছিল।

তেওঁ আছিল এজন সুবক্তা আৰু ইংৰাজী ভাষাত তেওঁৰ দখল আছিল অসামান্য। তেওঁ ভালেকেইখন গ্ৰন্থ ৰচনা কৰি থৈ গৈছে। তাৰ ভিতৰত 'এন্ আইডিয়েলিষ্ট ভিউ অৱ লাইফ' এখন উল্লেখযোগ্য দৰ্শনসম্বন্ধীয় পুথি। এজন সমালোচকৰ মতে—"আধুনিক মানুহৰ বাবে আধ্যাত্মিক ধৰ্মৰ প্ৰয়োজন সম্পৰ্কে গ্ৰন্থখনে তীক্ষ্ণ, শক্তিশালী ব্যাখ্যা দাঙি ধৰিছে।" তেওঁ লিখা *ভগৱৎ গীতা* ১৯৪৮ চনত প্ৰকাশিত হয়। প্ৰথম বছৰতে প্ৰথম সংস্কৰণৰ ১০,০০০ কপিৰ গোটেইখিনি

বিক্ৰী হয়। তেওঁৰ মতে গীতা এখন মূলতঃ ধৰ্মগ্ৰন্থহে, দৰ্শন সম্পৰ্কীয় গ্ৰন্থ নহয় কাৰণ অধিবিদ্যাৰ (metaphysics) সমৰ্থনত তাত বিশেষ যুক্তি দাঙি ধৰা হোৱা নাই।

ৰাধাকৃষ্ণণৰ মতে ঈশ্বৰৰ ওপৰত বিশ্বাস ৰখা মানে সত্য, সৌন্দৰ্য আৰু ন্যায়ৰ ওপৰত বিশ্বাস ৰখা। বুদ্ধদেৱে কোৱা মনোযোগ মানে 'মানসসত্তাৰ পুলক' কথাষাৰ তেওঁ সমৰ্থন কৰিছিল। তেওঁ গভীৰভাবে বিশ্বাস কৰিছিল যে এখন অস্থিৰ পৃথিৱীত মানৱজাতিৰ ভৱিষ্যতৰ স্বাৰ্থতে ধৰ্মৰ প্ৰয়োজন।

জাতীয় পতাকা

আমাৰ ত্ৰিৰংগ পতাকাৰ বিষয়ে ৰাধাকৃষ্ণণে দিয়া ব্যাখ্যা এনেধৰণৰ ঃ

> মাজৰ বগা অংশই সূৰ্যৰ ৰশ্মিকেই প্ৰতিনিধিত্ব কৰে; এয়া হ'ল জ্যোতিৰ পথ, এই জ্যোতি সত্যৰ, স্বচ্ছ সৰলতাৰ। সত্যৰ লক্ষ্যত উপনীত হ'বলৈ এই পথেৰে যাত্ৰা কৰিব লাগিব। অশোকৰ ধৰ্মচক্ৰই তাৰেই ইংগিত বহন কৰে। এই চক্ৰই আৰু বুজায় যে জীৱন কেতিয়াও স্থবিৰ নহয়। ওপৰৰ গেৰুৱা অংশই বুজায় ত্যাগক আৰু তলৰ সেউজীয়া অংশই বুজায় যে এই সেউজী মৰুততে আমি এতিয়া সৰগ ৰচনা কৰিব লাগিব।

তেওঁৰ সফলতা

১৯৪৯ চনৰ ১৬ এপ্ৰিলত সৰ্বপল্লী ৰাধাকৃষ্ণণক ছোভিয়েট দেশলৈ ৰাষ্ট্ৰদূত কৰি পঠিওৱা হয়। এই নিযুক্তিত তেওঁৰ প্ৰতিক্ৰিয়া আছিল এনেধৰণৰ –"এটা পৰ্যায়ত মানুহে নিজৰ চিন্তাক গঢ় দিবলৈ গুহাত সোমাবলগীয়া হয়, মোৰ বাবে সেই গুহা যেনিবা মস্কোৰ এই দূতাবাস।" অৱশ্যে সোনকালেই তেওঁ গুচি আহিবলগীয়া হয় যিহেতু উপ-ৰাষ্ট্ৰপতি পদৰ বাবে তেওঁৰ নাম প্ৰস্তাৱ কৰা হৈছিল। ছোভিয়েট চৰকাৰে তেওঁক অভূতপূৰ্ব বিদায় সম্বৰ্ধনা জনায়। মনত ৰাখিব লাগিব যে মস্কোত তেওঁক স্বাগতম জনাবলৈ ষ্টেলিন স্বয়ং আহিছিল।

ইংলেণ্ডৰ ৰাণীয়ে ৰাধাকৃষ্ণণক 'অৰ্ডাৰ অৱ মেৰিট' বঁটা জ্ঞাপন কৰি কৈছিল— "এই বঁটাৰ বাবে তেখেততকৈয়ো বেছি যোগ্য এজন ব্যক্তিৰ কথা মই ভাবিবই নোৱাৰোঁ।"

জাহাংগীৰ আৰ. ডি. টাটা

জে. আৰ. ডি. টাটাৰ জন্ম হৈছিল ১৯০৪ চনত। জাহাংগীৰ মানে হৈছে বিশ্ববিজয়ী।

নামটো যেন তেওঁৰ ক্ষেত্ৰত সঁচা প্ৰতিপন্ন হ'ল। টাটা এণ্ড চান্চ'ৰ অধ্যক্ষৰ দায়িত্ব লওঁতে ইয়াৰ অধীনত আছিল চৈধ্যটা কোম্পানী। পঞ্চাশ বছৰ পিচত অৰ্থাৎ ১৯৮৮ চনত এই সংখ্যা হ'লগৈ পচান্নবৈ।

জে. আৰ. ডি. আছিল সাহসী আৰু উদ্ভাৱনশীল। ১৯২৯ চনৰ কথা। কোনোৱে যদি ইংলেণ্ড আৰু ভাৰতৰ দূৰত্ব আকাশী পথেৰে অতিক্ৰম কৰিব পাৰে তেওঁক পাঁচশ পাউণ্ড ষ্টাৰলিং পুৰস্কাৰ দিয়া হ'ব বুলি আগা খানে ঘোষণা কৰিলে। তিনিজনে এই প্ৰত্যাহ্বান গ্ৰহণ কৰিলে—মনমোহন সিং, আস্পি ইঞ্জিনিয়াৰ আৰু জে. আৰ. ডি.। জে. আৰ. ডি.ৰ উৰণ কিছু পলম হ'ল আৰু আস্পিয়ে পুৰস্কাৰ পালে।

ইয়াৰ পিচত জে. আৰ. ডি.য়ে নিজাকৈ বিমান কিনিবলৈ চৰকাৰৰ অনুমতি বিচাৰিলে। তেওঁ ইংলেণ্ডৰ পৰা নিজে চলাই আনিছিল যদিও মাজবাটতে জ্বৰ হোৱাত ঘূৰি যাবলগীয়া হ'ল। পিচত বিমান আৰু মানুহ জাহাজেৰে আহিবলগীয়া হ'ল। কিন্তু ১৯৩২ চনত তেওঁ কৰাচীৰ পৰা মুম্বাইলৈ প্ৰথম উৰণটো আৰম্ভ কৰিলে। এইদৰেই ভাৰতত বিমান সেৱাৰ এক নতুন অধ্যায় আৰম্ভ হ'ল।

এজন দূৰদৃষ্টিসম্পন্ন ব্যক্তি

প্ৰথমতে টাটা কোম্পানীয়ে বয়লাৰ আৰু লকোমোটিভহে নিৰ্মাণ কৰিছিল। কিন্তু যুদ্ধোত্তৰ যুগৰ ৰ'ড-ৰ'লাৰ, ট্ৰেক্টৰ, ডিজেল ইঞ্জিন আদিৰ চাহিদাৰ উমান পাই জে. আৰ. ডি.য়ে টাটা ইঞ্জিনিয়াৰিং এণ্ড লকোমোটিভ কোম্পানী (চমুকৈ টেল্‌কো) আৰম্ভ কৰিলে।

নিজৰ কৰ্মজীৱনৰ আৰম্ভণিতে জে. আৰ. ডিয়ে ঔদ্যোগিক ক্ষেত্ৰত মানৱীয় সম্পৰ্কৰ গুৰুত্ব উপলব্ধি কৰিছিল। ১৯৪৩ চনতে তেওঁ জামচেদপুৰত কৰ্মচাৰী (Personnel) বিভাগৰ আৰম্ভণি ঘটালে। ভুল বুজাবুজি আৰু তিক্ততা আঁতৰাই ৰাখিবলৈ তেওঁ পৰিচালক মণ্ডলী আৰু কৰ্মচাৰীসকলৰ মাজত নিয়মীয়া আদান-প্ৰদানত গুৰুত্ব দিছিল। শ্ৰমিকেও এনেকুৱা পৰিৱেশত নিজকে কেৱল এটা যন্ত্ৰৰ অংশ বুলি নাভাবে।

দক্ষ ঔদ্যোগিক পৰিচালনাৰ প্ৰসংগতে তেওঁ তলত দিয়া কথাকেইটাই মতানৈক্যৰ ঘাই কাৰণ বুলি বাছি উলিয়াইছিল।

★ তলতীয়া কৰ্মচাৰীৰ দুৰ্নীতি।

★ আধুনিক শ্ৰমিক পৰিচালনা সন্দৰ্ভত পৰিচালক মণ্ডলীৰ অজ্ঞতা।

★ পদোন্নতিৰ সুযোগৰ অভাৱ।

★ কাম কৰাৰ আহুকলীয়া পৰিৱেশ যেনে পোহৰৰ সুব্যৱস্থা নথকা, বা অসুচল ঠাইত থাকিবলগীয়া হোৱা ইত্যাদি।

সুপৰামৰ্শক তেওঁ সদায় আদৰণি জনাইছিল আৰু পাৰিলে কাৰ্যত ৰূপায়িত কৰিবও খুজিছিল।

জে. আৰ. ডি.ৰ ভিন্নসুৰী বিষয়ত হাত আছিল—ঔদ্যোগিক পৰামৰ্শ, তীখা উৎপাদন, ট্ৰাক নিৰ্মাণ, বস্ত্ৰ উদ্যোগ, বিদ্যুৎ শক্তি উৎপাদন, খোৱাতেল বা চাবোনৰ বজাৰ, প্ৰকাশন উদ্যোগ ইত্যাদি। এণ্ড্ৰু কাৰনেগী নামৰ এজন স্কটিচ লোকৰ শিক্ষণৰ দ্বাৰা তেওঁ গভীৰভাবে প্ৰভাৱিত হৈছিল। এজন দৰিদ্ৰ ল'ৰা হিচাপে আমেৰিকালৈ যোৱা কাৰ্ণেগী সেই দেশত এদিন 'তীখাৰ ৰজা' হৈ পৰিছিল। কাৰ্ণেগীৰ দৰে জে. আৰ. ডি.য়েও বিশ্বাস কৰিছিল যে প্ৰতিজন ধনী মানুহ দৰিদ্ৰলোকৰ প্ৰতিও দায়িত্বশীল হ'ব লাগে।

18

অনুপ্ৰেৰণা-স্বাস্থ্যবিধি তত্ত্ব

এই অতিশয় গুৰুত্বপূৰ্ণ তত্ত্বটো আগবঢ়াইছে হাৰ্জবাৰ্গে। ইয়াৰ লগত মেকগ্ৰেগৰৰ theory Yৰ মিল আছে। এই কিতাপত ইতিমধ্যে কোৱা হৈছে যে মানুহে কাম কৰাৰ আঁৰত বিভিন্ন কাৰণ থাকে। সৰ্বপ্ৰথমে, মানুহে কাম কৰিব লাগে নিজৰ উৎকৰ্ষতাৰ বাবে। অৰ্থপূৰ্ণ কাম অবিহনে মানুহ মানসিকভাবে পংগু। আমি আলোচনা কৰিবলৈ লোৱা তত্ত্বই এইখিনি কথাকে এটা স্পষ্ট ধাৰণাৰে ব্যাখ্যা কৰিছে। আৰম্ভণিতে এটা উদাহৰণ লোৱা যাওক। ধৰা হওক অফিচত বহি আপুনি দৰ্কাৰী প্ৰতিবেদন এখনৰ খচৰা প্ৰস্তুত কৰি আছে। চকীখনত উৰহ ভৰ্তি বাবে আপোনাৰ কাম কৰাত অসুবিধা হৈছে। এইবাৰ ভাল চকী এখন আনি দিয়া হ'ল। কিন্তু আপোনাৰ মনত তথাপিও অশান্তি, কাৰণ কাম ভালকৈ আগবঢ়া নাই। আপুনি ভবা সমাধানকেইটা কিমানদূৰ কামত আহিব সন্দেহজনক, তদুপৰি আপুনি পেটে পেটে ভাবিছে যে ব্যাখ্যা-বিশ্লেষণ যথেষ্ট হোৱা নাই।

চকীখন বেয়া কাৰণে পোৱা আহুকাল আৰু কামটো ভাল নোহোৱা কাৰণে পোৱা অশান্তিৰ মাজত এক গুণগত পাৰ্থক্য আছে। প্ৰথমটো জৈৱিক প্ৰয়োজনীয়তাৰ লগত জড়িত। গাৰ কষ্ট নোপোৱাটো জীৱ-জন্তুৱেও বিচাৰে। কিন্তু জন্তুৱে কোনো অফিচৰ খচৰা প্ৰস্তুত কৰিব নালাগে। সেইবোৰ কেৱল মানুহৰ কাম। বৌদ্ধিক উৎকৰ্ষ মানুহে বিচাৰে। মনোভাৱ আৰু স্বাস্থ্যৰ সূত্ৰটোৰ মূল আধাৰ হ'ল মানুহ আৰু জন্তুৰ এই পাৰ্থক্য। এই সূত্ৰৰ মতে মনস্তাত্বিকভাবে উন্নতি কৰি থাকিলেহে মানুহক প্ৰকৃতাৰ্থত স্বাস্থ্যৱান বুলি ক'ব পাৰি।

মানৱীয় আৰু জৈৱিক প্ৰয়োজন

মানুহৰ বহুতো বস্তুৰেই প্ৰয়োজন। এইবিলাক ঘাইকৈ দুভাগত ভগাব পাৰি—জৈৱিক (যিবিলাকৰ লগত শাৰীৰিক স্বচ্ছন্দতা জড়িত আছে, যিবিলাকে আমাক চলাই ৰাখে, আৰু যিবিলাক পাই শেষ নহয়), আৰু মানৱীয় প্ৰয়োজন (যিবিলাকৰ

আঁৰত থাকে এক হাবিয়াস তথা যিবিলাকে এক প্ৰাপ্তিৰ, সন্তুষ্টিৰ অনুভৱ আনি দিয়ে)। প্ৰথমখিনিয়ে পৰিৱেশৰ মাজত আমাক যন্ত্ৰণা তথা অসুবিধাৰ পৰা আঁতৰাই ৰাখে। মানৱীয় প্ৰয়োজনে কামৰ মাজেদি সন্তুষ্টি আনি দিয়ে।

জৈৱিক প্ৰয়োজন	*মানৱীয় প্ৰয়োজন*
আনুষ্ঠানিক নীতি আৰু প্ৰশাসন	প্ৰাপ্তি
তদাৰকতা	স্বীকৃতি
আন্তঃব্যক্তি সম্পৰ্ক	কাম
কামৰ পৰিৱেশ	দায়িত্ব
মজুৰি	অগ্ৰগতি

প্ৰাণী হিচাপে মানুহৰ অস্তিত্বৰ পৰা জৈৱিক প্ৰয়োজন আহি পৰে। ক্ষুধা, যৌনতা, শাৰীৰিক স্বাচ্ছন্দ্য, নিৰাপত্তা আদিৰ লগতে এই প্ৰয়োজন জড়িত। কিন্তু "বাস্তৱতাৰ সীমাত নিজৰ অন্তৰ্নিহিত সম্ভাৱনা অনুসৰি নিজকে এক অনন্য, সৃষ্টিশীল প্ৰাণ" হিচাপে নিজকে গঢ় দিয়াটোৱেই মানুহৰ সৰ্বোত্তম লক্ষ্য। উৎসৰ্গীত কৰ্মচেতনা তথা প্ৰবাহমান মানসিক উৎকৰ্ষৰে মানুহ এই পথত আগবাঢ়ে। এনেকৈয়ে অধিকতৰ দায়িত্বশীল ভূমিকাৰ বাবে মানুহে নিজকে যোগ্য কৰি তোলে।

এই তত্ত্বই দেখুৱাইছে যে দুয়োবিধ প্ৰয়োজনৰ পাৰ্থক্য প্ৰতিক্ৰিয়াৰ ভংগীতে স্পষ্ট হৈ পৰে। ইয়াৰ কিছু পাচতে এখন তালিকাত সেইখিনি দেখুওৱা হৈছে।

এই প্ৰয়োজনবিলাকৰ প্ৰভাৱ ভিন্নসুৰী। *কৰ্ম সন্তুষ্টি* আৰু *অসন্তুষ্টিহীনতা* একে বস্তু নহয়। (দেখা আৰু শুনাৰ মাজত পাৰ্থক্য থকাৰ দৰেই এই দুয়োটাৰ মাজতো পাৰ্থক্য আছে।) একেদৰে *মানসিক অসুখৰ অনুপস্থিতি* আৰু *স্বচ্ছন্দ মানসিকতা* এক হব নোৱাৰে। এখন আৰামী চকীত বহি থকাৰ পিচত হোৱা অনুভৱ আৰু টান কাম এটা কৰি উঠাৰ অনুভৱৰ মাজত পাৰ্থক্য আছে।

প্ৰয়োজনৰ প্ৰকাৰ	*বৈশিষ্ট্য*	*ফলাফল*	
		সন্তুষ্ট নহ'লে	*সন্তুষ্ট হ'লে*
জৈৱিক প্ৰয়োজন (অসন্তুষ্টি কাৰক, সুখ-স্বাচ্ছন্দ্য তথা প্ৰতিপালনৰ কাৰকসমূহ)	পাৰিপাৰ্শ্বিক আহুকালৰ পৰা আঁতৰি থকা	অসন্তুষ্টি	অসন্তুষ্টি নাই মানসিক অসুখো নাই
মানৱীয় প্ৰয়োজন (সন্তুষ্টি তথা প্ৰেৰণাজনিত কাৰকসমূহ)	কামৰ মাজেৰে মানসিক বিকাশ	কৰ্ম-সন্তুষ্টি-হীনতা	কৰ্ম-সন্তুষ্টি, মানসিক স্বাচ্ছন্দ্য

আনধৰণেৰে ক'বলৈ হ'ল মানুহৰ সৰ্বোচ্চ লক্ষ্য হ'ল মনোজগতৰ বিকাশ। অৰ্থপূৰ্ণ, প্ৰত্যাহ্বানভৰা তথা সৃষ্টিশীল কামৰ মাজেৰে এই বিকাশ সম্ভৱ। তেতিয়াই মানুহে সঁচা অৰ্থত সুখী আৰু স্বাস্থ্যৱান অনুভৱ কৰে।

মনোজগতৰ বিকাশ

মনোজগতৰ বিকাশত নিম্নোল্লেখিত পৰ্যায়সমূহ আছে ঃ

অধিক জনাৰ হেঁপাহ ঃ মানুহে সদায় নিজৰ জ্ঞানৰ পৰিসৰ বঢ়াব পাৰে। অভিজ্ঞতাৰ পৰা মানুহে শিক্ষা ল'ব পাৰে। এনেকৈ জ্ঞানৰ পৰিসৰ বঢ়াওঁতে মানুহ হিচাপেও তেওঁ বিকাশ লাভ কৰে।

সম্পৰ্ক স্থাপন কৰিব পৰাটোও জ্ঞান ঃ এজন মানুহে বহুতো কথাই জানিব পাৰে কিন্তু সিবিলাকৰ মাজৰ পাৰস্পৰিক নিৰ্ভৰশীলতা তথা প্ৰাসংগিকতাৰ বিষয়ে অৱগত নহ'বও পাৰে। উদাহৰণস্বৰূপে এজন ছাত্ৰই এটা জমা-খৰচৰ হিচাপ মুখস্থ ৰাখিব পাৰে, কিন্তু প্ৰতিষ্ঠানটোৰ বিত্তীয় অৱস্থা কেনেকুৱা সেইবিষয়ে অৱগত নহ'বও পাৰে। বা কোনোবা এজনে *হেমলেট* কিতাপখন মুখস্থ কৰি পেলাব পাৰে কিন্তু তেওঁ নাটকখন একেবাৰে বুজি নাপাবও পাৰে। প্ৰকৃত অনুধাৱন আৰু তথ্য মুখস্থ ৰখা দুয়োটা সম্পূৰ্ণ সুকীয়া কথা। এবাৰ এজন ছাত্ৰক সোধা হ'ল অমুক নদীখন কিমান পুৰণি। উত্তৰ আহিল ৩,০০০,০২১ বছৰ। তেওঁক আকৌ সোধা হ'ল ইমান সঠিক হিচাপ তেওঁ ক'ত পালে। ছাত্ৰজনে উত্তৰ দিলে একৈশ বছৰ আগতে বিশেষজ্ঞসকলে এটা তথ্য দিছিল যে নদীখনৰ বয়স তিনিনিযুত বছৰ!

সৃষ্টিশীলতা ঃ জন্তুৱে একো সৃষ্টি নকৰে কিন্তু মানুহে কৰে। মানুহে নতুন ধাৰণা, নতুন তত্ত্ব উদ্ভাৱন কৰিব পাৰে। নতুন নতুন যন্ত্ৰ সাজিব পাৰে, নতুন সংগঠন গঢ়িব পাৰে। সৃষ্টিশীলতা মানুহৰ বাবে অনাৱিল তৃপ্তিৰ উৎস।

অস্পষ্ট অৱস্থাতো ফলপ্ৰসু সিদ্ধান্ত ঃ মানুহৰ জগতখন জটিল আৰু অস্পষ্ট। কোনেও ক'ব নোৱাৰে কাইলৈ ব্যৱসায়ে কেনে ৰূপ ল'ব। বিকশিত মানৱ ব্যক্তিত্বইহে অনিশ্চিত অৱস্থাতো শান্তভাবে সু-সিদ্ধান্ত ল'ব পাৰে। পৰিচালনাৰ ওপৰৰ পৰ্যায়ত অস্পষ্ট, পৰিৱৰ্তনশীল, অনিশ্চিত অৱস্থাত অবিচলিত হৈ সিদ্ধান্ত ল'ব পৰাটোৰ ওপৰত বিশেষ গুৰুত্ব দিয়া হয়।

ব্যক্তিসত্তা অটুট ৰখা ঃ ই হ'ল আন দহজনৰ প্ৰচাৰ বা হেঁচা প্ৰয়োগত কাবু নহৈ নিজে স্বাধীনভাবে চিন্তা কৰিব পৰা ক্ষমতা। উদাহৰণস্বৰূপে, সমালোচকসকলে যেনিবা এখন নাটক ভুৰি ভুৰি শলাগিলে। কিন্তু কোনোবাই যদি সেইখন ভাল নাপালে, তেন্তে ভাল পোৱা নাই বুলি ক'ব পৰাৰ সাহস থাকিব লাগিব।

প্ৰকৃত বিকাশ ঃ ইয়াক ব্যাখ্যা কৰাটো সহজ নহয়। ই হ'ল কল্পনা আৰু বাস্তৱৰ পাৰ্থক্য বুজি পোৱাৰ ক্ষমতা। ই হ'ল প্ৰকৃত দিশবোৰ চাব পৰাৰ ক্ষমতা। তলৰ গল্পটোকে লোৱা যাওক ঃ

> এজন কোটিপতি মানুহে পাত্ৰী বিচাৰি ঘটকৰ ওচৰ চাপিল। ঘটকে এজনী ছোৱালীৰ কথা উৎসাহেৰে ক'লে যি তিনি বছৰ ধৰি "মিছ এমেৰিকা" হৈ আছে। "মই নিজেওতো বেচ ধুনীয়া", কোটিপতিয়ে উত্তৰ দিলে। অভিজ্ঞ ঘটকে এইবাৰ আন এজনীৰ কথা ক'লে যি লগত কোটি টকাৰ যৌতুক আনিব। "মোক সম্পদ নালাগে। মোৰ নিজৰে বিপুল অৰ্থ আছে", ভাবী-দৰাই উত্তৰ দিলে। ঘটকে তৃতীয় কন্যাৰ কথা ক'লে যি একৈশ বছৰতে অংকশাস্ত্ৰৰ প্ৰবক্তা হ'ল আৰু এতিয়া চৌবিশ বছৰত এম আই টি ত ইনফৰ্মেশ্যান থিঅৰিৰ অধ্যাপিকা হৈছে। "মোক চোকা ছোৱালী নালাগে। মোৰ নিজৰনো কি বুদ্ধি নাই?", কোটিপতিয়ে উত্তৰ দিলে। নিৰুপায় ঘটকে চিঞৰি উঠিল —"ভগৱানৰে শপত তেনেহ'লে আপোনাকনো লাগে কি?" "সজগুণ", কোটিপতিৰ স্পষ্ট উত্তৰ।

চমুকৈ ক'বলৈ হ'লে, এই সূত্ৰই ব্যাখ্যা কৰিছে মানুহৰ মানসিক স্বাস্থ্য নিৰ্ভৰ কৰে মনস্তাত্বিক বিকাশৰ ওপৰত। আৰু এই বিকাশ নিৰ্ভৰ কৰে অৰ্থপূৰ্ণ, দায়িত্বশীল, প্ৰত্যাহ্বানভৰা আৰু সৃষ্টিশীল কামৰ ওপৰত। তলৰ সূচীখনে মনস্তাত্বিক বিকাশ আৰু তাৰ আঁৰত থকা হাবিয়াসৰ সম্পৰ্ক বহুলভাবে দেখুৱাইছে ঃ

হাবিয়াস	*বিকাশৰ নীতি*
প্ৰাপ্তি আৰু প্ৰাপ্তিৰ স্বীকৃতি	জ্ঞানৰ বিকাশৰ সুযোগ।
দায়িত্ব	বিচাৰ-বুদ্ধি বিকাশৰ সুযোগ।
বিকাশৰ সম্ভাৱনা	সৃষ্টিশীলতাৰ সুযোগ।
অগ্ৰগতি	সিদ্ধান্ত গ্ৰহণত আহুকলীয়া পৰিস্থিতিৰ অভিজ্ঞতা লাভৰ সুযোগ।
আগ্ৰহ	নিজৰ ব্যক্তিত্ব প্ৰকাশৰ তথা প্ৰকৃত বিকাশৰ সুযোগ।

হাৰ্জবাৰ্গে সেয়ে কাৰ্যালয় আৰু কাৰখানাত কামৰ পুনৰ্বিন্যাসৰ পৰামৰ্শ আগবঢ়াইছে। কাম সমৃদ্ধ হ'ব লাগে যাতে প্ৰচুৰ সম্ভাৱনা থকা মানৱ ব্যক্তিত্বৰ প্ৰকাশ আৰু বিকাশৰ পৰ্যাপ্ত সুযোগ থাকে।

নবেল বঁটা বিজয়ী কণাৰ্ড লৰেঞ্জে তেওঁৰ *চিভিলাইজ্‌দ্ মেন্‌চ্ এইট ডেড্‌লি চিন্‌চ্* নামৰ গ্ৰন্থখনত দেখুৱাইছে যে প্ৰত্যাহ্বানভৰা কাম অবিহনে জীৱন দুৰ্বিসহ হ'ব পাৰে। উদাহৰণস্বৰূপে কুৰ্ট হানে আমনি অনুভৱ কৰা ডেকা মানুহক সাগৰত লাইফ বটমেনৰ কাম কৰিবলৈ দিছিল। এনেকুৱা বিপদসংকুল কাম কৰি তেওঁলোকে জীৱনৰ অৰ্থ বিচাৰি পাইছিল। ভিয়েনাৰ এখন অন্ধবিদ্যালয়ৰ শিক্ষকে কৈছিল যে

মূৰত গুলীয়াই আত্মহত্যাৰ প্ৰচেষ্টা চলাই মূৰকত অন্ধ হোৱা কেইবাজনেও ভৱিষ্যতে আত্মহত্যাৰ চেষ্টা কৰা নাছিল। বৰঞ্চ তেওঁলোকে এক শান্তিপূৰ্ণ, সুখী জীৱন যাপন কৰিছিল। এজনী ছোৱালীয়ে আমনি লাগি অতিষ্ঠ হৈ খিৰিকীয়েদি জাঁপ মাৰি নিজৰ পিঠি ভাঙিলে। ককাঁলৰ পৰা তলছোৱা পেৰালাইচিচ হৈ যোৱা সত্বেও পিচৰ জীৱন তাই সুখে-শান্তিৰেই অতিবাহিত কৰিলে।

এই প্ৰসঙ্গতে মণ্টাগু নৰ্মানৰ (১৮৭১-১৯৫০) কথাও উল্লেখ কৰিব পাৰি। নৰ্মান আছিল এক অনন্য বিতৰ্কিত ব্যক্তি। ১৯২০ চনৰ পৰা ১৯৪৪ চনলৈ তেওঁ বেংক অৱ ইংলেণ্ডৰ গৱৰ্ণৰ আছিল। বেংকটোৰ ইতিহাসত এনে দীঘলীয়া কাৰ্যকালৰ দৃষ্টান্ত নাছিল। আগ বয়সত তেওঁ মানসিক অশান্তি আৰু মূৰৰ বিষত ভুগিছিল। কেইবাদিনো ধৰি তেওঁ কাকো মাত নলগোৱাকৈ থাকিছিল। ১৯১১ চনত তেওঁৰ স্নায়ুতন্ত্ৰৰ সম্পূৰ্ণ অৱনতি ঘটে। দুমাহধৰি তেওঁ একো কৰিব পৰা নাছিল বা একো মনতো ৰাখিব পৰা নাছিল। ১৯১৩ চনত বহুতৰ বুজনিত তেওঁ বিশ্ববিখ্যাত মনোবিশ্লেষক কাৰ্ল য়ুঙক লগ ধৰিলে। কেইটামান প্ৰাথমিক পৰীক্ষাৰ অন্তত য়ুঙে তেওঁক কেইমাহমান সম্পূৰ্ণ জিৰণি ল'বলৈ দিলে আৰু তাৰ পিচত চিকিৎসা আৰম্ভ কৰাৰ কথা ক'লে। এই ব্যৱস্থা শুনি নৰ্মান একেবাৰে ভাগি পৰিল। "চাৰিসপ্তাহধৰি এটা আন্ধাৰ কোঠাত এক অশান্ত মন লৈ তেওঁ পৰি থাকিল।" চিকিৎসকসকলে তেওঁৰ জীৱনৰ আশা এৰি দিলে। এইবাৰ তেওঁক উপদেশ দিয়া হ'ল স্নায়বিক অসুখৰ এজন চুইছ বিশেষজ্ঞক লগ ধৰিবলৈ। এইজন চিকিৎসক, ডি. ৰজাৰ ভিট্ৰজৰ চিকিৎসাত তেওঁ কিছু উপশম পালে। ভিট্ৰজে নৰ্মানক একাণপতীয়া হৈ কামত লাগিবলৈ পৰামৰ্শ দিলে। তেওঁ ক'লে যে কামত তেওঁ এনেদৰে মনপুতি লাগিব যাতে আন চিন্তা মূৰত সুমুৱাবলৈ আহৰিয়েই নাথাকে। এনেকৈয়ে, চৌবিশ বছৰ বেংক অৱ ইংলেণ্ডৰ গৱৰ্ণৰ হৈ তেওঁ এক অৰ্থবহ জীৱন অতিবাহিত কৰিলে। এই উদাহৰণটোৱে হাৰ্জবাৰ্গৰ সূত্ৰকে সম্পূৰ্ণকৈ সমৰ্থন কৰে। আমাৰ সুখ আৰু সুস্বাস্থ্য নিৰ্ভৰ কৰে আমাৰ কামৰ ওপৰত।

গঠনমূলক আৰু প্ৰত্যাহ্বানভৰা কামত লাগি থকিলেহে জীৱনটো অৰ্থবহ আৰু আগ্ৰহোদ্দীপক হয়। লৰেঞ্জে কৈছিল—

"কষ্ট নকৰাকৈ আৰাম পাব পাৰি কিন্তু আনন্দ পাব নোৱাৰি।"

কৰ্মক্ষেত্ৰত মানুহক অধ্যয়ন কৰাটো এক বিৰাট আগ্ৰহোদ্দীপক বিষয়। এই অধ্যয়নৰ অন্তও নাই। কাম যে জীৱনৰ সবাতোকৈ মূল্যবান দিশ এইক্ষেত্ৰত কোনো সন্দেহ নাই। কাম সঁচাই দাৰ্শনিকৰ শিল যাৰ স্পৰ্শত মানৱতাৰ সাধাৰণ ধাতু সোণলৈ পৰিৱৰ্তিত হয়।

টয়নবীয়ে কৈছিল—"মানুহে জীৱনৰ সন্ধিয়া পৰলৈকে কামত নিমগ্ন থাকে।" বাৰ্ট্ৰাণ্ড ৰাছেলেও প্ৰায় একে কথাকে কৈছিল—"জ্ঞানী মানুহে কৰ্মক্ষেত্ৰতে মৃত্যু বৰণ কৰিবলৈ ইচ্ছা কৰা উচিত।"

লণ্ডনৰ নেশ্যানেল হাৰ্ট হস্পিটেলৰ শল্য-চিকিৎসা শাখাৰ সঞ্চালক ডা: ডনাল্ড ৰছে কৈছিল—"কঠিন পৰিশ্ৰমে মানুহৰ মৃত্যু নঘটায়। ঘটায় পৰিশ্ৰমহীনতাই।"

যথাৰ্থ কামৰ অবিহনে জীৱনত প্ৰকৃত আনন্দ থাকিব নোৱাৰে। একেধৰণে নিজৰ কামৰ প্ৰতি নিষ্ঠা নাথাকিলে মানুহে জীৱনত শান্তি পাব নোৱাৰে। ভাৰতত দৰিদ্ৰতা ইমানেই ব্যাপক যে উৎসৰ্গীত আৰু সুশৃংখল কামতকৈ জৰুৰী বিষয় একো হ'বই নোৱাৰে।

আমাৰ এজন বিখ্যাত প্ৰাচীন মনীষা যাজ্ঞবল্ক্যৰ এষাৰ কথাৰেই এই সৰু পুথিখনিৰ সাৰবস্তু তুলি ধৰিব পাৰি—

> "এজন মানুহে কৰা কামতেই তেওঁৰ ব্যক্তিত্ব ফুটি উঠে। এই কামৰ বৰঙণি তেওঁৰ মৃত্যুৰ পিচলৈকে থাকি যায়। ভাল কামেৰে এজন মানুহ সাধু বুলি পৰিগণিত হয় আৰু বেয়া কামেৰে বেয়া বুলি জনাজাত হয়।"

19

জাপানী কৰ্ম-সংস্কৃতি

জাপানে কেৱল দৰিদ্ৰতা দূৰ কৰাই নহয়, আটাইতকৈ ধনী দেশকেইখনৰ ভিতৰতো স্থান ল'বলৈ সক্ষম হৈছে। দেশখনৰ অৰ্থনৈতিক প্ৰগতি বিশ্ব-ইতিহাসতে তুলনাহীন। এই সাফল্যৰ আঁৰত কেইবাটাও কাৰণ আছে যদিও সবাতোকৈ উল্লেখযোগ্য হ'ল তাৰ মানুহৰ কামৰ প্ৰতি থকা মনোভাৱ, যিটোক কৰ্ম-সংস্কৃতি বুলি আখ্যা দিব পাৰি।

গোটেই পৃথিৱীতে মানুহে কাম কৰিবলৈ বেয়া পায়। নিজৰ ওপৰৱালাক নামানে, কাম কৰিবলৈ বিশেষ আগ্ৰহ নেদেখুৱায়। জাপানীসকলে কিন্তু তেওঁলোকৰ প্ৰতিষ্ঠানসমূহ ভাল পায়। জ্যেষ্ঠসকলৰ কৰ্তৃত্ব মানে আৰু কামত উৎকৰ্ষ লাভ কৰিবলৈ চেষ্টা কৰে। দিনে দিনে অধিক শক্তিশালী আৰু সমৃদ্ধ হৈ অহা তেওঁলোকৰ এই কৰ্ম সংস্কৃতি মন কৰিবলগীয়া।

জাপানীসকল খুব ধৰ্মপৰায়ণ নহলেও তেওঁলোকৰ আনতকৈ এখোপ ওপৰত থকাৰ এটা মনোভাৱ আছে। তেওঁলোকৰ জীৱনত বৌদ্ধধৰ্মৰ প্ৰভাৱ স্পষ্ট। বৌদ্ধ মতবাদত কামৰ তিনিপ্ৰকাৰৰ অৰ্থবহতা ব্যাখ্যা কৰা হৈছে ঃ (ক) কামে এজন ব্যক্তিক উন্নতি কৰিবলৈ সমৰ্থ কৰে, (খ) আনক সহায় কৰিবলৈ সচেতন কৰি সামাজিক চেতনা জাগ্ৰত কৰে। কামৰ মাজদিয়েই এজন মানুহ সমাজৰ অন্তৰ্ভুক্ত হয়। তথা, (গ) এক অৰ্থবহ জীৱন যাপনৰ বাবে প্ৰয়োজনীয় সামগ্ৰী আৰু সেৱা কামৰ মাজেদিয়েই আহৰণ কৰিব পাৰি। অৰ্থপূৰ্ণ কামৰ মাজেদিয়েই মানৱ জীৱন সংগঠিত কৰিব লাগে।

জেন বৌদ্ধমতবাদে এইখিনিকে আৰু কিছু পৰিশোধিত কৰিছে। এই অনুসৰি সকলো কামেই পৱিত্ৰ আৰু প্ৰয়োজনীয়। "যদি ভাত খালা, তেন্তে কাঁহীখনো ধুই থ'বা।" আন এটা জেন নীতি হ'ল "যি দিনা কাম নাই, সেইদিনা ভোজনো নাই।"

জেন দৰ্শন অনুসাৰে শিক্ষাৰ উদ্দেশ্য হ'ল এজন ব্যক্তিক সমগ্ৰ জীৱন জুৰি

উন্নতি কৰি যাবলৈ সমৰ্থ কৰা। শেষ মুহূৰ্তলৈকে মানুহে পূৰ্ণতাৰ বাবে প্ৰচেষ্টা চলাব লাগে। বিখ্যাত জেন গুৰু হাকুইন ইকাকুৱে যেতিয়া হৈছিল যে জেন পন্থাৰ প্ৰৱৰ্তক ডাৰুমাৰ এখন ছবি আঁকিবলৈ তেওঁৰ দহ মিনিট আৰু আশীবছৰ লাগিছিল তাৰ আৰত এই পূৰ্ণতাৰ সন্ধানেই আছে।

সাধাৰণ পৰ্যায়ৰ পৰা উচ্চতম পৰ্যায়লৈ জাপানত সকলো কৰ্মচাৰীৰ বাবে প্ৰশিক্ষণ এক জীৱনজোৰা ব্যৱস্থা। প্ৰতিটো কাৰখানাতে সাপ্তাহিক প্ৰশিক্ষণৰ ব্যৱস্থা আছে আৰু চাকৰিৰ প্ৰথম দহবছৰত প্ৰায় পাঁচশ ঘণ্টামান বেলেগ বেলেগ প্ৰশিক্ষণ দিয়া হয়। প্ৰশিক্ষণত হোৱা এই বিনিয়োগৰ মূল্য অপৰিসীম। নতুন কথা শিকিবৰ কাৰণে ই আগ্ৰহ জন্ম দিয়ে। দলগত মনোবৃত্তি গঢ় দিয়াৰ উপৰিও দৈনন্দিন কামৰ আমনিলগা ভাবটোও এই প্ৰশিক্ষণে আঁতৰায়। এজন জাপানী কৰ্মীয়ে কামত এক প্ৰত্যাহ্বান বিচাৰি পায় আৰু সেয়ে কামলৈ খুব আগ্ৰহ দেখুৱায়।

জাপানত সকলোধৰণৰ মেনেজমেণ্টৰ ভিতৰত 'পাৰ্চনেল' অৰ্থাৎ কৰ্মচাৰী পৰিচালনাই আটাইতকৈ প্ৰয়োজনীয় বুলি ধৰা হয়। ডাঙৰ সংগঠনবিলাকে জীৱন জোৰা নিযুক্তি দিয়ে আৰু কৰ্মচাৰীৰ সুখ-স্বাচ্ছন্দ্যৰ প্ৰতি বিশেষ খবৰ ৰাখে। আজীৱন নিযুক্তি পোৱা বাবেই কৰ্মচাৰীৰো কোম্পানীৰ প্ৰতি এটা আদৰ থাকে। মেনেজমেণ্টৰ লগত সহযোগ কৰি নতুন নতুন কৌশল উদ্ভাৱনত ভাগ লয়। উৎপাদন কেতিয়াও কমিবলৈ নিদিয়ে। জাপানী কৰ্মচাৰীয়ে এটা প্ৰতিষ্ঠানত মানৱীয় প্ৰমূল্য দিবলৈ চেষ্টা কৰে।

জাপানত মেনেজমেণ্টেও শ্ৰমিক কল্যাণৰ ক্ষেত্ৰত যথেষ্ট খৰচ কৰে আৰু কামত শ্ৰমিকৰ আগ্ৰহ বৃদ্ধি কৰিবলৈ নানান ব্যৱস্থা লয়। তেওঁলোকক বিস্তৃত দায়িত্বও দিয়া হয়। কিছুমান কাৰখানাত শ্ৰমিকে তেওঁলোকক লগা সা-সঁজুলিৰ নিজে অৰ্ডাৰ দিয়ে। যিজন শ্ৰমিকে সামগ্ৰীবোৰ পৰিদৰ্শন কৰে তেওঁ নিজৰ ফটো-সম্বলিত এখন কাৰ্ডত চহী কৰি আহে। কাৰ্ডখনৰ ওলোটা পিঠিত লেখা থাকে— "মই সামগ্ৰীটো পৰীক্ষা কৰিলো আৰু ই কামত আহিব বুলিয়েই মোৰ বিশ্বাস; যদিহে কামত নাহে এই কাৰ্ডখন ডাকত দিয়ে যেন।"

জাপানীসকলে যিকোনো এটা কথা অৰ্থনৈতিক দিশৰপৰা বিচাৰ কৰি চায়। তেওঁলোকে জানে দেশখনৰ প্ৰাকৃতিক সম্পদ নাই হেতুকে ৰপ্তানিৰ ওপৰত নিৰ্ভৰ কৰিয়েই চলিব লাগিব। তেওঁলোকে উৎপাদন বৃদ্ধিৰ প্ৰয়োজনীয়তা ভালদৰে উপলব্ধি কৰে আৰু তাৰপৰা লাভবানো হয়। তেওঁলোকৰ মুঠ আয় আমেৰিকানসকলৰ লগত তুলনা কৰিব পৰা।

জাপানত গণতান্ত্ৰিক সমতাও চকুত লগা। তেওঁলোকৰ সৰ্বনিম্ন আৰু সৰ্বোচ্চ

মজুৰিৰ অনুপাত ১:৭.৫, যিটো আমেৰিকা বা পশ্চিম ইউৰোপত ১:৪০ বা ৫০। জাপানীসকলে মেনেজমেণ্টৰ ওপৰত পূৰা বিশ্বাস ৰাখে আৰু জানে উৎপাদনৰ লাভৰ উচিত ভাগ তেওঁলোকেও পাব।

জাপানত এক সামাজিক বিপ্লৱ ঘটি গৈছে আৰু শাৰীৰিক পৰিশ্ৰমৰ চাকৰি আৰু চকী-মেজত বহি ফাইলৰ কাম কৰা চাকৰিৰ মাজত পাৰ্থক্য নাইকিয়া হৈছে। কাম কৰাৰ সময, ইউনিফৰ্ম বা কেণ্টিন ইত্যাদি সকলো একে।

আনকি পৰিয়ালৰ মানুহেও অফিচৰ কামত যথেষ্ট গুৰুত্ব আৰোপ কৰে। বন্ধদিনত যদি এজনক কামলৈ মাতি পঠোৱা হয়, তেওঁৰ গাভৰু পত্নীয়ে এইবুলি গৰ্ববোধ কৰে যে তেওঁৰ স্বামী নহ'লে অফিচ নচলেই দেখোন। এবাৰ তৰুণ এক্সিকিউটিভ এজনৰ বৰ খাটনি হৈছিল। পিচৰ কেইদিন সেয়ে তেওঁক সোনকালে যাবলৈ দিয়া হৈছিল। কিন্তু মাকে তেওঁক সেই সময়ছোৱা 'বাৰ'ত কটাই আগৰ সময়তে ঘৰলৈ আহিবলৈ ক'লে, কাৰণ চুবুৰীয়াই ইতিমধ্যে সোধা-মেলা কৰিছে তেওঁৰ ল'ৰাৰ অফিচত কিবা গোলমাল হৈছে নেকি।

ট্ৰেড-ইউনিয়নবিলাকে সাধাৰণতে উৎপাদন বৃদ্ধিৰ প্ৰসঙ্গত বিশেষ গুৰুত্ব নিদিয়ে। কিন্তু জাপানৰ ইউনিয়নবিলাকে এই কথা উপলব্ধি কৰিলে যে উৎপাদন নাবাঢ়িলে মজুৰিও নাবাঢ়ে। তেওঁলোকে ব্যক্তিগত স্বাধীনতাতকৈ যোগাতা আৰু শৃংখলাকে বেছি গুৰুত্ব দিয়ে।

এইখিনিতে এটা মনোগ্ৰাহী উদাহৰণ দিব পাৰি। এজন আমেৰিকান মালিকৰ জাপানত থকা কাৰখানা এটাৰ শ্ৰমিকসকলে এবাৰ ধৰ্মঘট আৰম্ভ কৰিলে। এদিনৰ ধৰ্মঘটৰ পিচত তেওঁলোকে কাম আৰম্ভ কৰি পিচদিনাই বেছি কাম কৰি আগদিনাৰ লোকচানখিনি পূৰাই দিলে। মালিক আচৰিত। শ্ৰমিকসকলৰ মতে ধৰ্মঘট কৰি তেওঁলোকে মালিকৰ দৃষ্টি আকৰ্ষণ কৰিলে কিন্তু উৎপাদন ব্যাহত হোৱাটো তেওঁলোকে নিবিচাৰে।

নৱম অধ্যায়ত আলোচনা কৰি অহাৰ দৰে, জাপানীসকলে যি বস্তুকেই চোৱে তাকেই ধুনীয়া কৰি পেলায়। চাফ-চিকুণতা, পূৰ্ণতা আৰু সৌন্দৰ্যৰ প্ৰতি তেওঁলোকৰ এক সীমাহীন হাবিয়াস আছে। তেওঁলোকৰ বিখ্যাত চাহ উৎসৱ এইধৰণৰে এক অনুশীলন। কামৰ হেঁচাৰ মাজৰপৰা এয়া এটা আজৰি প্ৰহৰ। সৌন্দৰ্যই সদায় নতুন শক্তি যোগায়।

জাপানীসকল কি কাম, কি খেল সকলোতে আগৰণুৱা। ভালদৰে জিৰণি ল'ব জানে আৰু ক্ৰীড়া, সংস্কৃতিৰ চৰ্চা অটুত ৰাখে। নতুন কথাৰ প্ৰতি তেওঁলোক আগ্ৰহী আৰু কৰ্মোদ্যম তেওঁলোকৰ অক্ষুণ্ণ। তেওঁলোক সঁচা অৰ্থত সুখী আৰু

সুস্বাস্থ্যৰ অধিকাৰী আৰু তেওঁলোকৰ গড় আয়ুস বোধহয় পৃথিৱীৰ ভিতৰতে বেছি।

এখন দেশৰ অৰ্থনীতি আৰু সাংস্কৃতিক ক্ষেত্ৰত জনগণৰ কৰ্ম-সংস্কৃতিৰ বিৰাট প্ৰভাৱ থাকে। গুৰুতৰ অৰ্থনৈতিক দুৰ্দশাত ভুগি থকা আমাৰ দেশখনত তেনে এক গতিশীল কৰ্ম-সংস্কৃতি গঢ় দিয়াটো সুদূৰ-প্ৰসাৰী ফলশ্ৰুতি অনা কাম হ'ব।

20

উপসংহাৰ ঃ মই কি বৰঙণি যোগাব পাৰোঁ

ভাৰত পৃথিৱীৰ নৱম দৰিদ্ৰ দেশ আৰু ইয়াৰ ৪৭ শতাংশ জনসাধাৰণে দৰিদ্ৰ-সীমাৰেখাৰ তলত বাস কৰে। সাম্প্ৰতিক অৰ্থনৈতিক বিকাশৰ গতিবেগ খুবেই মন্থৰ আৰু ১৯৮২ চনটো উৎপাদনশীলতা বৰ্ষ হিচাপে ঘোষণা কৰা হৈছিল যদিও বছৰটো জুৰি ধৰ্মঘট তথা আইন-শৃংখলা জনিত সমস্যা চলি থাকিল।

অনুন্নত (উন্নয়নশীল) দেশবিলাকৰ প্ৰশাসনো কু-পৰিচালিত বুলি কোৱা কথাষাৰ সত্য। বিশৃংখলাৰ মাজতো শৃংখলা আনি অৰ্থনৈতিক উন্নয়ন তথা সামাজিক ন্যায় সুনিশ্চিত কৰাটো প্ৰশাসকসকলৰ দায়িত্ব। কিন্তু প্ৰশাসকসকলে প্ৰায়ে অসহায় অনুভৱ কৰে। হ'ব পাৰে ব্যক্তিগতভাৱে প্ৰত্যেকৰে কৰ্তৃত্ব সীমিত কিন্তু সামূহিকভাবে তেওঁলোকেই জাতীয় সম্পদৰ নিয়ন্ত্ৰক আৰু সেয়েহে উৎসৰ্গীত, অনলস প্ৰচেষ্টাৰে তেওঁলোকে নীৰৱে এক বিপ্লৱ সাধন কৰিব পাৰে।

উদাহৰণস্বৰূপে জাপানত আমোলাতন্ত্ৰক যথেষ্ট শ্ৰদ্ধা কৰা হয়। কাৰণ জাতীয় স্বাৰ্থৰ বাবে তেওঁলোক উৎসৰ্গীত, তেওঁলোক সং-সক্ৰিয় আৰু সুদক্ষ। তেওঁলোকে আনকি ব্যক্তিগত খণ্ডকো দিহা দিয়ে।

আজি প্ৰতিজন চৰকাৰী বিষয়া কৰ্মচাৰীয়ে নিজকে এই প্ৰশ্নটো সোধা অতিশয় জৰুৰী—'মই কি বৰঙণি যোগাব পাৰোঁ?" নানান অসুবিধা সত্বেও প্ৰত্যেকেই কেইবাটাও কাম কৰিব পাৰে। এটা হ'ল তেওঁ নিজৰ সময়ৰ সুব্যৱহাৰ কৰি কামবিলাক অযথা পলম কৰিব নালাগে। ভালদৰে আঁচনি কৰি কামত আগবাঢ়িলে থকাখিনি ব্যৱস্থাৰেই বেছি ফল পাব পাৰি। ভাৰতীয় প্ৰশাসনৰ এক অন্যতম দুৰ্বলতা হ'ল দলীয় মনোবৃত্তিৰ অভাৱ আৰু সৰু-সুৰা কথা তথা মান-সন্মান পদবী লৈ অনৰ্থক চিন্তা। সৰ্বোপৰি, প্ৰশাসনীয় যোগ্যতাৰ গুৰিতে আছে শেহতীয়া জ্ঞানৰ প্ৰয়োগ। এই চিন্তা সদায় থাকিব লাগিব্ কেনেকৈ দুটা নতুন কথা শিকিব পাৰোঁ, কৰ্মচাৰীক কিবা এটা প্ৰশিক্ষণ দিব পাৰোঁ।

দৈনন্দিন কামত উৎকৰ্ষতাৰ প্ৰতি আগ্ৰহে এদিন এক বিপ্লৱৰ জন্ম দিব।

বৰ্তমান পৰিস্থিতিত বৃহৎ পৰ্যায়ত প্ৰশাসনীয় পৰিৱৰ্তন হয়তো কাৰ্যতঃ সম্ভৱ নহ'ব। সেয়েহে সৰু সৰু কিছুমান সংস্কাৰৰ যোগেদি মানুহক তৎকালীন ভাবে কিছু সকাহ দিব পাৰি।

আৰু নিজে কিবা এটা কৰিব লাগিব বুলি ভাবিলে নিজৰ অস্তিত্বলৈও এটা অৰ্থবহতা আৰু গুৰুত্ব আহি যায়। জীৱন উপভোগ্য হৈ পৰে আৰু মানুহ সুস্বাস্থ্য, তৃপ্তি তথা সুখৰ অধিকাৰী হয়। গথেৰ ফাউষ্টৰ কথাই ধৰা যাওক। অন্ধ, মৰণোন্মুখ অৱস্থাতো তেওঁ বন্ধ হ্ৰদ এটাৰ পানীখিনি উলিয়াই পথাৰ এখন কৰিছে। কিবা এটা কৰাৰ বিৰল আনন্দ লৈ তেওঁ শেষ নিশ্বাস ত্যাগ কৰিছে।

এই কথাৰ গুৰুত্ব কেতিয়াও উলাই কৰিব নোৱাৰি যে বৰ্তমানৰ সংকটপূৰ্ণ সময়ত কোনোবাই যদি আগতে এটা ধান হোৱা ঠাইত দুটা ধান কৰিব পাৰিছে, তেওঁও সঁচা অৰ্থত দেশসেৱা কৰিছে। নিৰন্তৰ প্ৰত্যেকৰে মনত এটা চিন্তা থকা উচিত যে "কিবা এটা মহৎ কাম এতিয়াও কৰিব পাৰি।" শেষত আমি সেই কবিতাফাঁকি মনত পেলাব পাৰোঁ, যিটো কবিতা পণ্ডিত জৱাহৰলাল নেহৰুৰো খুব প্ৰিয় আছিল বা ক'ব পাৰি আমালৈ তেওঁৰ শেষ বাণী আছিল ঃ

The woods are lovely, dark and deep
But I have promises to keep
And miles to go before I sleep
And miles to go before I sleep.

□□

Laser typeset at Ess Ess Enterprises, New Delhi-110055 and
printed at Shivam Offset Press, New Delhi-110028